www.asombarta.in

শুদ্ধ আৰু আপোচহীন বার্তাৰ প্রতীক

অসম বার্তা

❐ PRGI REGD. NO. : ASASS/25/A2361

❐ প্রথম বছৰ ❐ সংখ্যা- ৩১৩ ❐ সোমবাৰ ❐ ২১ ছেপ্টেম্বৰ, ২০২৬ চন ❐ Volume/Year- I ❐ Issue- 313 ❐ Monday ❐ 21st September, 2026 ❐ Asom Barta, Majuli ❐ PRGI Reg. No.- ASASS/25/A2361 ❐ Price- Rs. 10 ❐ Total Page-8

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

বতাহৰ দিশ সলনি কৰিব নোৱাৰো, কিন্তু সদায় গন্তব্য স্থানত উপনীত হবলৈ মোৰ পালবোৰ সামঞ্জস্য কৰি লব পাৰো। —জিমি ডিন

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্রতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বার্তা' কাকতৰ জৰিয়তে প্রচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বার্তা' গোষ্ঠী -

৫৫০৮ কোটি টকা ব্যয় ঃ ৫ বছৰত ৮৫ হাজাৰ শিক্ষক নিযুক্তি

ৰাজ্যত নতুনকৈ নির্মাণ হ'ব ১১০০খন মাধ্যমিক বিদ্যালয়

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ২০ ছেপ্তেম্বৰ ঃ ৰাজ্য চৰকাৰে এতিয়ালৈকে ১১০০খন মাধ্যমিক পর্যায়ৰ বিদ্যালয় নতুনকৈ নির্মাণ কৰিছে। এই প্রকল্পৰ বাবে মুঠ ৫৫০৮ কোটি টকা ব্যয় হৈছে। আজি ছিপাঝাৰৰ দেওমৰনৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নব-নির্মিত ভবন মুকলি কৰি শিক্ষা মন্ত্রী ডাঃ ৰণোজ পেগুৰে এই তথ্য প্রকাশ কৰে। মন্ত্রীগৰাকীয়ে লগতে কয় যে বিগত পাঁচ বছৰত ৰাজ্যত প্রায় ৮৫ হাজাৰ শিক্ষকক নিযুক্তি দিয়া হৈছে। শিক্ষা খণ্ডত আন্তঃগাঁথনি উন্নয়ন আৰু শিক্ষক নিয়োগৰ জৰিয়তে ৰাজ্যৰ শৈক্ষিক পৰিবেশত ইতিবাচক পৰিবর্তন আহিছে বুলি তেওঁ মন্তব্য কৰে। নব-নির্মিত ভবনটো উদ্ঘোষন কৰাৰ সময়তে মন্ত্রী ডাঃ পেগুৰে দেওমৰনৈ মহাবিদ্যালয়, দেওমৰনৈ স্নাতক মহাবিদ্যালয়, দেওমৰনৈ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয় তথা দেওমৰনৈ বি এড মহাবিদ্যালয় পৰিদর্শন কৰে। পৰিদর্শনকালত তেওঁ অঞ্চলটোৰ শৈক্ষিক পৰিবেশ, শিক্ষার্থীৰ সংখ্যা, ❐ ৬ পৃষ্ঠাত



৪৮ হাজাৰ কোটি টকাৰ বিনিয়োগে অসমৰ শক্তি খণ্ডত নতুন যুগ আৰম্ভ কৰিব ঃ মুখ্যমন্ত্রী

চাপৰত ৩২০০ মেগাৱাটৰ আদানী শক্তি প্রকল্পৰ আধাৰশিলা স্থাপন মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাৰ

নির্মাণকালত ২০ হাজাৰ পর্যন্ত আৰু কার্যক্ষম হ'লে প্রায় ৫ হাজাৰ চাকৰিৰ সম্ভাৱনা



ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ২০ ছেপ্তেম্বৰ ঃ অসমৰ মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই দেওবাৰে নামনি অসমৰ ধুবুৰী জিলাৰ চাপৰত আদানী পাৱাৰ লিমিটেডৰ ৩২০০ মেগাৱাট ক্ষমতাসম্পন্ন আল্ট্রা-ছুপাৰক্রিটিকেল থার্মেল পাৱাৰ প্লান্টৰ আধাৰশিলা স্থাপন কৰে। আদানী পাৱাৰৰ এক বিবৃতিত জনোৱা মতে, ৪৮ হাজাৰ কোটি টকাৰ এই প্রকল্পটোৰে নির্মাণ পর্যায়ত ২০ হাজাৰ পর্যন্ত আৰু কার্যক্ষম হোৱাৰ পিছত প্রায় ৫ হাজাৰ লোকক চাকৰি দিব বুলি আশা কৰা হৈছে। অনুষ্ঠানত ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়া, উদ্যোগ জগতৰ নেতা, স্থানীয় জনগোষ্ঠীৰ প্রতিনিধি আৰু আদানী গোটৰ সঞ্চালক জীত আদানী উপস্থিত থাকে। অসমত ৬৩ হাজাৰ কোটি টকাৰ বিদ্যুৎ বিনিয়োগৰ অংশ হিচাপে চাপৰ প্লান্টটোৰে ২০৩০ চনৰ ডিচেম্বৰৰ পৰা ❐ ৬ পৃষ্ঠাত

লোকপিয়লৰ প্রথম পর্যায় সম্পূর্ণ শিক্ষকৰ বদলিত অনুমোদন

বিদ্যালয় শিক্ষা বিভাগৰ আয়ুক্তৰ পত্র; মাধ্যমিক আৰু প্রাথমিক শিক্ষা সঞ্চালকালয়লৈ নির্দেশ



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২০ ছেপ্তেম্বৰ ঃ লোকপিয়লৰ প্রথম পর্যায়ৰ কাম সম্পূর্ণ হোৱাৰ প্রতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে পাৰস্পৰিক ❐ ৬ পৃষ্ঠাত

সংশোধিত ATISISৰ জৰিয়তে অসমৰ চিটিচি চাহ ৰপ্তানিত নতুন আশা

একক উৎপত্তিস্থল অসমৰ গুণগত চিটিচি চাহৰ বাবে প্রতি কেজিত ৩ টকা ৰপ্তানি প্রৰোচনা



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২০ ছেপ্তেম্বৰ ঃ অসম চৰকাৰৰ সংশোধিত অসম চাহ উদ্যোগ বিশেষ উদ্দীপনা আঁচনি (ATISIS), ২০২০ক গুৱাহাটী চাহ নিলাম কেন্দ্রই (GTAC) আদৰণি জনাইছে। নতুন নীতিৰ কাঠামোৰ জৰিয়তে ৰাজ্যৰ চাহ উদ্যোগ অধিক শক্তিশালী হ'ব আৰু ঘৰুৱা তথা আন্তঃৰাষ্ট্রীয় বজাৰত গুৱাহাটী নিলাম বাৰস্থাৰ ভূমিকা বৃদ্ধি পাব বুলি তেওঁলোকে আশা প্রকাশ কৰিছে। ১৮ ছেপ্তেম্বৰত অধিসূচনা কৰা সংশোধিত ATISIS অনুসৰি, ❐ ৬ পৃষ্ঠাত

ৰাষ্ট্রীয় সন্মিলনত বিত্তমন্ত্রী জয়ন্ত মল্লবৰুৱাৰ অংশগ্রহণ

'উন্নয়ন আৰু ৰূপান্তৰৰ বাবে ক্ষেত্রভিত্তিক বিত্তনীতিৰ প্রয়োজন'



নেশ্যনেল ডেস্ক, অসম বার্তা, ২০ ছেপ্তেম্বৰঃ নতুন দিল্লীত দুদিনীয়াকৈ অনুষ্ঠিত 'বিকশিত ভাৰতৰ দিশে দেশৰ যাত্রাত বিত্তীয় যোগান' শীর্ষক ৰাষ্ট্রীয় সন্মিলনত অসমৰ বিত্তমন্ত্রী জয়ন্ত মল্লৰুৱাই অংশগ্রহণ কৰে। সন্মিলনৰ 'কৃষি খণ্ডৰ ৰূপান্তৰৰ বাবে বিত্তীয় সাহায্য' শীর্ষক অধিবেশনত ভাষণ দি তেওঁ অসমৰ কৃষি, সাঁচি উদ্যোগ ❐ ৫ পৃষ্ঠাত

নগাঁও উপ-নির্বাচনৰ বাবে AIUDFৰ ব্যাপক নির্বাচনী প্রচাৰ

বিজেপি চৰকাৰে আমাৰ আত্মা মছজিদ, মাদ্রাছাৰ ওপৰত বুলড'জাৰ চলাইছে ঃ ৰেজাউল কৰিম



ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ২০ ছেপ্তেম্বৰ ঃ ৬ অক্টোবৰত নগাঁও লোকসভা সমষ্টিত অনুষ্ঠিত হ'ব উপ-নির্বাচনৰ ভোটগ্রহণ। উপ-নির্বাচনৰ দিন ঘোষণাৰ পিছৰে পৰা বাজনৈতিক দলসমূহৰ মাজত ব্যাপক নির্বাচনী তৎপৰতা দেখা গৈছে। উল্লেখ্য যে, প্রাক্তন সাংসদ প্রদ্যুৎ ৰবদলৈয়ে কংগ্রেছ ত্যাগ কৰি বিজেপিত যোগদান কৰাৰ পিছৰে পৰা নগাঁও লোকসভাৰ আসনখন খালী হৈ আছে। সেয়ে নগাঁও লোকসভা সমষ্টি দখল কৰিবলৈ শাসনাধিষ্ঠিত বিজেপি, ❐ ৬ পৃষ্ঠাত

আঞ্চলিক, স্থানীয় আৰু আন্তঃজাতিক পর্যায়ত সহযোগিতাৰ আহ্বান


জলবায়ু পৰিৱর্তন ৰোধ কৰিবলৈ সুসংহত কার্যপ্রণালী প্রয়োজন ঃ দ্রৌপদী মুর্মু



নেশ্যনেল ডেস্ক, অসম বার্তা, ২০ ছেপ্তেম্বৰ ঃ শেহতীয়াকৈ সংঘটিত প্রাকৃতিক দুর্যোগসমূহে জলবায়ু পৰিবর্তন ৰোধ কৰিবলৈ এক সুসংহত জলবায়ু কার্যপ্রণালীৰ প্রয়োজনীয়তাক স্পষ্ট কৰি দিছে বুলি ৰাষ্ট্রপতি শ্রীমতী দ্রৌপদী মুর্মুৰে প্রকাশ কৰিছে। নতুন দিল্লীত আজি সন্ধিয়া জলবায়ুৰ দিশ তথা পৰিবেশৰ ভবিষ্যৎ সম্পর্কত আয়োজিত এখন আলোচনাসভাৰ সামৰণি অনুষ্ঠানত ❐ ৬ পৃষ্ঠাত

মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মা, মন্ত্রী বিমল বড়া আৰু সাংসদ গৌৰৱ গগৈৰ শ্রদ্ধাঞ্জলি

ৰাজ্যজুৰি ৰাণা দাৰ ৮৩ সংখ্যক জন্মজয়ন্তীত স্মৰণ



নিজস্ব ডেস্ক, অসম বার্তা, ২০ ছেপ্তেম্বৰ ঃ ১৯৪৩ চনৰ এই দিনটোতে মাডলঁদৈত জন্মগ্রহণ কৰা অসমীয়া সংগীত জগতৰ বিৰল প্রতিভা, কণ্ঠশিল্পী, সুৰকাৰ, সংগীত পৰিচালক আৰু গীতিকাৰ জয়ন্ত হাজৰিকাৰ ৮৩ সংখ্যক জন্মজয়ন্তী আজি ৰাজ্যজুৰি শ্রদ্ধা আৰু স্মৃতিৰে পালন কৰা হয়। মৰমতে 'ৰাণা দা' বুলি জনাজাত এই শিল্পীগৰাকী শাৰীৰিকভাৰে আমাৰ মাজত নাথাকিলেও ❐ ৬ পৃষ্ঠাত

খাদ্য বিষক্রিয়াত কেন্দ্রীয় গৃহমন্ত্রী অমিত শ্বাহ হঠাতে অসুস্থ

নির্ধাৰিত সকলো কার্যসূচী বাতিল ঃ প্রহ্লাদ যোশীৰ অৱগত



নেশ্যনেল ডেস্ক, অসম বার্তা, ২০ ছেপ্তেম্বৰ ঃ কর্ণাটক ভ্রমণৰ সময়ত কেন্দ্রীয় গৃহমন্ত্রী অমিত শ্বাহ হঠাতে অসুস্থ হৈ পৰিছে। প্রাপ্ত তথ্য অনুসৰি, শনিবাৰে তেওঁ কর্ণাটকৰ হুবাল্লীত উপস্থিত থাকোঁতে তেওঁৰ শাৰীৰিক অবস্থাৰ অবনতি ঘটে। ❐ ৬ পৃষ্ঠাত

'জুবিন অসমৰ আত্মা' বুলি উল্লেখ কৰি সংগীত-ঐতিহ্য সংৰক্ষণৰ ইচ্ছা প্রকাশ

৩০ হাজাৰৰ পৰিৱর্তে ৩ হাজাৰ! অনিচ্ছাকৃত ভুলৰ বাবে ক্ষমা প্রার্থনা বিজয় গুপ্তাৰ



নিজস্ব ডেস্ক, অসম বার্তা, ২০ ছেপ্তেম্বৰ ঃ জুবিন গার্গক লৈ কৰা এটা মন্তব্যৰ পৰিপ্রেক্ষিতত সৃষ্টি হোৱা ভুল বুজাবুজিৰ মাজতে সংশ্লিষ্ট ব্যক্তি বিধায়ক বিজয় গুপ্তাই নিজৰ ভুল স্বীকাৰ কৰি অসমবাসীৰ ওচৰত ক্ষমা প্রার্থনা জনাইছে। তেওঁ স্পষ্ট ❐ ৬ পৃষ্ঠাত

শ্বেফালীৰ বিধ্বংসী শতক ঃ বাংলাদেশ ১৫.৪ অভাৰত ৮১ ৰানত অলআউট

বাংলাদেশক ১১৪ ৰানত হৰুৱাই এছিয়ান গেমছৰ ফাইনেলত ভাৰত



নিজস্ব ডেস্ক, অসম বার্তা, ২০ ছেপ্তেম্বৰ ঃ এছিয়ান গেমছ ২০২৬ৰ মহিলা ক্রিকেট ছেমিফাইনেলত ভাৰতীয় মহিলা দলে বাংলাদেশক ১১৪ ৰানত পৰাস্ত কৰি সোণৰ পদকৰ ফাইনেলত প্রৱেশ কৰিছে। শ্বেফালী বার্মাৰ অপৰাজিত শতকীয় ইনিংছ আৰু নিয়ন্ত্রিত বলিঙৰ বলত টীম ইণ্ডিয়াই এই নির্ণায়ক জয় সাব্যস্ত কৰে। দেওবাৰে অনুষ্ঠিত দ্বিতীয়খন ছেমিফাইনেলত ভাৰতীয় মহিলা দলৰ অধিনায়ক হৰমনপ্রীত কৌৰে টছত জয়ী হৈ প্রথমে বেটিং কৰাৰ সিদ্ধান্ত লয়। সেই ❐ ৬ পৃষ্ঠাত

কমেডিয়ান পুলকিত মণিৰ সৈতে ৰাহুলৰ ভিডিঅ' ভাইৰেল

ৰাহুল গান্ধীৰ অনুষ্ঠানত মোদীৰ মিমিক্রিঃ বিজেপিৰ তীব্র প্রতিক্রিয়া



নেশ্যনেল ডেস্ক, অসম বার্তা, ২০ ছেপ্তেম্বৰ ঃ শনিবাৰে ইন্দোৰত কংগ্রেছ সাংসদ ৰাহুল গান্ধীৰ 'ছাত্র কী গুঞ্জ' অনুষ্ঠানত ষ্টেণ্ড-আপ কমেডিয়ান পুলকিত মণিয়ে প্রধানমন্ত্রী নৰেন্দ্র মোদীৰ অনুকৰণ কৰা ঘটনাই ভাৰতীয় জনতা পার্টিক ক্ষুব্ধ ❐ ৬ পৃষ্ঠাত

পূর্বতকৈ পলমকৈ অনুষ্ঠিত হ'ব HSLC, HS পৰীক্ষা; ASSEBৰ গুৰুত্বপূর্ণ জাননী

উজনি অসমৰ বান পৰিস্থিতি আৰু লোকপিয়লৰ বাবে শিক্ষা বিভাগৰ সিদ্ধান্ত

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২০ ছেপ্তেম্বৰ ঃ অসম বাজিক বিদ্যালয় শিক্ষা পৰিষদ (ASSEB)-এ HSLC আৰু HS পৰীক্ষার্থীসকলৰ বাবে এক গুৰুত্বপূর্ণ জাননী জাৰি কৰিছে। জাননী অনুসৰি, এইবাৰ HSLC আৰু HS পৰীক্ষা পূর্বৰ সময়সূচীতকৈ পলমকৈ অনুষ্ঠিত হ'ব। উজনি অসমৰ বান পৰিস্থিতি আৰু লোকপিয়লৰ কাম-কাজৰ বাবে শিক্ষা বিভাগে এই সিদ্ধান্ত গ্রহণ কৰিছে। জাননী মতে, দশম শ্রেণীৰ নিয়মীয়া পাঠ্যক্রম ২০২৭ চনৰ ২২ ফেব্রুৱাৰী পর্যন্ত চলিব। আনহাতে দ্বাদশ শ্রেণীৰ নিয়মীয়া পাঠ্যক্রম ২০২৭ চনৰ ৮ মার্চলৈকে অব্যাহত ❐ ৬ পৃষ্ঠাত

ৰাষ্ট্রপতি, প্রধানমন্ত্রী, গৃহমন্ত্রীৰ অভিনন্দন

এছিয়ান গেমছত ভাৰতৰ প্রথমটো ৰূপৰ পদক

মহিলাৰ ১০ মিটাৰ এয়াৰ ৰাইফলত ভাৰতৰ ৰূপ



নিজস্ব ডেস্ক, অসম বার্তা, ২০ ছেপ্তেম্বৰ ঃ এছিয়ান গেমছৰ মহিলাৰ ১০ মিটাৰ এয়াৰ ৰাইফল শিতানত ৰূপৰ পদক অর্জন কৰা ইলাভেনিল ভালাৰিভানক ৰাষ্ট্রপতি দ্রৌপদী মুর্মু, প্রধানমন্ত্রী নৰেন্দ্র মোদী আৰু গৃহমন্ত্রী অমিত শ্বাহে অভিনন্দন জনাইছে। সামাজিক মাধ্যমত প্রকাশ কৰা বার্তাত ৰাষ্ট্রপতি শ্রীমতী মুর্মুৰে কয় যে ইলাভেনিল ভালাৰিভানে নিজৰ দর্শনীয় প্রদর্শনীৰে দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। তেওঁ লগতে আশা প্রকাশ কৰে যে আগন্তুক সময়ত তেওঁ খেলুৰৈগৰাকীয়ে এনে সাফল্য অর্জন কৰি থাকিব। প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে ❐ ৬ পৃষ্ঠাত

ধিঙৰ ধূপাগুৰিত কংগ্রেছৰ ৰেলীত সংখ্যালঘু ৰাইজৰ কংগ্রেছ বিৰোধী শ্লোগান

'গৌৰৱ গগৈ গ' বেক, শিৰামণি গ' বেক, কংগ্রেছ গ' বেক' ধ্বনিৰে উত্তাল

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ২০ ছেপ্তেম্বৰ ঃ সমাগত নগাঁও লোকসভা সমষ্টিৰ উপ-নির্বাচনৰ প্রেক্ষাপটত ৰাজনৈতিক পৰিৱেশ উত্তপ্ত হৈ উঠিছে। আজি দেওবাৰে ধিং সমষ্টিৰ ধূপাগুৰিত কংগ্রেছৰ এক বিশাল ৰেলী অনুষ্ঠিত হয়। কংগ্রেছ নেতা গৌৰৱ গগৈ, ৰকিবুল হুছেইন আৰু দলৰ প্রার্থী শিৰামণি ৰবাক লৈ এই ৰেলী আগবাঢ়িছিল। ❐ ৬ পৃষ্ঠাত

"ভাৰত ত্যাগ আন্দোলনত ঢেকীয়াজুলিৰ ১৫ বীৰ শ্বহীদৰ আত্মবলিদানে আজিও বিভিয়াই"

মহাত্মা গান্ধীৰ 'কৰিম কিম্বা মৰিম' আহ্বানত প্রাণ দিয়া সংগ্রামীসকলৰে ড° হিমন্ত বিশ্ব শর্মাৰ সশ্রদ্ধ প্রণিপাত

নিজস্ব ডেস্ক, অসম বার্তা, ২০ ছেপ্তেম্বৰ ঃ ১৯৪২ চনৰ ২০ ছেপ্তেম্বৰৰ ঢেকীয়াজুলিৰ ঘটনা অসমৰ স্বাধীনতা সংগ্রামৰ এক ৰক্তলিখিত অধ্যায়। এই দিনটোত ব্রিটিছ শাসনৰ বিৰুদ্ধে প্রতিবাদ কৰি প্রাণ দিয়া ১৫ গৰাকী বীৰ শ্বহীদৰ বলিদানক আজিও ৰাজ্যবাসীয়ে শ্রদ্ধাৰে স্মৰণ কৰে। সেই ঐতিহাসিক দিনা মহাত্মা গান্ধীৰ 'কৰিম কিম্বা মৰিম' আহ্বানে সমগ্র দেশৰ লগতে অসমতো দেশপ্রেমৰ ঢৌৰে স্পর্শ কৰিছিল। ঢেকীয়াজুলি ❐ ৬ পৃষ্ঠাত

মেৰাপানী চাউদাং পথাৰত দিনজোৰা কাৰ্যসূচীৰে প্ৰাণৰ শিল্পী জুবিন গাৰ্গ দিৱস উদ্‌যাপন



অসম বাৰ্তা, মেৰাপানী, ২০ ছেপ্টেম্বৰ ঃ অসমীয়া সংগীত জগতৰ প্ৰাণৰ শিল্পী তথা অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ স্মৃতি আৰু সৃষ্টিশীল অৱদানক সুঁৱৰি আজি মেৰাপানী চাউদাং পথাৰ কলাক্ষেত্ৰৰ প্ৰেক্ষাগৃহত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে 'প্ৰাণৰ শিল্পী জুবিন গাৰ্গ দিৱস' উদযাপন কৰা হয়। গোলাঘাট জিলা সাহিত্য সভা আৰু একাঁজলি নৱসূৰুজ শিল্পী সমাজৰ উদ্যোগত তথা চাউদাং পথাৰ কলাক্ষেত্ৰৰ সৌজন্যত আয়োজিত এই দিৱসৰ কাৰ্যসূচীত পুৱাৰে পৰা বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হয়। পুৱাৰ ভাগত সমূহ সদস্যৰ সহযোগত পৰিৱেশ নিকাকৰণ কাৰ্যসূচীৰে দিনটোৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। পৰিৱেশ নিকাকৰণৰ পাছতে অনুষ্ঠিত পতাকা উত্তোলন কাৰ্যসূচীত গোলাঘাট জিলা সাহিত্য সভাৰ উপ-সভাপতি মুহিৰাম লইং, একাঁজলি নৱসূৰুজ শিল্পী সমাজৰ সভাপতি ৰিতুৰাজ শদিয়া আৰু চাউদাং পথাৰ কলাক্ষেত্ৰৰ সভাপতি যোগেন কোঁৱৰে পতাকা উত্তোলন কৰে। ইয়াৰ পাছতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত স্মৃতি তৰ্পণ কাৰ্যসূচী অনুষ্ঠিত হয়। 'দৈয়াং ৰত্ন' মহেন বৰুৱাই স্মৃতি তৰ্পণ কৰাৰ লগতে এই কাৰ্যসূচীত সহযোগ কৰে চাউদাং পথাৰ কলাক্ষেত্ৰৰ প্ৰতিষ্ঠাপক সভাপতি নিৰ্মল বৰাই। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি বৃক্ষৰোপণ কাৰ্যসূচীও অনুষ্ঠিত হয়। চৰাই মাৰী হাই স্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক তথা প্ৰকৃতি প্ৰেমী মৃদুল বৰাই বৃক্ষৰোপণ কৰে। অনুষ্ঠানস্থলীৰ মঞ্চ বিশিষ্ট সমাজকৰ্মী পোনা বৰাই উদ্বোধন কৰে। পুৰা অনুষ্ঠিত বিভিন্ন কাৰ্যসূচীৰ আঁত ধৰে গোলাঘাট জিলা সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সম্পাদক প্ৰবীণ গগৈয়ে। দিনটোৰ কাৰ্যসূচীত বিভিন্ন ক্ষেত্ৰৰ গণ্য-মান্য ব্যক্তি, সাহিত্যিক, শিল্পী, সমাজকৰ্মী আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে। ইফালে বিয়লিৰ ভাগত দৈয়াং ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ ড০ বিদুৰ কুমাৰ বৰুৱাই উদ্বোধন কৰা মুকলি সভা অনুষ্ঠানত কৰে। মুকলি সভাত সভাপতিত্ব কৰে গোলাঘাট জিলা সাহিত্য সভাৰ সভানেত্ৰী বন্তি বৰাই। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে শিক্ষা বিষয়া তথা পূব শিক্ষাখণ্ডৰ গোলাঘাট জিলাৰ অৱনী গগৈ। সভাত জুবিন গাৰ্গৰ সংগীত-সাধনা, সৃষ্টিশীলতা আৰু অসমীয়া সংগীত-সংস্কৃতিলৈ আগবঢ়োৱা অৱদানৰ ওপৰত বক্তাসকলে আলোকপাত কৰে। প্ৰাণৰ শিল্পী জুবিন গাৰ্গ দিৱসৰ সৈতে সংগতি ৰাখি জুবিন গাৰ্গৰ গীতৰ আধাৰত কেইবাটাও শাখাত সংগীত প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ইয়াৰ লগতে সৃষ্টিশীল নৃত্য প্ৰতিযোগিতাৰো আয়োজন কৰা হয়। বিভিন্ন শাখাৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা প্ৰতিযোগীসকলে জুবিন গাৰ্গৰ জনপ্ৰিয় গীতসমূহৰ আধাৰত সংগীত আৰু নৃত্য পৰিৱেশন কৰি অনুষ্ঠানস্থলী জীপাল কৰি তোলে। বিয়লিৰ কাৰ্যসূচীৰ অংশ হিচাপে বন্তি প্ৰজ্বলন কৰা হয়। গোলাঘাট জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদক চন্দ্ৰদীপ গগৈয়ে বন্তি প্ৰজ্বলন কৰে। ইয়াৰ পাছতে অসম যুৱ পৰিষদৰ উপ-সভাপতি মুনচুম বৰাই সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে। সাংস্কৃতিক অনুষ্ঠানত কেইবাগৰাকীও আমন্ত্ৰিত শিল্পীয়ে অংশগ্ৰহণ কৰে। শিল্পীসকলে জুবিন গাৰ্গৰ জনপ্ৰিয় গীত পৰিৱেশন কৰাৰ লগতে প্ৰয়াত ৰাজীৱ শদিয়াৰ গীত পৰিৱেশন কৰি অনুষ্ঠানস্থলীত এক আবেগিক আৰু সাংস্কৃতিক পৰিৱেশৰ সৃষ্টি কৰে। শিল্পীসকলৰ গীতৰ সুৰত উপস্থিত ৰাইজে জুবিন গাৰ্গৰ সংগীতৰ সৈতে পুনৰ একাত্ম হৈ পৰে। উল্লেখ্য যে অসমীয়া সংগীত জগতত জুবিন গাৰ্গে আগবঢ়াই যোৱা অৱদান, তেওঁৰ সৃষ্টিশীলতা আৰু সংগীতৰ জৰিয়তে অসমীয়া জাতীয় জীৱনত সৃষ্টি কৰা প্ৰভাৱক স্মৰণ কৰাৰ উদ্দেশ্যে এই দিৱসৰ আয়োজন কৰা হয়। সাহিত্য, সংগীত, নৃত্য আৰু সাংস্কৃতিক বিভিন্ন কাৰ্যসূচীৰ সমাহাৰেৰে অনুষ্ঠিত দিনজোৰা অনুষ্ঠানটোৱে মেৰাপানীৰ সাংস্কৃতিক পৰিৱেশ মুখৰিত কৰি তোলে। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ গীত আৰু সৃষ্টিৰ সৈতে নতুন প্ৰজন্মক অধিক পৰিচিত কৰাৰ লগতে তেওঁৰ সংগীত-সৃষ্টিৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰাৰ ক্ষেত্ৰতো এই অনুষ্ঠানটোৱে এক বিশেষ তাৎপৰ্য বহন কৰে বুলি আয়োজকসকলে প্ৰকাশ কৰে।

বেবেজীয়াৰ বিভিন্ন স্থানত জুবিন দিৱস উদ্‌যাপন



অসম বাৰ্তা, বেবেজীয়া, ২০ ছেপ্টেম্বৰ ঃ সমগ্ৰ ৰাজ্যৰ লগতে বেবেজীয়াৰ নিকটৱৰ্তী দক্ষিণ জাজৰিটো অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰথম বাৰ্ষিক মৃত্যুবাৰ্ষিকী উদযাপন কৰে। পুৱা ৯ বজাৰ লগে লগেই জাজৰি - কাকমাৰী মূল পথৰ ওপৰত সজোৱা নিৰ্দ্দিষ্ট ঠাইত জুবিন গাৰ্গৰ প্ৰতিচবিত বন্তি প্ৰজ্বলন কৰে দক্ষিণ জাজৰি সৰ্বজনীন শংকৰ মন্দিৰৰ নামঘৰীয়া নৰজ্যোতি তামোলীয়ে। তাৰ পিছতেই ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জনোৱা হয় আৰু উপস্থিত শতাধিক গুণমুগ্ধই "মায়াবিনী ৰাতিৰ বুকুত" শীৰ্ষক গীতটি পৰিবেশন কৰে। অনুষ্ঠানত দক্ষিণ জাজৰি সাংস্কৃতিক গোষ্ঠীৰ সভাপতি প্ৰবীন চন্দ্ৰ বৰদলৈ, জাজৰি ঘন স্মৃতি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক হেমজিৎ মেধি, জেষ্ঠ শিক্ষয়িত্ৰী জেছমিন বেগম, জেষ্ঠ সাংবাদিক ৰাহুল দেৱ বৰদলৈ, সৰ্বজনীন শংকৰ মন্দিৰৰ বিষয়ববীয়া মনোজ মহন্ত, ভৱ বৰা, ধন্তি বৰাকে ধৰি বহু সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। জুবিন দিৱসৰ লগত সংগতিৰাখি সন্ধ্যা অঞ্চলৰ প্ৰত্যেকঘৰ গৃহস্থিৰ পদূলিত বন্তি প্ৰজ্বলন আৰু শংকৰ মন্দিৰত নাম-কীৰ্তন অনুষ্ঠিত হয়। আনহাতে জাজড়িত জাজৰি শতদল শাখা সাহিত্য সভাইও পুৱা ৯ বজাত জাজৰি বাছ আস্থানত শিল্পীগৰাকীলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি ব্যৱস্থা কৰে। শাখাৰ সভাপতি মহেন্দ্ৰ মহন্তই অনুষ্ঠানৰ আৰম্ভণি কৰে। লগতে জামুগুৰী চাৰিআলিত অঞ্চলৰ সকলো মিলি জুবিন দিৱস উদযাপন কৰে। পুৱাৰ ভাগত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, নাম-কীৰ্তন আৰু নিশালৈ সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়।

লোকবাদ্য শিল্পী ৰমণীকান্ত নাথ ওৰফে কানুৰ পৰলোকপ্ৰাপ্তিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২০ ছেপ্টেম্বৰ ঃ কামৰূপ জিলাৰ চাংসাৰি গাঁৱৰ নিবাসী লোকবাদ্য শিল্পী ৰমণী কান্ত নাথ ওৰফে কানুৱে যোৱা ৮ ছেপ্তেম্বৰ তাৰিখে নিজৰ গাঁৱৰ মাজ মজিয়াত দুচকীয়া বাহনেৰে সংঘটিত এক আকস্মিক শোকাবহ দুৰ্ঘটনাৰ ফলত দুৰ্ঘটনাৰ তিনিদিন পিছত অৰ্থাৎ ১১ তাৰিখে চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত ইহলীলা সম্বৰণ কৰে। প্ৰায় ৭৪ বছৰ বয়সতে আকস্মিক মৃত্যুক সাৱটি ল'বলগীয়া হ'ল লোকবাদ্য দোতাৰা শিল্পী ৰমণী কান্ত নাথ ওৰফে কানুৱে। চাংসাৰিৰ এসময়ৰ লোকগীতৰ ধ্বজাবাহী কানুৰ দোতাৰা বাদনে সকলোকে মুহিত কৰি তুলিছিল। বিভিন্ন মঞ্চত লোকগীত পৰিবেশন কৰি ৰাইজৰ সমাদৰ বুটলিবলৈ সক্ষম হৈছিল কানুৱে। কানুৰ লোকগীতৰ প্ৰতি থকা আগ্ৰহক অনুসৰণ কৰিছিল তেওঁৰ পুত্ৰ জীয়ৰীয়েও। সকলোকে এসময়ত লোকগীতৰ সুভাষ বিলোৱা কানুৰ আকস্মিক মৃত্যুত পৰিয়াল ইষ্ট-কুটুম্বৰ লগতে তেওঁৰ গুণমুগ্ধ সকলে গভীৰ দুখ প্ৰকাশ কৰিছে। তেওঁৰ পৰিয়ালবৰ্গৰ সমন্বিতে আত্মীয় স্বজন সকলে তেওঁৰ আত্মাৰ সদগতিৰ অৰ্থে ২২ ছেপ্টেম্বৰ মঙ্গলবাৰে আদ্যশ্ৰাদ্ধ অনুষ্ঠানৰ মাজতে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰো আয়োজন কৰিছে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত কানুৰ গুণমুগ্ধ সকলৰো পৰিয়ালৰ তৰফৰ পৰা উপস্থিতি কামনা কৰা হৈছে। উল্লেখ্য যে লোকবাদ্য শিল্পী ৰমণী কান্ত নাথ ওৰফে কানুৱে তেওঁৰ মৃত্যুৰ সময়ত নিজ পত্নী, পুত্ৰ-বোৱাৰী, জী-জোৱাইৰ লগতে নাতি নাতিনী আৰু আত্মীয় স্বজনক ইহ সংসাৰত এৰি থৈ যায়।

ঐতিহ্যমণ্ডিত গৌৰীপুৰ চহৰত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰথম মৃত্যু বাৰ্ষিক পালন

অসম বাৰ্তা, গৌৰীপুৰ, ২০ ছেপ্টেম্বৰ ঃ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে ধুবুৰী জিলাৰ ঐতিহ্যমণ্ডিত গৌৰীপুৰ চহৰতো আজি প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ



প্ৰথম মৃত্যু বাৰ্ষিকী গভীৰ শ্ৰদ্ধা আৰু আবেগেৰে পালন কৰা হয়। গৌৰীপুৰ চহৰৰ কালিবাৰীস্থিত চাৰিআলি চকত ধুবুৰী জিলা জুবিন গাৰ্গ স্মৃতি মঞ্চৰ লগতে গৌৰীপুৰৰ একাংশ জ্যেষ্ঠ নাগৰিক আৰু সমাজসেৱীৰ উদ্যোগত অনুষ্ঠিত হয় এই স্মৃতিচাৰণ অনুষ্ঠান। অনুষ্ঠানত গৌৰীপুৰৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি, সমাজসেৱী, স্থানীয় শিল্পী আৰু বহু সংখ্যক ৰাইজ উপস্থিত থাকে। অনুষ্ঠানৰ আৰম্ভণিতে উপস্থিত সকলোৱে একেলগে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু পুষ্পাঞ্জলি অৰ্পণ কৰি প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰে। ইয়াৰ পিছতে অনুষ্ঠিত হয় এখন স্মৃতিচাৰণ সভা। সভাত সভাপতিত্ব কৰে ধুবুৰী জিলা জুবিন গাৰ্গ স্মৃতি মঞ্চৰ সভাপতি ৰঞ্জিত ৰায় মণ্ডলে। সভাত সহযোগিতা আগবঢ়ায় গৌৰীপুৰৰ বিশিষ্ট সমাজসেৱিকা জাহানাৰা হুছেইনে। স্মৃতিচাৰণ সভাত উপস্থিত বিশিষ্ট ব্যক্তিসকলে জুবিন গাৰ্গৰ সংগীত-সাধনা, অসমীয়া সংস্কৃতিৰ প্ৰতি তেওঁৰ অৱদান আৰু সমাজ জীৱনত শিল্পীগৰাকীয়ে সৃষ্টি কৰা গভীৰ প্ৰভাৱৰ বিষয়ে স্মৃতিচাৰণ কৰে। ইয়াৰ পিছতে স্থানীয় বিভিন্ন শিল্পীয়ে জুবিন গাৰ্গে কণ্ঠদান কৰা জনপ্ৰিয় গীত পৰিৱেশন কৰি প্ৰাণৰ শিল্পীগৰাকীক স্মৰণ কৰে। শিল্পীসকলৰ গীতৰ মাজেৰে অনুষ্ঠানস্থলীত এক আবেগঘন পৰিৱেশৰ সৃষ্টি হয়। ইফালে, জুবিন গাৰ্গৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ উদ্দেশ্যে অনুষ্ঠানস্থলীৰ সমীপতে 'জুবিন গাৰ্গ উদ্যান' নামেৰে এটি উদ্যান নিৰ্মাণৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে বুলি জানিবলৈ দিয়ে ধুবুৰী জিলা জুবিন গাৰ্গ স্মৃতি মঞ্চৰ গৌৰীপুৰ-ধুবুৰী কাৰ্যকৰী সভাপতি পৰমেশ্বৰ অধিকাৰীয়ে। অনুষ্ঠানৰ অন্তত সংবাদ মাধ্যমৰ আগত তেওঁ এই কথা উল্লেখ কৰে। জুবিন গাৰ্গৰ প্ৰথম মৃত্যু বাৰ্ষিক উপলক্ষে অনুষ্ঠিত এই স্মৃতিচাৰণ অনুষ্ঠানে গৌৰীপুৰত প্ৰাণৰ শিল্পীগৰাকীৰ প্ৰতি থকা ৰাইজৰ গভীৰ ভালপোৱা আৰু শ্ৰদ্ধাৰেই যেন পুনৰ এক নিদৰ্শন দাঙি ধৰে।

নলবাৰীৰ কুমাৰীকাটাৰ ভাৰত ডেকা একাডেমীত জুবিন দিৱস পালন

অসম বাৰ্তা, চামতা, ২০ ছেপ্টেম্বৰ ঃ জুবিন অসমৰ সূৰ্য। এই মন্তব্য প্ৰদান কৰিলে ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ ৰূপক বৈশ্যই। আজি নলবাৰী জিলাৰ দক্ষিণ-পশ্চিম প্ৰান্তৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীতো অসমৰ সকলোৰে আদৰৰ প্ৰিয় শিল্পী, বিশ্বকণ্ঠ জুবিন গাৰ্গৰ মহাপ্ৰয়াণৰ এবছৰ সম্পূৰ্ণ হোৱাত তেওঁৰ স্মৃতিত গভীৰ শ্ৰদ্ধা, মৰম আৰু আবেগেৰে জুবিন দিৱস পালন কৰা হয়। অধ্যক্ষ ৰূপক বৈশ্যৰ নেতৃত্বত অনুষ্ঠিত এই বিশেষ অনুষ্ঠানটোৱে একাডেমীৰ চৌহদক সুৰ, স্মৃতি আৰু অনুভূতিৰে মুখৰ কৰি তোলে। অধ্যক্ষ ৰূপক বৈশ্যই হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত এগচি বন্তি জ্বলাই অনুষ্ঠানৰ শুভাৰম্ভ কৰে। লগে লগেই অধ্যক্ষ ৰূপক বৈশ্য সমন্বিতে সমূহ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী তথা শিক্ষাৰ্থীসকলে সমস্বৰে 'মায়াবিনী' শীৰ্ষক গীতটি গাই বিশ্বকণ্ঠ জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। জুবিন গাৰ্গৰ স্মৃতি সজীৱ তথা চিৰসেউজীয়া কৰি ৰখাৰ এক সুন্দৰ প্ৰয়াস হিচাপে একাডেমীৰ চৌহদত অধ্যক্ষ ৰূপক বৈশ্যৰ লগতে তেওঁৰ জীয়ৰী হৃদি বৈশ্য ৰিমে একোটিকৈ নাহৰ গছৰ পুলি ৰোপণ কৰে। তাৰপিচত ৰূপায়িত সভাত অধ্যক্ষ ৰূপক বৈশ্যই জুবিন গাৰ্গৰ জীৱন, সংগীত, অসমীয়া সংস্কৃতিৰ প্ৰতি তেওঁৰ অৱদান আৰু নতুন প্ৰজন্মৰ বাবে তেওঁৰ সৃষ্টিৰ প্ৰাসংগিকতাৰ ওপৰত এক সুন্দৰ আৰু হৃদয়স্পৰ্শী ভাষণ প্ৰদানেৰে সকলোকে অনুপ্ৰাণিত কৰে। ভাষণত অধ্যক্ষ ৰূপক বৈশ্যই জুবিন গাৰ্গক অসমৰ সূৰ্য বুলি মন্তব্য প্ৰদান কৰে আৰু সেই সূৰ্যৰ পোহৰে চিৰদিন আমাক জিলিকাই ৰাখিব বুলি আশা ব্যক্ত কৰে। লগতে অধ্যক্ষ ৰূপক বৈশ্যই সাহস আৰু স্পষ্টবাদিতাৰে মানুহৰ শিল্পী জুবিন গাৰ্গৰ আদৰ্শৰাজিক আগুৱাই নিবলৈ শিক্ষাৰ্থীসকলক উৎসাহ যোগায়। একাডেমীৰ সম্পাদক সুশান্ত কুমাৰ শৰ্মাই তেওঁৰ মূল্যবান বক্তৃতাৰে জুবিন গাৰ্গৰ সৃষ্টিশীলতা আৰু অসমীয়া সংগীত জগতলৈ আগবঢ়োৱা অৱদানৰ কথা সোঁৱৰণ কৰে। শিক্ষাৰ্থীসকলৰ মাজত অনুষ্ঠিত কৰা জুবিন গাৰ্গ বিষয়ক ৰচনা প্ৰতিযোগিতা আৰু শিক্ষাৰ্থীসকলে কৰা কবিতা আবৃত্তিৰ জৰিয়তে জুবিন গাৰ্গৰ প্ৰতি বিশেষভাৱে শ্ৰদ্ধা জনোৱা হয়। অনুষ্ঠানৰ অন্যতম আকৰ্ষণ আছিল একাডেমীৰ শিক্ষয়িত্ৰীসকলৰ দ্বাৰা মনোমোহা গীত পৰিৱেশন। বিশেষকৈ 'মায়াবিনী' গীতৰ সুৰে সমগ্ৰ পৰিৱেশটো এক অনন্য আবেগেৰে ভৰাই তোলে। তাৰ পূৰ্বে অধ্যক্ষ ৰূপক বৈশ্যৰ তনয়া হৃদি বৈশ্য ৰিমে জুবিন গাৰ্গৰ শুভ্ৰ বলাকাৰ শীৰ্ষক গীতটিত নৃত্য পৰিৱেশন কৰি সকলোকে মোহাচ্ছন্ন কৰি তোলা পৰিলক্ষিত হয়। বন্তিৰ পোহৰত শ্ৰদ্ধা, নাহৰৰ সেউজীয়াত স্মৃতি, কবিতাৰ শব্দত অনুভৱ আৰু গীতৰ সুৰত জুবিন। জুবিন গাৰ্গৰ সুৰ, সৃষ্টি আৰু অসমপ্ৰেমে নতুন প্ৰজন্মক সদায় অনুপ্ৰাণিত কৰি থাকিব। তেওঁৰ সৃষ্টিৰ মাজেৰে তেওঁ সদায় আমাৰ মাজত জীয়াই থাকিব। ভাৰত ডেকা একাডেমী পৰিয়ালে এই আশা বুকুত বান্ধি জুবিন দিৱসৰ সামৰণি পেলায়।

পাঁচ হাজাৰ নাহৰ পুলিৰে 'জুবিন গাৰ্গ নাহৰ উদ্যান' স্থাপনৰ সন্দৰ্ভত আলোচনা

সৰুপথাৰ আৰু নগালেণ্ডৰ ভাণ্ডাৰী সমষ্টিৰ বিধায়কৰ গুৰুত্বপূৰ্ণ বৈঠক

জুবিন দিৱসত অসম-নাগালেণ্ড সীমান্তত সমন্বয়ৰ বাৰ্তা

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, সৰুপথাৰ, ২০ ছেপ্টেম্বৰ ঃ জুবিন দিৱসৰ দিনটোতে অসম-নাগালেণ্ড সীমান্তত শান্তি, সম্প্ৰীতি আৰু সমন্বয়ৰ বাৰ্তা কঢ়িয়াই এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হয়। সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনৰ বাসগৃহত আজি পুৱা নাগালেণ্ডৰ ভাণ্ডাৰী বিধানসভা সমষ্টিৰ বিধায়ক আচুম্বেমো কিকন উপস্থিত হৈ দুয়োগৰাকী বিধায়কৰ মাজত এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। পুৱা ৯: ৩০ বজাত অনুষ্ঠিত বৈঠকত অসম-নাগালেণ্ড সীমান্তৰ উৰিয়ামঘাটৰ হাতীডুবীত ৫,০০০ নাহৰ পুলি ৰোপণেৰে স্থাপন কৰিবলগীয়া 'জুবিন গাৰ্গ নাহৰ উদ্যান'ৰ সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। ইয়াৰ লগতে সীমান্তৱৰ্তী কেইবাটাও স্থানৰ বিভিন্ন বিষয় সন্দৰ্ভতো দুয়োগৰাকী বিধায়কে গুৰুত্বপূৰ্ণ আলোচনা কৰে। বৈঠকৰ অন্তত দুয়োগৰাকী বিধায়কে ছয়টাকৈ গুৰুত্বপূৰ্ণ বিষয়ত সিদ্ধান্ত গ্ৰহণ কৰি যুটীয়াভাৱে স্বাক্ষৰ কৰে। অসম-নাগালেণ্ড সীমান্তত বসবাস কৰা লোকসকলৰ মাজত থকা দীৰ্ঘদিনীয়া সামাজিক, সাংস্কৃতিক



আৰু অৰ্থনৈতিক সম্পৰ্কক স্বীকৃতি দি এই যৌথ বিবৃতি গ্ৰহণ কৰা হয়। দুয়ো পক্ষৰ জনসাধাৰণৰ কল্যাণৰ বাবে স্থায়ী শান্তি, পাৰস্পৰিক বুজাবুজি আৰু সহযোগিতা অপৰিহাৰ্য বুলি স্বীকাৰ কৰি, আলোচনা, পৰামৰ্শ আৰু প্ৰতিষ্ঠিত আইনী তথা প্ৰশাসনিক ব্যৱস্থাৰ জৰিয়তে স্থানীয় সমস্যাসমূহ সমাধান কৰাৰ গুৰুত্বক স্বীকাৰ কৰা হয়। লগতে জনসাধাৰণৰ মাজৰ সম্পৰ্ক শক্তিশালী কৰা আৰু বহনক্ষম অৰ্থনৈতিক তথা সাংস্কৃতিক উন্নয়নক প্ৰসাৰিত কৰাৰ বাবে দুয়োগৰাকী বিধায়কে যৌথ প্ৰতিশ্ৰুতি পুনৰ দৃঢ় কৰে। গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহ— ১/ শান্তি, সম্প্ৰীতি আৰু পাৰস্পৰিক বুজাবুজি ঃ দুয়ো পক্ষই অসম-নাগালেণ্ড সীমান্তত শান্তি, সাম্প্ৰদায়িক সম্প্ৰীতি, পাৰস্পৰিক সন্মান আৰু শান্তিপূৰ্ণ সহাৱস্থান বজাই ৰখাৰ বাবে নিজৰ দৃঢ় প্ৰতিশ্ৰুতি পুনৰ ব্যক্ত কৰিছে। দুয়োগৰাকী প্ৰতিনিধিয়ে সংঘাত, অপপ্ৰচাৰ আৰু শান্তি বিঘ্নিত কৰিব পৰা কাৰ্যকলাপক নিৰুৎসাহিত কৰিবলৈ একেলগে কাম কৰিব আৰু বিভিন্ন সম্পৰ্কীয় গোট, নাগৰিক সমাজৰ সংগঠন, গাঁৱৰ অনুষ্ঠান আৰু নিজ নিজ প্ৰশাসনৰ মাজত নিৰন্তৰ আলোচনা আৰু সহযোগিতাক উদগনি যোগাব। ২/ যৌথ শান্তি আৰু সমন্বয় সমিতি ঃ দুয়ো পক্ষৰ উপযুক্ত প্ৰতিনিধি আৰু অংশীদাৰসকলক লৈ, নিজ নিজ জিলা প্ৰশাসনৰ সৈতে পৰামৰ্শ কৰি এটা 'সৰুপথাৰ-ভাণ্ডাৰী যৌথ শান্তি আৰু সমন্বয় সমিতি' গঠনৰ সুবিধা কৰি দিবলৈ নীতিগতভাৱে সন্মত হোৱা হৈছে। অৱশ্যে, এই সমিতি গঠনৰ সময়ত ইয়াৰ কাৰ্যপ্ৰণালী তৈয়াৰ কৰা হ'ব। ৩/ আইনী অৰ্থনৈতিক কাৰ্যকলাপ: দুয়ো পক্ষই সীমান্তৱৰ্তী অঞ্চলত বসবাস কৰা সম্প্ৰদায়সমূহৰ বাবে বহনক্ষম জীৱিকা আৰু অৰ্থনৈতিক সুযোগৰ গুৰুত্ব স্বীকাৰ কৰে। সেই অনুসৰি, যিবোৰ ক্ষেত্ৰত আইনীভাৱে অনুমতি আছে, সেইবোৰ সীমান্তৱৰ্তী অঞ্চলত দুয়ো পক্ষই আইনী, নিয়ন্ত্ৰিত আৰু পৰিৱেশ অনুকূল অৰ্থনৈতিক কাৰ্যকলাপক উদগনি যোগাব। ৪/ সাংস্কৃতিক আদান-প্ৰদান আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্ক ঃ সংস্কৃতিক সম্প্ৰদায়সমূহৰ মাজৰ এক শক্তিশালী সেতু হিচাপে স্বীকাৰ কৰি, দুয়ো পক্ষই সংগীত, পৰম্পৰাগত কলা, সাহিত্য, ক্ৰীড়া, যুৱ কাৰ্যসূচী, উৎসৱ আৰু অন্যান্য সাংস্কৃতিক পদক্ষেপৰ সৈতে জড়িত নিয়মীয়া অসম-নাগালেণ্ড সাংস্কৃতিক আদান-প্ৰদান কাৰ্যসূচীক উদগনি দিবলৈ সন্মত হৈছে। এই যুটীয়া বিবৃতিত সৰুপথাৰ আৰু ভাণ্ডাৰীৰ নিৰ্বাচিত প্ৰতিনিধিসকলৰ তৃণমূল পৰ্যায়ত সহযোগিতা শক্তিশালী কৰাৰ বাবে থকা পাৰস্পৰিক সদিচ্ছা আৰু প্ৰতিশ্ৰুতি প্ৰতিফলিত হৈছে। দুয়ো পক্ষই নিয়মীয়া যোগাযোগ আৰু আলোচনা বজাই ৰাখিবলৈ চেষ্টা কৰিব আৰু নিজ নিজ সাংবিধানিক আৰু আইনী দায়িত্বৰ ভিতৰত থাকি অসম-নাগালেণ্ড সীমান্তৱৰ্তী অঞ্চলসমূহক শান্তি, সুস্থিৰতা, বন্ধুত্ব, বহনক্ষম উন্নয়ন আৰু যৌথ সমৃদ্ধিৰ অঞ্চল হিচাপে গঢ়ি তোলাৰ দিশত কাম কৰিব। এই বিবৃতি সদিচ্ছা আৰু সহযোগিতাৰ মনোভাৱেৰে কৰা হৈছে আৰু ই আন্তঃৰাজ্যিক পৰিসীমা বা কোনো উপযুক্ত কৰ্তৃপক্ষ বা আদালতৰ ওচৰত বিচাৰাধীন হৈ থকা যিকোনো বিষয়ৰ সন্দৰ্ভত অসম চৰকাৰ বা নাগালেণ্ড চৰকাৰৰ চৰকাৰী অৱস্থান, অধিকাৰক্ষেত্ৰ, আঞ্চলিক দাবী বা আইনী অধিকাৰক ক্ষতিগ্ৰস্ত নকৰিব বা প্ৰভাৱিত নকৰিব। যুৱ প্ৰজন্মৰ অংশগ্ৰহণ যাতে ভৱিষ্যত প্ৰজন্মই অসম আৰু নাগালেণ্ডৰ জনসাধাৰণৰ মাজত বন্ধুত্ব, পাৰস্পৰিক বুজাবুজি আৰু সন্মানৰ বান্ধোন সুদৃঢ় কৰিব পাৰে। ৫/ জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি আৰু তেওঁৰ সাংস্কৃতিক উত্তৰাধিকাৰ সংৰক্ষণ দুয়ো পক্ষই মিলি কিংবদন্তি কণ্ঠশিল্পী তথা সাংস্কৃতিক তাৰকা জুবিন গাৰ্গলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে, সংগীত, সংস্কৃতি আৰু বিভিন্ন সম্প্ৰদায় তথা অঞ্চলৰ মানুহৰ মাজত একতাৰ মনোভাৱৰ প্ৰতি তেওঁ কৰা অৱদানক স্বীকৃতি জনাইছে। দুয়োগৰাকী প্ৰতিনিধিয়ে তেওঁৰ স্মৃতিত উপযুক্ত সাংস্কৃতিক আৰু স্মৰণীয় কাৰ্যসূচীসমূহক সমৰ্থন কৰাৰ লগতে ভৱিষ্যত প্ৰজন্মৰ মাজত তেওঁৰ সংগীত, মানৱতা, বন্ধুত্ব আৰু সাংস্কৃতিক সম্প্ৰীতিৰ চিৰন্তন বাৰ্তা প্ৰচাৰ কৰাৰ উমৈহতীয়া ইচ্ছা প্ৰকাশ কৰে। ৬/ সহযোগিতাৰ মনোভাৱ এই যৌথ বিবৃতিত সৰুপথাৰ আৰু ভাণ্ডাৰীৰ নিৰ্বাচিত প্ৰতিনিধিসকলৰ তৃণমূল পৰ্যায়ত সহযোগিতা শক্তিশালী কৰাৰ উমৈহতীয়া সদিচ্ছা আৰু প্ৰতিশ্ৰুতি প্ৰতিফলিত হৈছে। দুয়ো পক্ষই নিয়মীয়া যোগাযোগ আৰু পৰামৰ্শ বজায় ৰাখিবলৈ চেষ্টা কৰিব আৰু নিজ নিজ সাংবিধানিক আৰু আইনী দায়িত্বৰ ভিতৰত থাকি অসম-নাগালেণ্ড সীমান্তৱৰ্তী অঞ্চলসমূহক শান্তি, স্থিৰতা, বন্ধুত্ব, বহনক্ষম উন্নয়ন আৰু অংশীদাৰী সমৃদ্ধিৰ অঞ্চল হিচাপে গঢ়ি তোলাৰ দিশত কাম কৰিব। এই বিবৃতিটো সদিচ্ছা আৰু সহযোগিতাৰ মনোভাৱেৰে প্ৰস্তুত কৰা হৈছে আৰু ইআন্তঃৰাজ্যিক পৰিসীমা বা কোনো সক্ষম কৰ্তৃপক্ষ বা আদালতৰ ওচৰত বিচৰাধীন হৈ থকা কোনো বিষয়ৰ ক্ষেত্ৰত অসম চৰকাৰ বা নাগালেণ্ড চৰকাৰৰ চৰকাৰী অৱস্থান, অধিকাৰক্ষেত্ৰ, ভূখণ্ডৰ দাবী বা আইনী অধিকাৰৰ ওপৰত কোনো কু প্ৰভাৱ নেপেলায় বা প্ৰভাৱিত নকৰে।

ঘাইপথত যান-বাহনৰ তালাচী অভিযান তীব্ৰতৰ কৰাৰ নিৰ্দেশ জিলা আয়ুক্তৰ

অসম বাৰ্তা, বঢ়মপুৰ, ২০ ছেপ্টেম্বৰ ঃ নগাঁও জিলা পথ সুৰক্ষা সমিতিৰ চলিত মাহৰ গুৰুত্বপূৰ্ণ বৈঠকখন আজি জিলা আয়ুক্ত আৰণ্যক শইকীয়াৰ অধ্যক্ষতাত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। বৈঠকত বিগত মাহটোত জিলাখনৰ বিভিন্ন স্থানত সংঘটিত সৰু-বৰ পথ দুৰ্ঘটনাসমূহৰ কাৰণসমূহ পৰ্যালোচনা কৰাৰ লগতে আগন্তুক দিনত পথ দুৰ্ঘটনা হ্ৰাস কৰাৰ বাবে গ্ৰহণ কৰিবলগীয়া বিভিন্ন ব্যৱস্থা সন্দৰ্ভত বিস্তৃত আলোচনা কৰা হয়। সভাত বিভিন্ন বিভাগৰ বিষয়াসকলে জিলাখনৰ পথ সুৰক্ষাৰ বৰ্তমান পৰিস্থিতি সন্দৰ্ভত তথ্যভিত্তিক প্ৰতিবেদন দাঙি ধৰে। লগতে যান-বাহন আইন আৰু পথ সুৰক্ষা সম্পৰ্কীয় নিয়মসমূহ কঠোৰভাৱে ৰূপায়ণৰ ক্ষেত্ৰত নিজ নিজ পৰামৰ্শ আগবঢ়ায়। জিলা আয়ুক্ত আৰণ্যক শইকীয়াই সংশ্লিষ্ট বিভাগসমূহক নিজৰ দায়িত্বসমূহ ক্ষিপ্ৰতাৰে আৰু ফলপ্ৰসূভাৱে সম্পন্ন কৰিবলৈ নিৰ্দেশ দিয়ে। বিশেষকৈ ৰাষ্ট্ৰীয় ঘাইপথত পৰিবহণ আৰু আৰক্ষী বিভাগৰ তালাচী অভিযান অধিক তীব্ৰতৰ কৰাৰ লগতে পথ সুৰক্ষাক লৈ সজাগতামূলক কাৰ্যসূচী গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বৈঠকত জ্যেষ্ঠ আৰক্ষী অধীক্ষক ভি. ভি. ৰাকেশ ৰেড্ডী, অতিৰিক্ত জিলা আয়ুক্ত গোপাল শৰ্মাৰ লগতে অতিৰিক্ত আৰক্ষী অধীক্ষক, আৰক্ষী, পৰিবহণ, লোকনিৰ্মাণ (পথ), পৌৰসভা, জনস্বাস্থ্য কাৰিকৰী, স্বাস্থ্য আৰু শিক্ষা বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

জুবিন সংগীত আৰু বক্তৃতা প্ৰতিযোগিতা

ৰণ্‌দিয়া (শতদল) সাহিত্য সভাৰ জুবিন গাৰ্গ দিৱস পালন

অসম বাৰ্তা, ৰঙিয়া, ২০ ছেপ্টেম্বৰ ঃ অসমবাসীৰ হিয়াৰ আমঠু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে ৰঙিয়াৰ ৰণ্‌দিয়া (শতদল) সাহিত্য সভাৰ উদ্যোগত জুবিন গাৰ্গ দিৱস উদযাপন কৰা হয়। এই উপলক্ষে জুবিন সংগীত আৰু বক্তৃতা আৰু কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। জুবিন গাৰ্গৰ সংগীত আৰু সাংস্কৃতিক অৱদানক স্মৰণ কৰাৰ লগতে নতুন প্ৰজন্মৰ মাজত তেওঁৰ সৃষ্টি আৰু সংগীতৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাৰ উদ্দেশ্যে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছিল। ৰঙিয়াৰ ইউক্লিড ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ সহযোগত অনুষ্ঠিত অনুষ্ঠানটি বন্তি প্ৰজ্জ্বলন কৰি শুভাৰম্ভ কৰে শাখা সভাৰ সভাপতি পংকজ পল্লৱ শৰ্মাই। জুবিনৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে ইউক্লিড ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰিচালন সঞ্চালক ৰেকিব আহমেদে। সম্পাদক চৈয়দ মোস্তাফা আহমেদে আঁত ধৰা অনুষ্ঠানত জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অৰ্পন কৰি অসম সাহিত্য সভাৰ জিলা প্ৰতিনিধি হেমন্ত কলিতা, ৰণ্‌দিয়া সাহিত্য সভাৰ উপসভাপতিদ্বয় সবিতা বৰ্মন মজুমদাৰ আৰু যতীন চন্দ্ৰ ডেকা, বিশিষ্ট প্ৰযোজক সমীৰ আহমেদ, কমলপুৰ আঞ্চলিক সাহিত্য সভাৰ সভাপতি ব্ৰজেন্দ্ৰ দেৱ মোহন শৰ্মা, সাংবাদিক নছিউৰ ৰহমান প্ৰমুখ্যে বহুকেইজন বিশিষ্ট ব্যক্তিয়ে ভাষণ ৰাখে। শেষত মায়াবিনী গীতেৰে অনুষ্ঠানৰ সামৰণি মৰা হয়।

প্ৰথম মৃত্যু বাৰ্ষিকীত জনতাৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২০ ছেপ্টেম্বৰ ঃ আজি 'জনতাৰ শিল্পী' জুবিন গাৰ্গৰ প্ৰথম মৃত্যু বাৰ্ষিকী। আজি শিল্পীগৰাকীক অসমৰ লগতে সমগ্ৰ দেশে শ্ৰদ্ধাৰে স্মৰণ কৰিছে। ডুমডুমাৰ ছেইণ্ট মেৰীজ উচ্চতৰ মাধ্যমিক বিদ্যালয়তো আজি শিল্পীগৰাকীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হয়। এই উপলক্ষে শিল্পীগৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে বিদ্যালয়খনৰ অধ্যক্ষা চিষ্টাৰ ৰ'জ মেৰী আংগামিলুএ। উপস্থিত শিক্ষাৰ্থী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি নিবেদন কৰাৰ পাছতেই বিদ্যালয়খনৰ সহকাৰী শিক্ষক অভিজিৎ খাটনিয়াৰে জুবিন গাৰ্গৰ জীৱন দৰ্শন আৰু কৰ্মৰাজিৰ ওপৰত আলোকপাত কৰি এটি চমু বক্তব্য প্ৰদান কৰে। তেওঁ শিক্ষাৰ্থীসকলক জুবিন গাৰ্গৰ আদৰ্শ অনুসৰণ কৰি মানুহৰ বাবে কাম কৰিবলৈ আহ্বান জনায়। শেষত সকলোৰে সমস্বৰে জুবিন গাৰ্গৰ 'মায়াবিনী....' গীতটি পৰিৱেশন কৰে। ডুমডুমা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলতো প্ৰাণৰ শিল্পীগৰাকীক শ্ৰদ্ধা জনাই আয়োজন কৰা জুবিন দিৱসৰ অনুষ্ঠানটিত শিক্ষয়িত্ৰী কাকলি দেৱী বৰুৱাই এগচি বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানটো আৰম্ভ কৰে। শিক্ষয়িত্ৰীদ্বয় কবিতা শইকীয়া আৰু হিমাক্ষী বৰুৱাই শিল্পীজনৰ জীৱন, আদৰ্শ আৰু সৃষ্টিৰাজীৰ বিষয়ে চমুকৈ কয়। অধ্যক্ষা মালা বৰুৱা কাকতিয়ে অনুষ্ঠানটোৰ আঁত ধৰে আৰু তেওঁ জুবিনক স্মৰণ কৰি দিয়া ভাষণৰ লগতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে শিক্ষা সংসদে বাৰমাহত বাৰটা আদৰ্শ মনত ৰাখিবলৈ আগবঢ়োৱা পৰামৰ্শখিনি পুনঃস্মৰণ কৰাই দি বক্তব্য আগবঢ়ায়। 'জনতাৰ শিল্পী' জুবিন গাৰ্গৰ প্ৰথম মৃত্যু বাৰ্ষিকীত ডুমডুমাস্থিত লটাচ উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিয়ালেও জনালে গভীৰ শ্ৰদ্ধাঞ্জলি। জুবিনবিহীন ৩৬৫ দিনত স্পৰ্শ কৰাৰ লগে লগে অসমবাসীৰ অতি বেদনাদায়ক ১৯ চেপ্তেম্বৰৰ দিনা শিল্পীগৰাকীক অসমবাসীৰ লগতে সমগ্ৰ দেশে শ্ৰদ্ধাৰে স্মৰণ কৰিছে। ১৯ চেপ্তেম্বত ডুমডুমাৰ লটাচ উচ্চতৰ মাধ্যমিক বিদ্যালয়তো শিল্পীগৰাকীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হয়। এই উপলক্ষে শিল্পীগৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে বিদ্যালয়খনৰ অধ্যক্ষ মানস কুমাৰ ডে' লগতে উপস্থিত থকা শিক্ষাৰ্থী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি নিবেদন কৰাৰ পাছতেই বিদ্যালয়খনৰ নৱম শ্ৰেণীৰ ছাত্ৰী সংঘমিত্ৰা গুপ্তৰ নেত্ৰীত্বত কোৰাচ পৰিৱেশন কৰে বিদ্যালয়ৰ ছাত্ৰীসকলে। তাৰ পাছতেই সহকাৰী শিক্ষয়িত্ৰী জ্যোতিস্মিতা বৰুৱাই জুবিন গাৰ্গৰ জীৱন দৰ্শন আৰু কৰ্মৰাজিৰ ওপৰত সুন্দৰ ভাৱে আলোকপাত কৰি এটি চমু বক্তব্য আগবঢ়ায় লগতে জুবিনৰ এটি কালজয়ী গীতো পৰিৱেশন কৰে। নৱম শ্ৰেণীৰ ছাত্ৰ জোনাকজ্যোতি শ্যাম আৰু শিক্ষয়িত্ৰী জিন্তী বৰুৱা শ্যামেও জুবিনৰ গীত পৰিৱেশন কৰি উপস্থিত থকা সকলোকে আপ্লুত কৰে। আনহাতে শিক্ষক গৌতম মেধিয়ে জুবিনৰ ওপৰত কিছু ব্যক্তব্য ডাঙি ধৰে আৰু জুবিনৰ ওপৰত স্ব-ৰচিত কবিতা পাঠ কৰে। শেষত শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰী সকলোৰে সমস্বৰে জুবিন গাৰ্গৰ 'মায়াবিনী' গীতটি পৰিৱেশন কৰি অনুষ্ঠান সামৰণি মাৰে। সমগ্ৰ অনুষ্ঠানটি আঁত ধৰিছিল শিক্ষক গৌতম মেধিয়ে। ডুমডুমা মহাবিদ্যালয়, বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়, ডুমডুমা জাতীয় বিদ্যালয়, পিএমশ্ৰী হুণলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়, ডুমডুমা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়, ডুমডুমা বংগীয় বিদ্যালয়, মডাৰ্ণ একাডেমী চিনিয়ৰ চেকেণ্ডেৰী স্কুলতো প্ৰথম মৃত্যু বাৰ্ষিকীত জনতাৰ শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হয়। ইপিনে ডুমডুমাৰ সমীপৰ ৰূপবনত অৱস্থিত বিছাকুপি-ৰূপবন সৰ্বজনীন দুৰ্গা পূজা মন্দিৰতো জনতাৰ শিল্পীগৰাকীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হয়। আৰম্ভণিতে স্থানীয় বাসিন্দা তথা বিশিষ্ট সাংবাদিক অভিজিৎ খাটনিয়াৰ, বৰহাপজান উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক সুব্ৰত চক্ৰৱৰ্তী, দৈমুখীয়া গাঁও পঞ্চায়তৰ সদস্যা ৰত্না মণ্ডল, পূজা কমিটিৰ সভাপতি প্ৰদীপ চক্ৰৱৰ্তী আৰু স্থানীয় সমাজকৰ্মী মনোজ সেনে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটিৰ শুভাৰম্ভ কৰে। উপস্থিত ৰাইজে শ্ৰদ্ধাঞ্জলি নিবেদন কৰাৰ পাছতেই অভিজিৎ খাটনিয়াৰ আৰু সুব্ৰত চক্ৰৱৰ্তীয়ে জুবিন গাৰ্গৰ জীৱন আৰু কৰ্মৰ বিভিন্ন দিশ আলোকপাত কৰি বক্তব্য প্ৰদান কৰে। শেষত সকলোৰে শিল্পীগৰাকীৰ 'মায়াবিনী...' গীতটো পৰিৱেশন কৰে।

লাহৰীঘাটৰ বিভিন্ন চৰাঞ্চলত নগাঁও লোকসভা উপ-নিৰ্বাচনৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ জোৰদাৰ নিৰ্বাচনী প্ৰচাৰ

পুৰণি সম্পৰ্কক লৈ স্বতঃস্ফূৰ্ত সঁহাৰি চৰবাসীৰ

অসম বাৰ্তা, মৈৰাবাৰী, ২০ ছেপ্টেম্বৰ ঃ নগাঁও লোকসভা উপ-নিৰ্বাচনৰ ৰণডংকা বাজিযোৱাৰ লগে লগে সমগ্ৰ সমষ্টিটোতে তীব্ৰ হৈ পৰিছে নিৰ্বাচনী প্ৰচাৰৰ গতি। ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাই আজি শুকুৰবাৰ আৰু যোৱা কালি বৃহস্পতিবাৰে লাহৰীঘাট সমষ্টিৰ বিভিন্ন দুৰ্গম চৰাঞ্চলত ভোটাৰৰ দ্বাৰস্থ হৈ চলোৱা নিৰ্বাচনী প্ৰচাৰে সমগ্ৰ জিলাখনতে বিশেষ চৰ্চা লাভ কৰিছে। প্ৰাক্তন আয়ুক্ত তথা বৰ্তমানৰ বিজেপি প্ৰাৰ্থীগৰাকীৰ এই জনমুখী প্ৰচাৰ অভিযানে ভোটাৰসকলৰ মাজত ব্যাপক উৎসাহৰ সৃষ্টি কৰিছে। নাও লৈ ব্ৰহ্মপুত্ৰ নদী পাৰ হৈ চৰৰ প্ৰতিটো পদূলিত প্ৰাৰ্থী নিৰ্বাচনী প্ৰচাৰৰ অংশ হিচাপে পোনপটীয়াকৈ লাহৰীঘাট সমষ্টিৰ চৰ অঞ্চলৰ জনসাধাৰণৰ কাষত উপস্থিত হয় নগাঁও লোকসভা উপ-নিৰ্বাচনৰ প্ৰাৰ্থী দেৱাশিস শৰ্মা। নাও লৈ নদী পাৰ হৈ তেওঁ আইৰমাৰী, গৰৈমাৰী, চিতলমাৰী, ৰংগাই আৰু কাচিগুৰি আদি লাহৰীঘাট সমষ্টিৰ অন্তৰ্গত বিভিন্ন দুৰ্গম চৰাঞ্চলৰ প্ৰতিটো ঘৰৰ পদূলিমুখলৈ গৈ ৰাইজৰ সুখ-দুঃখৰ খবৰ লয়। নাওতে প্ৰাৰ্থী দেৱাশিস শৰ্মাই মায়াবিনী, শ্বাদেৰ লাও বানাইলে মোৰে বইৰাগী গান গায় আলোড়নৰ সৃষ্টি কৰিছিল। মৰিগাঁও জিলাত কাৰ্যনিৰ্বাহ কৰা দিনৰ পৰাই চৰ অঞ্চলৰ মানুহখিনিৰ সৈতে এক সুন্দৰ সম্পৰ্ক বৰ্তাই আহিছে। যাৰ ফলত পুৰণি চিনাকি মানুহবোৰক পুনৰ কাষত পাই চৰবাসীও উৎফুল্ল হৈ পৰে। চৰবাসীৰ অভূতপূৰ্ব সঁহাৰি আৰু প্ৰচাৰৰ অন্তত চিতলমাৰী চৰত চৰবাসীৰ সৈতে একেলগে দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰে প্ৰাৰ্থী দেৱাশিস শৰ্মাই। চৰ অঞ্চলৰ সৰল প্ৰাণৰ মানুহবোৰে কয়- "আমি এজন ভাল মানুহ পালোঁ, গতিকে এইবাৰ নগাঁও লোকসভা উপ-নিৰ্বাচনত বিজেপি দলৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাক ভোট প্ৰদান কৰিম।" দুৰ্গম পৰিস্থিতিৰ মাজতো চৰবাসীৰ এই স্বতঃস্ফূৰ্ত অংশগ্ৰহণে প্ৰাৰ্থীগৰাকীৰ নিৰ্বাচনী উৎসাহ দুগুণে বঢ়াই তুলিছে। প্ৰাৰ্থীগৰাকীয়ে চৰবাসীয়ে সন্মুখীন হোৱা বিভিন্ন সমস্যাসমূহ প্ৰত্যক্ষভাৱে বুজ লোৱাৰ লগতে ভৱিষ্যতে চৰ অঞ্চলৰ সৰ্বাংগীণ উন্নয়নৰ সবল প্ৰতিশ্ৰুতি প্ৰদান কৰে। দিনজোৰা প্ৰচাৰ চলাই সন্ধিয়া চৰৰ পৰা উভতি আহি মৈৰাবাৰীৰ কলিবাৰীত চাকি জ্বলাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উদযাপন কৰে। সংখ্যালঘু অধ্যুষিত মৈৰাবাৰী অঞ্চলতো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিজেপি দলৰ প্ৰতি জনসাধাৰণৰ সমৰ্থন ক্ৰমাৎ বৃদ্ধি পাইছে বুলি অনুষ্ঠানত উপস্থিত বিজেপি কৰ্মী-সমৰ্থকসকলে মত প্ৰকাশ কৰে। ইয়াৰ পিছতে তেওঁ মৈৰাবাৰী বজাৰৰ মাজমজীয়াদি গৈ স্থানীয় দোকানীসকলৰ সৈতে সাক্ষাৎ কৰে আৰু তাৰ পিছত ধিং সমষ্টিৰ তাঁতিকটা গাঁৱত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। মানৱীয় ৰূপ আৰু মৰমৰ পৰশ নিৰ্বাচনী ব্যস্ততাৰ মাজতো দেৱাশিস শৰ্মাই কণমানি শিশুসকলৰ কাষলৈ গৈ তেওঁলোকৰ লগত কিছু সময় কটায় আৰু মৰমেৰে চকলেট বিতৰণ কৰে আৰু তেওঁলোকৰ সৈতে দৌৰি ফুৰে। এই সহজ-সৰল আৰু আপোন মানুহজনৰ দৰে আচৰণে সকলোৰে মন জয় কৰিবলৈ সক্ষম হয়। প্ৰাক্তন প্ৰশাসনিক বিষয়া তথা বৰ্তমানৰ নগাঁও লোকসভা উপ-নিৰ্বাচনৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ এই তৃণমূল পৰ্যায়ৰ প্ৰচাৰে নগাঁও লোকসভা উপ-নিৰ্বাচনৰ সমীকৰণ যথেষ্ট সলনি কৰিছে বুলি ৰাজনৈতিক বিশে-ষকসকলে ধাৰণা কৰিছে। ইপিনে আজি শুকুৰবাৰে লাহৰীঘাট সমষ্টিত ৯খনকৈ নিৰ্বাচনী প্ৰচাৰ সভাত গান গায় ভোটাৰ ৰাইজক আকৰ্ষিত কৰিবলৈ সক্ষম হয়। লাহৰীঘাট সমষ্টিত বিজেপি প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ পিনে বতাহ বলিছে যেন লাগিছে।

বিশিষ্ট কণ্ঠ শিল্পী মেলোডী কুইন খ্যাত সুলেখা বসুমতাৰীক ২০২৬ বৰ্ষৰ "মেন অৱ দ্য ইয়েৰ বঁটা" প্ৰদান



অসম বাৰ্তা, বিজনী, ২০ ছেপ্টেম্বৰ ঃ বড়ো সংগীত জগতৰ বিশিষ্ট কণ্ঠ শিল্পী তথা "মেলোডী কুইন" খ্যাত সুলেখা বসুমতাৰীক(৬৩) আজি ইংখং ৰেলফেয়াৰ চ'ছাইটীয়ে ২০২৬ বৰ্ষৰ "মেন অৱ দ্য ইয়েৰ বঁটা" প্ৰদান কৰে। চিৰাং জিলাৰ বিজনীৰ পৰা প্ৰকাশিত প্ৰথমখন বড়ো দৈনিক বাতৰি কাকত "সানচেয়াৰী বড়োলেণ্ড ইংখং"ৰ ২৩ সংখ্যক বৰ্ষপূৰ্তিৰ সৈতে সংগতি ৰাখি বঙাইগাঁও জিলাৰ মৌতাৰাস্থিত বৈমালী একাডেমী বি এড মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত উক্ত বঁটা প্ৰদান কৰা হয়। বঁটাটোত আছে ২৫ হেজাৰ টকা, এখন মানপত্ৰ আৰু এটি মোমেণ্টো। একেটা অনুষ্ঠানতেই বিশিষ্ট ৰাজনীতিবিদ তথা সমাজকৰ্মী চানছুমা খুংগুৰ বৈসৌমুথিয়াৰীকো ইংখং ৰেলফেয়াৰ চ'ছাইটীয়ে ২০২৫ বৰ্ষৰ "মেন অৱ দ্য ইয়েৰ" বঁটা প্ৰদান কৰে। উক্ত বঁটা প্ৰদান অনুষ্ঠানত বাংলাদেশৰ বড়ো মূলীয় বিশিষ্ট সাহিত্যিক মথুৰা বিকাশ ত্ৰিপুৰাৰ ইংৰাজীত ৰচিত "মেগন" শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে সাহিত্য অকাডেমী বঁটা প্ৰাপক ড° মংগলসিং হাজোৱাৰীয়ে। অনুষ্ঠানত ইংখং ৰেলফেয়াৰ চ'ছাইটীৰ সভাপতি তথা সানচেয়াৰী বড়োলেণ্ড ইংখঙৰ মুখ্য সম্পাদক ড° ৰাজেন বসুমতাৰী, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা সুভাষ বিশ্বাস, বিজনীৰ প্ৰাক্তন বিধায়ক কমলসিং নাৰ্জাৰীসহ অন্যান্য অতিথিবৃন্দ উপস্থিত থাকে। উল্লেখ্য সানচেয়াৰী বড়োলেণ্ড ইংখং কাকতৰ উদ্যোগত গঠিত ইংখং ৰেলফেয়াৰ চ'ছাইটীয়ে বিগত ২০০৬ বৰ্ষৰ পৰা সাহিত্য, সংস্কৃতি, সমাজসেৱা ইত্যাদি বিভিন্ন ক্ষেত্ৰ সমূহলৈ অৱদান আগবঢ়াই অহা বিশিষ্ট লোক সকলক "মেন অৱ দ্য ইয়েৰ" বঁটা প্ৰদান কৰি আহিছে।

শক্তি আশ্ৰম স্বামী যোগানন্দ গিৰি মহাবিদ্যালয়ত জুবিন দিৱস উদ্‌যাপন

অসম বাৰ্তা, কোকৰাঝাৰ, ২০ ছেপ্টেম্বৰ ঃ সমগ্ৰ অসমতে আজি পালন কৰা হৈছে জুবিন দিৱস। অসমৰ সাংস্কৃতিক জগতৰ জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ সংগীত আৰু সাংস্কৃতিক অৱদানক স্মৰণ কৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে কোকৰাঝাৰ জিলাতো বিভিন্ন কাৰ্যসূচীৰে জুবিন দিৱস উদযাপন কৰা হয়। ইয়াৰ সমান্তৰালকৈ কোকৰাঝাৰৰ শক্তি আশ্ৰমস্থিত স্বামী যোগানন্দ গিৰি মহাবিদ্যালয়ৰ সভাকক্ষতো দিনযোৰা কাৰ্যসূচীৰে জুবিন দিৱস উদযাপন কৰা হয়। নতুন খোজ সাহিত্য গোষ্ঠী আৰু নৱ প্ৰেৰণা সংঘৰ যৌথ উদ্যোগত তথা মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ সহযোগত আয়োজন কৰা হয় এই বিশেষ অনুষ্ঠান। ৰাতিপুৱা জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ পিছতে জুবিন গাৰ্গৰ জনপ্ৰিয় 'মায়াবিনী' গীত পৰিৱেশন কৰাৰ লগতে তেওঁৰ বিভিন্ন গীতৰ আধাৰত গীত আৰু নৃত্য পৰিৱেশন কৰা হয়। অনুষ্ঠানত অংশগ্ৰহণ কৰা শিক্ষাৰ্থী আৰু শিল্পীসকলে নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰি জুবিন গাৰ্গৰ সংগীতৰ প্ৰতি থকা অনুৰাগ প্ৰকাশ কৰে। জুবিন গাৰ্গৰ প্ৰকৃতি আৰু পৰিৱেশৰ প্ৰতি থকা অনুৰাগৰ প্ৰতি সন্মান জনাই অনুষ্ঠানৰ অংশ হিচাপে নাহৰ পুলিও ৰোপণ কৰা হয়। লগতে দিনযোৰা কাৰ্যসূচীৰ বিভিন্ন পৰ্বত অংশগ্ৰহণ কৰা প্ৰতিযোগী তথা প্ৰতিভাসকলৰ মাজত পুৰস্কাৰ বিতৰণ কৰা হয়। অনুষ্ঠানটোৰ জৰিয়তে জুবিন গাৰ্গৰ সংগীত, সংস্কৃতি আৰু সমাজৰ প্ৰতি থকা অৱদানক স্মৰণ কৰাৰ লগতে নৱপ্ৰজন্মৰ মাজত তেওঁৰ সৃষ্টিশীলতা আৰু সাংস্কৃতিক চেতনাক অধিক আগুৱাই নিয়াৰ এক প্ৰয়াস কৰা হয়।

বিশিষ্ট কণ্ঠশিল্পী, চিত্ৰশিল্পী, কৃতী শিক্ষক মহেশ্বৰ চহৰীয়াৰ মৃত্যু

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২০ ছেপ্টেম্বৰ ঃ ওদালগুৰি জিলাৰ টংলা মিলনপুৰ নিবাসী অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক, বিশিষ্ট কণ্ঠশিল্পী তথা চিত্ৰ শিল্পী মহেশ্বৰ চহৰীয়া(৭১)ৰ ১৭ ছেপ্তেম্বৰ নিশা চিকিৎসাধীন অৱস্থাত গুৱাহাটীৰ জি এম চি এইচত মৃত্যু ঘটে। টংলাৰ সংবাদকৰ্মী মৃণ্ময় চহৰীয়াৰ পিতৃ মহেশ্বৰ চহৰীয়াই দীৰ্ঘদিন ধৰি যকৃতজনিত ৰোগত আক্ৰান্ত হৈ আছিল। ১৯৭৮ চনৰ ফেব্ৰুৱাৰী মাহত ওদালগুৰিৰ হাবিগাঁও বিদ্যা মন্দিৰত জ্ঞানৰ পূজাৰী হিচাপে পদাৰ্পণ কৰি শেষলৈ টংলাৰ ধনেশ্বৰ বৰুৱা প্ৰাথমিক বিদ্যালয়ত প্ৰধান শিক্ষকৰূপে আত্মপ্ৰকাশ কৰি নীৰৱচ্ছিন্ন সেৱা আগবঢ়াই ২০১৫ চনৰ ফেব্ৰুৱাৰী মাহৰ ২৮ তাৰিখে শিক্ষকতা জীৱনৰ বৰ্ণিল অধ্যায়ৰ পৰিসমাপ্তি ঘটায়। মহেশ্বৰ চহৰীয়াই ২০১৬ চনৰ পৰা টংলা আঞ্চলিক কোচ ৰাজবংশী সন্মিলনীৰ সভাপতিৰ পদ অলংকৃত কৰাৰ লগতে টংলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সাংগঠনিক সম্পাদক, ওদালগুৰি জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সহকাৰী সম্পাদক, টংলা আঞ্চলিক শিক্ষক-কৰ্মচাৰী পৰিষদৰ প্ৰতিষ্ঠাপক সম্পাদকৰ দৰে গুৰুত্বপূৰ্ণ পদত থাকি সেৱা আগবঢ়াইছিল। তেওঁ অসম সাহিত্য সভাৰ এগৰাকী আজীৱন সভ্য আছিল। শিল্পী সমাজ, টংলাৰো তেওঁ প্ৰাক্তন উপ সভাপতি আছিল। এগৰাকী লোকগীতৰ শিল্পী তথা থলুৱা বাদ্যৰ দক্ষ শিল্পী হিচাপে সংস্কৃতিৰ জগতখনত তেওঁ সুপৰিচিত আছিল। তেওঁৰ মৃত্যুত টংলা প্ৰেছক্লাব, টংলা নগৰ এলেকা প্ৰাথমিক শিক্ষক গোট, টংলা জ্যেষ্ঠ নাগৰিক সন্মিলন, টংলা আঞ্চলিক কোচ ৰাজবংশী সন্মিলন, টংলা সাহিত্য সভা, টংলা ৰাস উৎসৱ উদযাপন সমিতি, টংলা শিল্পী সমাজ আদি দল সংস্থাসমূহে শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ সহধৰ্মিণী, দুই পুত্ৰ, বোৱাৰী আৰু দুটি নাতি নাতিনীক এৰি থৈ যায়।

আদৰ্শ বিদ্যাপীঠ, গেলেকীত বিভিন্ন কাৰ্যসূচীৰে জুবিন সপ্তাহ পালন



অসম বাৰ্তা, গেলেকী, ২০ ছেপ্টেম্বৰ ঃ অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ অন্তৰ্ভুক্ত আদৰ্শ বিদ্যাপীঠ, গেলেকীত ১৪ ছেপ্টেম্বৰৰ পৰা ১৯ ছেপ্টেম্বৰলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে 'জুবিন সপ্তাহ' পালন কৰা হয়। প্ৰয়াত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ স্মৃতি আৰু সৃষ্টিৰাজিৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদনৰ উদ্দেশ্যে আয়োজিত এই সপ্তাহজোৰা অনুষ্ঠানত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীসকলে অভূতপূৰ্ব উৎসাহেৰে অংশগ্ৰহণ কৰে। ১৪ ছেপ্টেম্বৰ সোমবাৰে বিদ্যালয়ৰ শিক্ষয়িত্ৰী টাবু চাহিম আলীয়ে জুবিন সপ্তাহৰ তাৎপৰ্য আৰু উদ্দেশ্য ব্যাখ্যা কৰে। তেওঁ জুবিন গাৰ্গ কেৱল এগৰাকী শিল্পীয়েই নহয়, বৰঞ্চ অসমীয়া সমাজ-জীৱন আৰু অনুভৱৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত এক অনন্য সত্তা বুলি উল্লেখ কৰে। ইয়াৰ পিছতে বিদ্যালয়ৰ সঞ্চালিকা কুন্তীৰাণী বড়া গগৈয়ে বন্তি প্ৰজ্বলনেৰে সপ্তাহজোৰা কাৰ্যসূচীৰ শুভাৰম্ভণি কৰে আৰু জুবিন গাৰ্গৰ ব্ৰহ্মাণ্ডতুল্য সৃষ্টিৰাজিৰাজিৰ ওপৰত আলোকপাত কৰি বক্তব্য আগবঢ়ায়। সপ্তাহৰ প্ৰতিটো দিনতে জুবিন গাৰ্গৰ জীৱন, সংগীত আৰু সৃষ্টিকৰ্মক লৈ বিভিন্ন শৈক্ষিক তথা সাংস্কৃতিক চৰ্চা কৰা হয়। প্ৰথম দিনটোতে নৱম শ্ৰেণীৰ ছাত্ৰী পাৰ্চী বৰঠাকুৰে 'জুবিন গাৰ্গ ঃ আমাৰ প্ৰিয় শিল্পী' শীৰ্ষক বিশেষ বক্তৃতা প্ৰদান কৰে। পৰৱৰ্তী দিনসমূহত ছাত্ৰ-ছাত্ৰীসকলে আকৰ্ষণীয় বক্তব্য, গীত পৰিৱেশন আৰু কবিতা আবৃত্তিৰ মাধ্যমেৰে প্ৰয়াত শিল্পীগৰাকীক স্মৰণ কৰে। জুবিন সপ্তাহৰ অন্তিম দিনা অৰ্থাৎ ১৯ ছেপ্টেম্বৰত পুৱাৰ প্ৰাতঃসভাত এক আৱেগিক পৰিৱেশৰ সৃষ্টি হয়। সঞ্চালিকা কুন্তীৰাণী বড়া গগৈয়ে বন্তি প্ৰজ্বলন কৰাৰ পিছত, পুৱা ৯.১৫ বজাত অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ নিৰ্দেশমৰ্মে শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীয়ে সমস্বৰে জুবিন গাৰ্গৰ কালজয়ী সৃষ্টি 'দিয়া ঘূৰাই দিয়া' গীতটি পৰিৱেশন কৰি সমূহীয়া শ্ৰদ্ধা জ্ঞাপন কৰে। সভাত শিক্ষক অৰুণ বৰগোহাঁয়ে গীত পৰিৱেশন কৰাৰ বিপৰীতে শিক্ষয়িত্ৰী ৰবী চেতিয়াই 'মই যদি ঈশ্বৰ হলোঁহেঁতেন' কবিতাটি আবৃত্তি কৰে। ইয়াৰ পিছতে সকলোৰে সমস্বৰে জনপ্ৰিয় গীত 'মায়াবিনী' পৰিৱেশনেৰে প্ৰাতঃসভাৰ সামৰণি মাৰে। অনুষ্ঠানৰ অংশবিশেষ হিচাপে বিদ্যালয়ত দুটা শাখাত চিত্ৰাংকন প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়। উল্লেখ্য যে, বিদ্যালয়খনৰ গৌৰৱোজ্জ্বল ৰূপালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি আদৰ্শ বিদ্যাপীঠ, গেলেকীৰ উদ্যোগত জুবিন গাৰ্গৰ আধুনিক গীতৰ আধাৰত সদৌ অসম ভিত্তিত 'অনলাইন জুবিন সংগীত প্ৰতিযোগিতা'ৰো শুভাৰম্ভ কৰা হৈছে। ১৯ ছেপ্টেম্বৰৰ পৰা ১৫ অক্টোবৰ, ২০২৬লৈ অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিব পাৰিব বুলি বিদ্যালয় কৰ্তৃপক্ষই জানিবলৈ দিছে।

সৰুপথাৰবাসীয়ে স্বতঃস্ফূৰ্তভাৱে জ্বলালে হাজাৰ হাজাৰ বন্তি; বাজি উঠিল 'মায়াবিনী'

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ২০ ছেপ্টেম্বৰ ঃ কাৰোবাক শ্ৰদ্ধা জনাবলৈ কেতিয়াও আহ্বানৰ প্ৰয়োজন নহয়- যদিহে সেইজন মানুহ হৃদয়ত জীয়াই থাকে। সেই কথাকে যেন আজি প্ৰমাণ কৰি দেখুৱালে সৰুপথাৰবাসী ৰাইজে। অসমীয়া জাতিৰ বুকুৰ আপোন, হিয়াৰ আমঠু, সংগীতৰ জগতৰ এক উজ্জ্বল নক্ষত্ৰ জুবিন গাৰ্গৰ স্মৃতিত আজি সন্ধিয়া সৰুপথাৰ নগৰৰ পৰা গাঁৱে-ভূঁএে স্বতঃস্ফূৰ্তভাৱে জ্বলি উঠিল হাজাৰ হাজাৰ বন্তি। আকাশত যেন তৰা জিলিকিল, আৰু মাটিত জ্বলি উঠিল অসংখ্য হৃদয়ৰ শ্ৰদ্ধাৰ দীপশিখা। জুবিনৰ শূন্যতাই আজি সমগ্ৰ অসমকে যেন নীৰৱ কৰি তুলিছে। কিন্তু সেই নীৰৱতাৰ মাজতো তেওঁৰ গীতৰ সুৰ, তেওঁৰ কণ্ঠৰ মায়া আৰু তেওঁৰ সৃষ্টিৰ স্মৃতিয়ে অসমবাসীৰ হৃদয়ত এক অনিৰ্বাণ পোহৰ জ্বলাই ৰাখিছে। সৰুপথাৰতো তাৰেই প্ৰতিফলন দেখা গ'ল। কোনো সংগঠনৰ আনুষ্ঠানিক আহ্বানৰ অপেক্ষা নকৰি বিভিন্ন বয়সৰ, বিভিন্ন পেছাৰ আৰু বিভিন্ন শ্ৰেণীৰ মানুহ স্বতঃস্ফূৰ্তভাৱে ওলাই আহি হাতত এগচি এগচি বন্তি লৈ জুবিনক সোঁৱৰিলে। সৰুপথাৰ নগৰত সৰুপথাৰ প্ৰেছ ক্লাব, সৰুপথাৰ আঞ্চলিক ছাত্ৰ সন্থা, ধনশিৰি মহকুমা চুতীয়া ছাত্ৰ সন্থা, অসম চাহ জনজাতি ছাত্ৰ সন্থা, সৰুপথাৰ মহাবিদ্যালয়, পথৰ পুথিভঁৰাল, এমৰেপ জীম, অসম জাতীয় পৰিষদ, কুশল কোঁৱৰ তিনিআলিৰ ৰাইজৰ লগতে, বিদ্যালয়-মহাবিদ্যালয়, বিভিন্ন ব্যৱসায়ী, অনুষ্ঠান-প্ৰতিষ্ঠান, অটোচালক, ই-ৰিস্কাচালক আৰু সৰ্বসাধাৰণ ৰাইজে হাতে হাতে বন্তি লৈ প্ৰিয় শিল্পীগৰাকীক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। ক্ষুদ্ৰ ক্ষুদ্ৰ বন্তিবোৰ একেলগ হৈ যেন সৃষ্টি কৰিলে এক বিশাল পোহৰৰ সাগৰ। সেই পোহৰত প্ৰতিফলিত হ'ল জুবিনৰ প্ৰতি অসমবাসীৰ অগাধ মৰম আৰু গভীৰ শ্ৰদ্ধা। সৰুপথাৰ নগৰৰ কুশল কোঁৱৰ তিনিআলিৰ ৰাইজে জুবিনক সোঁৱৰণ কৰিবলৈ প্ৰায় আধা কিলোমিটাৰ পথৰ দুয়োকাষে কলপুলি ৰোপণ কৰি হাজাৰতকৈও অধিক বন্তি প্ৰজ্বলন কৰে। অসংখ্য চাকিৰ জ্যোতিয়ে সমগ্ৰ পথছোৱা এক অনন্য পোহৰেৰে উজলাই তোলে। পথৰ দুয়োকাষে শাৰী শাৰী বন্তি আৰু মাজে মাজে জুবিনৰ গীত- এই দৃশ্যই উপস্থিত প্ৰতিগৰাকী লোকৰ হৃদয় স্পৰ্শ কৰে। ইফালে সৰুপথাৰ নগৰৰ গান্ধী মূৰ্তিৰ সমীপতো সৰুপথাৰ প্ৰেছ ক্লাব আৰু বিভিন্ন দল-সংগঠন তথা ৰাইজ একত্ৰিত হৈ এহেজাৰ বন্তি প্ৰজ্বলন কৰি জুবিন গাৰ্গক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। বন্তি প্ৰজ্বলনৰ পিছতে জুবিনৰ অমৰ গীত গাই, তেওঁৰ সৃষ্টিক স্মৰণ কৰি গীতে-মাতে আবেগিক হৈ পৰে সমগ্ৰ পৰিৱেশ। বহুজনৰ চকুত অশ্ৰু, কণ্ঠত জুবিনৰ গীত আৰু বুকুত আপোন শিল্পীগৰাকীক হেৰুওৱাৰ বেদনা-সকলো মিলি সৃষ্টি কৰে এক গভীৰ আবেগঘন পৰিৱেশ। জুবিনৰ গীত যেন আজি কেৱল গীত হৈ থকা নাই; ই হৈ পৰিছে অসমীয়াৰ আৱেগ, অসমীয়াৰ পৰিচয় আৰু জীৱনৰ বহু স্মৃতিৰ অংশ। শৈশৱৰ পৰা যৌৱনলৈ, প্ৰেমৰ পৰা বিৰহলৈ, উৎসৱৰ পৰা বিষাদলৈ-জীৱনৰ প্ৰতিটো অনুভৱৰ সৈতে জুবিনৰ কোনোবা নহয় কোনোবা এটা গীত জড়িত হৈ আছে। সেয়েহে জুবিনক বিদায় দিয়াটো যেন কেৱল এজন শিল্পীক বিদায় দিয়া নহয়; নিজৰ জীৱনৰ এটা অমূল্য অধ্যায়ক সোঁৱৰণ কৰি চকু সেমেকাই তোলা। সৰুপথাৰৰ বিভিন্ন গাঁৱতো একেই দৃশ্য পৰিলক্ষিত হয়। বহু ঠাইত সৰু-ডাঙৰ সকলোৱে একত্ৰিত হৈ বন্তি প্ৰজ্বলন কৰাৰ লগতে জুবিনৰ গীত গাই শিল্পীগৰাকীক শ্ৰদ্ধা জনায়। শিশুৰ পৰা যুৱক-যুৱতীৰ পৰা জ্যেষ্ঠ নাগৰিকলৈকে সকলোৱে নিজৰ নিজৰ ধৰণেৰে জুবিনক সোঁৱৰণ কৰে। সমজুৱা অনুষ্ঠানত উপস্থিত থাকিব নোৱাৰা বহু লোকেও ঘৰৰ পদূলিত, বাৰাণ্ডাত অথবা ঘৰৰ সন্মুখত এগছি বন্তি জ্বলাই জুবিনৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। সেই এগছি বন্তিও যেন কোৱা কথাষাৰ— "জুবিন, তুমি আমাৰ হৃদয়ত সদায় আছা।" বন্তিৰ পোহৰৰ মাজেৰে সৰুপথাৰৰ আকাশ-বতাহ আজি যেন জুবিনময় হৈ পৰিল। কোনোবাই গালে 'মায়াবিনী', কোনোবাই গালে তেওঁৰ আন কোনো প্ৰিয় গীত। প্ৰতিটো সুৰতে যেন বিচাৰি ফুৰিলে আপোন শিল্পীগৰাকীক। জুবিনৰ কণ্ঠৰ সেই চিনাকি সুৰে বহুজনৰ মনত আকৌ এবাৰ জগাই তুলিলে পুৰণি স্মৃতি। কায়িকভাৱে জুবিন আজি আমাৰ মাজত নাই। কিন্তু তেওঁৰ সৃষ্টিশীলতা, তেওঁৰ কণ্ঠ, তেওঁৰ গীত আৰু তেওঁৰ স্মৃতি অসমবাসীৰ মাজত চিৰদিন জীয়াই থাকিব। মানুহ এজনৰ জীৱনৰ অন্ত পৰিব পাৰে, কিন্তু তেওঁৰ সৃষ্টি যদি মানুহৰ হৃদয়ত ঠাই লয়, তেন্তে সেই সৃষ্টি কেতিয়াও শেষ নহয়। জুবিন গাৰ্গৰ ক্ষেত্ৰতো সেয়াই যেন সত্য হৈ পৰিছে। সৰুপথাৰত আজি জ্বলি উঠা প্ৰতিগছি বন্তি কেৱল এগছি চাকি নহয়; প্ৰতিগছি বন্তি আছিল একোখন হৃদয়ৰ শ্ৰদ্ধাঞ্জলি। প্ৰতিটো গীত আছিল একোটা স্মৃতি। প্ৰতিটো অশ্ৰুবিন্দু আছিল একোটা নীৰৱ বিদায়। আৰু প্ৰতিটো কণ্ঠত বাজি উঠা জুবিনৰ গীত আছিল—অসমৰ বুকুত জুবিন চিৰদিন জীয়াই থকাৰ এক অকৃত্ৰিম ঘোষণা। মুঠৰ ওপৰত আজি সৰুপথাৰৰ পৰা অসমৰ প্ৰতিটো কোণলৈ যেন একেটাই বাৰ্তা প্ৰতিধ্বনিত হ'ল—জুবিন কেৱল এজন শিল্পী নাছিল; তেওঁ আছিল অসমবাসীৰ আৱেগৰ এক অবিচ্ছেদ্য অংশ। সেয়েহে সময় বাগৰিব, প্ৰজন্ম সলনি হ'ব, কিন্তু জুবিনৰ গীত আৰু তেওঁৰ প্ৰতি অসমবাসীৰ মৰম-শ্ৰদ্ধা যুগ যুগ ধৰি প্ৰজন্মৰ পৰা প্ৰজন্মলৈ মানুহৰ অন্তৰত জীয়াই থাকিব।

বঢ়মপুৰ শ্ৰীমন্ত শংকৰ মিছন অন্ধ বিদ্যালয়ত জুবিন দিৱস উদ্‌যাপন

অসম বাৰ্তা, বঢ়মপুৰ, ২০ ছেপ্টেম্বৰ ঃ বঢ়মপুৰস্থিত শ্ৰীমন্ত শংকৰ মিছন অন্ধ বিদ্যালয়ত আজি জুবিন দিৱস উপলক্ষে এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত প্ৰয়াত শিল্পী জুবিন গাৰ্গক গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা জুবিন অনুৰাগীসকলে। জীৱিত কালত জুবিন গাৰ্গে এই বিদ্যালয়খনলৈ কেইবাবাৰো আহি বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে সময় অতিবাহিত কৰিছিল। ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে শিল্পীগৰাকীৰ আছিল এক আন্তৰিক সম্পৰ্ক। সেয়েহে শিল্পীগৰাকীৰ প্ৰিয় এই বিদ্যালয়খনত জুবিন দিৱস উদযাপন কৰি তেওঁৰ স্মৃতি ৰোমন্থন কৰে সকলোৱে। অনুষ্ঠানত জুবিন গাৰ্গৰ সংগীত আৰু সমাজৰ প্ৰতি থকা অৱদানৰ কথা স্মৰণ কৰাৰ লগতে তেওঁৰ সৈতে কটোৱা বিভিন্ন স্মৰণীয় মুহূৰ্তৰ কথাও উল্লেখ কৰা হয়। শিল্পীগৰাকীৰ সান্নিধ্য লাভ কৰা বিদ্যালয়খনৰ সৈতে জড়িত বহুজনৰ বাবে আজিৰ দিনটো আবেগিক হৈ পৰে। ইফালে, জুবিন দিৱসৰ সৈতে সংগতি ৰাখি জুবিন ফেন ক্লাবৰ অনুৰাগীসকলে বিদ্যালয়খনতে 'নীৰৱতাৰ সুৰ' শীৰ্ষক এটি গীত মুকলি কৰে। জুবিন গাৰ্গৰ স্মৃতি আৰু তেওঁৰ সংগীতৰ প্ৰতি থকা অনুৰাগ প্ৰকাশৰ উদ্দেশ্যে গীতটো মুকলি কৰা হয়। আনহাতে, অনুষ্ঠানত জুবিন গাৰ্গৰ সান্নিধ্য লাভ কৰা বিমান পাটৰে শিল্পীগৰাকীৰ স্মৃতিত গীত পৰিৱেশন কৰে। গীত পৰিৱেশনৰ সময়ত অনুষ্ঠানস্থলীত এক আবেগিক পৰিৱেশৰ সৃষ্টি হয়। জুবিন গাৰ্গৰ প্ৰতি থকা অগাধ ভালপোৱা আৰু শ্ৰদ্ধাৰ নিদৰ্শন হিচাপে বঢ়মপুৰৰ এই বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীসকলৰ বিদ্যালয়খনত জুবিন দিৱস উদযাপনে এক বিশেষ তাৎপৰ্য বহন কৰে।

বিষ্ণুৰাভাৰ দৃষ্টিত শ্ৰীমন্ত শঙ্কৰদেৱ

অসমৰ সমাজ, সাহিত্য, সংস্কৃতি আৰু জাতীয় জীৱনৰ ইতিহাসত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ এক অনন্য, যুগান্তকাৰী আৰু চিৰস্মৰণীয় ব্যক্তিত্ব। মধ্যযুগৰ পঞ্চদশ-ষোড়শ শতিকাৰ সন্ধিক্ষণত আবিৰ্ভাৱ হোৱা এই মহান মনীষীগৰাকীয়ে কেৱল এক ধৰ্মীয় আন্দোলনৰ সূচনা কৰাই নহয়, বৰং সাহিত্য, সংগীত, নৃত্য, নাট্য, চিত্ৰকলা আৰু সমাজ-সংগঠনৰ দিশত বহুমাত্ৰিক নৱজাগৰণৰ ভেটি স্থাপন কৰিছিল। শঙ্কৰদেৱৰ এই বহুমুখী প্ৰতিভা আৰু সমাজ-সংস্কাৰৰ দূৰদৰ্শী প্ৰচেষ্টাই অসমীয়া সমাজক মধ্যযুগীয় অন্ধকাৰ, স্থবিৰতা আৰু সংকীৰ্ণতাৰ পৰা মুক্ত কৰি উমৈহতীয়া সাংস্কৃতিক বান্ধোনত বান্ধিছিল। তেওঁ প্ৰৱৰ্তন কৰা 'একশৰণ নামধৰ্ম'ই সমাজত ভক্তি, সমতা, ভাতৃত্ববোধ আৰু মানৱীয় মৰ্যাদাৰ নতুন সংজ্ঞা নিৰূপণ কৰিছিল।

বিংশ শতিকাৰ মুক্তিপ্ৰয়াসী বিপ্লৱী শিল্পী, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই শঙ্কৰদেৱৰ এই বিশাল ব্যক্তিত্ব আৰু কৰ্মৰাজিক নতুনকৈ ঐতিহাসিক, সামাজিক আৰু বৈজ্ঞানিক দৃষ্টিকোণেৰে বিশ্লেষণ কৰিছিল। ৰাভাৰ দৃষ্টিত শঙ্কৰদেৱ কেৱল কোনো গতানুগতিক ধৰ্মগুৰু বা মন্দিৰ-সত্ৰৰ আচাৰ-অনুষ্ঠানত আৱদ্ধ আধ্যাত্মিক ব্যক্তিত্ব নাছিল। তেওঁ আছিল এগৰাকী মহান গণশিল্পী, যুগনায়ক, সমাজ-সংগঠক আৰু অসমীয়া জাতিসত্তাৰ প্ৰকৃত নিৰ্মাতা। শঙ্কৰদেৱৰ শিল্প-প্ৰতিভা, মানৱতাবাদী দৰ্শন, বৈষম্যহীন সমাজৰ সংকল্প আৰু সামূহিক চেতনাৰ শক্তিয়ে ৰাভাক জীৱনজোৰা সাংস্কৃতিক সংগ্ৰামৰ প্ৰেৰণা যোগাইছিল। সেয়েহে ৰাভাৰ শঙ্কৰদেৱ-দৰ্শন কেৱল অন্ধবিশ্বাস বা ব্যক্তিগত ভক্তিবাদৰ মাজত সীমাবদ্ধ নাছিল, বৰং ই আছিল যুক্তিবাদ আৰু জনজাগৰণৰ এক জীৱন্ত শিক্ষাকেন্দ্ৰ।

বিষ্ণুপ্ৰসাদ ৰাভাৰ সমগ্ৰ জীৱন আৰু কৰ্মৰাজীৰ অন্যতম প্ৰধান চালিকা শক্তি আছিল শঙ্কৰদেৱৰ সৃষ্টিশীলতা। ৰাভাই অনুধাৱন কৰিছিল যে, অসমীয়া জাতিৰ সাংস্কৃতিক পৰিচয় আৰু আত্মপ্ৰতিষ্ঠাৰ ধাৰণাটো শঙ্কৰদেৱক বাদ দি সম্পূৰ্ণ হ'ব নোৱাৰে। শঙ্কৰদেৱ অবিহনে বৃহত্তৰ অসমীয়া সমাজখনৰ সাংস্কৃতিক মেৰুদণ্ড ঠুনুকা হৈ পৰিব। সেইবাবেই বিষ্ণুৰাভাই অতি স্পষ্ট আৰু দ্ব্যৰ্থহীন ভাষাত ব্যক্ত কৰিছিল- 'আজি শঙ্কৰদেৱৰ যিকোনো কৃষ্টি বা সাহিত্য বাদ দিলে অসমীয়াৰ মৃত্যু হ'ব। শঙ্কৰ নাথাকিলে অসমীয়াৰ একোৱেই নাথাকে।' ৰাভাৰ এই ঐতিহাসিক মন্তব্যৰ আঁৰত আছিল অসমীয়া জাতিগঠন প্ৰক্ৰিয়াত গুৰুজনাৰ অৱদানৰ এক গভীৰ মূল্যায়ন। শঙ্কৰদেৱে ধৰ্মৰ জৰিয়তে মানুহৰ আত্মাক স্পৰ্শ কৰাৰ সমান্তৰালকৈ ভাষা, সাহিত্য আৰু ললিতকলাৰ মাধ্যমেৰে বিভিন্ন জনগোষ্ঠীয় জনসাধাৰণক একেখন সাংস্কৃতিক মঞ্চত থিয় কৰাইছিল। ৰাভাদেৱৰ

'অসমীয়া কৃষ্টিৰ চমু আভাস' লগতে বিভিন্ন বক্তৃতা আৰু ৰচনাতো এই কথা বাৰে বাৰে প্ৰতিফলিত হৈছে যে,



শঙ্কৰদেৱ অসমৰ সমন্বিত কৃষ্টিৰ আটাইতকৈ বলিষ্ঠ বাটকটীয়া আছিল।

শঙ্কৰদেৱৰ ভক্তি আন্দোলনৰ প্ৰধান বৈশিষ্ট্য আছিল আচাৰবিহীন সৰলতা আৰু মানৱীয় সমতা। জটিল পূজা-পাতল, বলিবিধান আৰু পুৰোহিততন্ত্ৰৰ শোষণৰ বিপৰীতে তেওঁ শ্ৰৱণ-কীৰ্তন আৰু ঈশ্বৰৰ নাম-প্ৰসংগৰ জৰিয়তে ধৰ্মক সাধাৰণ খাটিখোৱা মানুহৰ কাষলৈ আনিছিল। জাতি, কুল আৰু বংশমৰ্যাদাৰ উচ্চ-নীচ ভেদভাৱ গুচাই তেওঁ কৈছিল- 'কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম। জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।।" (কীৰ্তন-ঘোষা)।

বিষ্ণুৰাভাই এগৰাকী মাৰ্ক্সবাদী তথা সমাজবাদী চিন্তাবিদ হিচাপে সমাজৰ শোষণ, অন্যায় আৰু বৈষম্যৰ বিৰুদ্ধে চিৰদিন সংগ্ৰাম কৰিছিল। তেওঁ স্পষ্টভাৱে কৈছিল যে,

মধ্যযুগৰ সামন্তীয় ব্যৱস্থাৰ মাজতো শঙ্কৰদেৱে যি সাম্যবাদী সমাজৰ সপোন দেখিছিল, সেয়া আছিল আধুনিক শ্ৰেণীহীন সমাজ-চিন্তাৰ বলিষ্ঠ ৰূপ। ব্ৰাহ্মণ্যবাদী সংকীৰ্ণতা ভাঙি নগাৰ নৰোত্তম, গাৰোৰ গোবিন্দ, ভোটৰ বলোভদ্ৰ, মুছলমানৰ চান্দচাই, আদি বিভিন্ন জাতি-জনজাতিৰ ব্যক্তিক নিজৰ বুকুত স্থান দি শঙ্কৰদেৱে যি সামাজিক সম্প্ৰীতিৰ দৃষ্টান্ত ৰাখি গৈছিল, ৰাভাৰ বাবে সেয়া আছিল জাতীয় একতাৰ মূল আধাৰ।

শঙ্কৰদেৱৰ সামাজিক-সাংস্কৃতিক নিৰ্মাণৰ অন্যতম মহৎ কীৰ্তি হৈছে 'নামঘৰ'ৰ প্ৰতিষ্ঠা। নামঘৰ কেৱল উপাসনাৰ থলীয়েই নাছিল, বৰং ই আছিল গাঁৱৰ গণতান্ত্ৰিক পঞ্চায়ত, সাংস্কৃতিক কৰ্মশালা আৰু সামূহিক সভা- সমিতিৰ কেন্দ্ৰবিন্দু। নামঘৰত কোনো নিৰ্দিষ্ট ব্যক্তিৰ একচেটিয়া আধিপত্য নাছিল। তাত ধনী-দুখীয়া নিৰ্বিশেষে সকলোৱে একেখন মজিয়াত একেলগে বহি নাম-কীৰ্তন, আলোচনা, খুৱাবোৱা আৰু বিচাৰ আদি কৰিছিল। বিষ্ণুপ্ৰসাদ ৰাভাৰ সাংস্কৃতিক দৰ্শনৰ অন্যতম মূল আধাৰ আছিল 'গণসংস্কৃতি'। অৰ্থাৎ সংস্কৃতি কোনো বিশেষ পুঁজিপতি বা অভিজাত শ্ৰেণীৰ বিলাসী সম্পদ নহয়। ই জনসাধাৰণৰ সামূহিক চৰ্চা, সৃষ্টিশীলতা আৰু জীৱন-অভিজ্ঞতাৰ এক উমৈহতীয়া প্ৰকাশ। এই দৃষ্টিকোণৰ পৰা নামঘৰক ৰাভাই অসমৰ প্ৰথম গণতান্ত্ৰিক সাংস্কৃতিক মঞ্চ হিচাপে গণ্য কৰিছিল। নামঘৰৰ মজিয়াই জনসাধাৰণৰ মাজত যি যৌথ দায়বদ্ধতা আৰু গণতান্ত্ৰিক চেতনা গঢ়ি তুলিছিল, বিষ্ণুৰাভাই আধুনিক সমাজত সেই মূল্যবোধক অধিক দৃঢ়কৈ প্ৰতিষ্ঠা কৰাৰ পোষকতা কৰিছিল।

বিষ্ণুপ্ৰসাদ ৰাভা নিজে আছিল সংগীত, নৃত্য, বাদ্য আৰু নাট্যশিল্পৰ এগৰাকী বহুমুখী প্ৰতিভাধৰ শিল্পী। সেইবাবেই শঙ্কৰদেৱৰ শিল্পীসত্তাই ৰাভাক আটাইতকৈ গভীৰভাৱে মুগ্ধ কৰিছিল। তেওঁ শঙ্কৰদেৱক কেৱল শাস্ত্ৰকাৰ হিচাপে নলৈ এগৰাকী অনন্য যুগস্ৰষ্টা গণশিল্পী হিচাপে বিচাৰ কৰিছিল। শঙ্কৰদেৱে সংস্কৃত ভাষাৰ কঠিন পৰিৱেশৰ পৰা ভাগৱতৰ তত্ত্ব উলিয়াই আনি সহজ-সৰল অসমীয়া তথা ব্ৰজাৱলী ভাষাত কাব্য আৰু নাটক ৰচনা কৰিছিল। 'কীৰ্তন-ঘোষা', 'গুণমালা' 'ভক্তিপ্ৰদীপ' বা অংকীয়া নাটসমূহ সাধাৰণ নিৰক্ষৰ মানুহেও সহজেই বুজি আৰু মনত ৰাখিব পাৰিছিল। ৰাভাই এই সাহিত্যিক প্ৰয়াসক জনশিক্ষা আৰু গণজাগৰণৰ এক মহৎ উপায় হিচাপে গণ্য কৰিছিল। আনহাতে শঙ্কৰদেৱে ৰাগ-তাল সমন্বিত যি বৰগীতৰ ধাৰা সৃষ্টি কৰিছিল, সেয়া আছিল মাৰ্গীয় সংগীতৰ সৈতে থলুৱা সুৰৰ এক অপূৰ্ব মিলন। ৰাভাই উপলব্ধি কৰিছিল যে, শঙ্কৰদেৱে ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ মূল কাঠামোটো অক্ষুণ্ণ ৰাখিও অসমৰ নিজস্ব মাত-কথা আৰু আৱেগৰ লগত খাপ খুৱাই স্বকীয় সংগীতধাৰা নিৰ্মাণ কৰিছিল। একেদৰে ভাওনাৰ জৰিয়তে শঙ্কৰদেৱে দৃশ্যকলা, শ্ৰব্যকলা, নৃত্য, মুখাশিল্প, আলোকসজ্জা আৰু অভিনয়ৰ যি সন্মিলন ঘটাইছিল, সেয়া মধ্যযুগৰ বিশ্বনাট্য ইতিহাসতেই বিৰল। ৰাভাই ভাওনাক কেৱল বিনোদনৰ মাধ্যম হিচাপে লোৱাৰ পৰিবৰ্তে অশিক্ষিত জনতাক নীতিশিক্ষা, সৌন্দৰ্যবোধ আৰু যৌথ জীৱনশৈলীৰ শিক্ষা দিয়াৰ শক্তিশালী গণমাধ্যম হিচাপে গ্ৰহণ কৰিছিল।



নলিনী ৰঞ্জন ভূঞা

বিষ্ণুপ্ৰসাদ ৰাভা আছিল সত্ৰীয়া নৃত্যৰ অন্যতম প্ৰথম আধুনিক গৱেষক আৰু প্ৰচাৰক। তেওঁ সত্ৰৰ বন্ধ দুৱাৰৰ পৰা সত্ৰীয়া নৃত্য আৰু ওজাপালিক বহল সমাজৰ মঞ্চত তুলি ধৰাৰ বাট দেখুৱাইছিল। ৰাভাই বাৰে বাৰে উল্লেখ কৰিছিল যে, সত্ৰীয়া নৃত্যৰ শাস্ত্ৰীয় গাম্ভীৰ্য আৰু তাৰ ভংগীমাত শঙ্কৰদেৱৰ সৌন্দৰ্যচেতনা আৰু শিল্পীসুলভ প্ৰতিভাৰ চূড়ান্ত শিখৰ প্ৰকাশ পাইছে।

শঙ্কৰদেৱৰ প্ৰতি ৰাভাৰ অনুৰাগ কেৱল তাত্ত্বিক আলোচনা বা লিখা-মেলাতে সীমাবদ্ধ নাছিল। তেওঁ চিত্ৰশিল্পী হিচাপে শঙ্কৰদেৱৰ এক কালজয়ী প্ৰতিকৃতি নিজ হাতেৰে অংকন কৰিছিল। এই ছবিখন কেৱল এজন ঐতিহাসিক পুৰুষৰ প্ৰতিকৃতি নাছিল, বৰং ই আছিল ৰাভাৰ মানসচক্ষুত ভাহি উঠা শঙ্কৰদেৱৰ প্ৰশান্ত, সৌম্য আৰু তেজস্বী সাংস্কৃতিক ব্যক্তিত্বৰ এক বাস্তৱ প্ৰকাশ। তদুপৰি, জ্যোতিপ্ৰসাদ আগৰৱালাৰ দ্বাৰা চলচ্চিত্ৰ শিল্পৰ সূচনা হোৱাৰ পিছত, বিষ্ণুপ্ৰসাদ ৰাভাই শঙ্কৰদেৱৰ জীৱন, কৰ্ম আৰু সমন্বয়ৰ আদৰ্শক লৈ এখন পূৰ্ণদৈৰ্ঘ্যৰ চলচ্চিত্ৰ নিৰ্মাণৰ বাবেও গভীৰ পৰিকল্পনা হাতত লৈছিল। অৱশ্যে আৰ্থিক অনাটন আৰু প্ৰতিকূল পৰিস্থিতিৰ বাবে সেই চলচ্চিত্ৰৰ সপোন বাস্তৱায়িত নহ'ল, তথাপিও এই প্ৰচেষ্টাই প্ৰমাণ কৰে যে, ৰাভাই শঙ্কৰদেৱক আধুনিক গণমাধ্যমৰ জৰিয়তে বিশ্বৰ দৰবাৰত চিনাকি কৰাই দিবলৈ কিমান ব্যগ্ৰ হৈ পৰিছিল।

বিষ্ণুপ্ৰসাদ ৰাভাৰ দৃষ্টিত শঙ্কৰদেৱ আছিল অসমৰ বিভিন্ন জনগোষ্ঠী- বড়ো, মিচিং, কাৰ্বি, ৰাভা, আহোম, কোঁচ আদি সকলোৱে সাংস্কৃতিক উপাদানসমূহক এক উমৈহতীয়া সাংস্কৃতিক পৰিসৰত একত্ৰিত কৰা এক মহান সেতু। শঙ্কৰদেৱে কোঁচ ৰজা নৰনাৰায়ণ আৰু চিলাৰায়ৰ পৃষ্ঠপোষকতা লাভ কৰাৰ লগতে জনজাতীয় জীৱনধাৰাৰ বহু উপাদান নিজৰ কৃষ্টিত একাত্ম কৰি লৈছিল। ৰাভাই নিজেও অসমীয়া সংস্কৃতিৰ এইবহুজাতীয় আৰু বহুজনগোষ্ঠীয় ভেটিটোক গভীৰভাৱে বিশ্বাস কৰিছিল। তেওঁ অনুভৱ কৰিছিল যে, শঙ্কৰদেৱৰ সমন্বয়বাদী নীতিয়েহে অসমৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ মাজত ঐক্য আৰু সম্প্ৰীতি বৰ্তাই ৰাখিব পাৰিছে।

সামগ্ৰিকভাৱে ক'বলৈ গ'লে, বিষ্ণুপ্ৰসাদ ৰাভাৰ দৃষ্টিত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আছিল নতুন সমাজ গঢ়াৰ এক জীৱন্ত সংগ্ৰামী প্ৰেৰণা। মধ্যযুগত শঙ্কৰদেৱে ধৰ্ম আৰু সংস্কৃতিৰ মাধ্যমেৰে সমাজক অন্ধবিশ্বাস আৰু সংকীৰ্ণতাৰ পৰা উদ্ধাৰ কৰিবলৈ যি নৱজাগৰণৰ সূচনা কৰিছিল, আধুনিক যুগত বিষ্ণুপ্ৰসাদ ৰাভাই সেই সাংস্কৃতিক ভেটিৰ ওপৰত থিয় হৈ এখন শোষণমুক্ত, শ্ৰেণীহীন আৰু মানৱতাবাদী সমাজ নিৰ্মাণৰ সপোন দেখিছিল। আজিৰ সাম্প্ৰদায়িকতা, সংকীৰ্ণ প্ৰাদেশিকতা আৰু সামাজিক বিচ্ছিন্নতাৰ সময়ত বিষ্ণুৰাভাৰ এই শঙ্কৰদেৱ-দৰ্শন অত্যন্ত সময়োপযোগী। ধৰ্মীয় গোড়ামিৰ ঊৰ্ধ্বত উঠি শঙ্কৰদেৱক এগৰাকী গণশিল্পী, মানৱতাবাদী পথপ্ৰদৰ্শক আৰু সাংস্কৃতিক সমন্বয়কৰূপে গ্ৰহণ কৰিব পৰাটোৱেই হ'ব বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰতি আৰু মহাপুৰুষ গুৰুজনাৰ প্ৰতি আমাৰ প্ৰকৃত সেৱা আৰু শ্ৰদ্ধাঞ্জলি।

চিহ্নযাত্ৰা ঃ অসমীয়া নাট্য সাহিত্যৰ আদি কাব্য

অজিত বৰুৱা

অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ ইতিহাসত শ্ৰীমন্ত শংকৰদেৱৰ অৱদান এক অনন্য উচ্চতাত অধিষ্ঠিত। সাহিত্য, সংগীত, চিত্ৰকলা, নাট্যকলা, নৃত্য আৰু সমাজ সংস্কাৰৰ ক্ষেত্ৰত তেওঁ যি যুগান্তকাৰী অৱদান আগবঢ়াই গৈছে, সেয়া কেৱল অসমতে সীমাবদ্ধ নহয়; সমগ্ৰ ভাৰতীয় সাংস্কৃতিক ইতিহাসতো এক উজ্জ্বল অধ্যায় হিচাপে স্বীকৃত। তেওঁৰ বহুমুখী প্ৰতিভাৰ অন্যতম উল্লেখযোগ্য নিদৰ্শন হৈছে "চিহ্নযাত্ৰা"। অসমীয়া নাট্য সাহিত্যৰ ইতিহাসত চিহ্নযাত্ৰাক প্ৰথম নাট্য প্ৰয়াস, নাট্যকলাৰ আদি ৰূপ তথা অসমীয়া নাট্যধাৰাৰ সূতিকাগাৰ বুলি গণ্য কৰা হয়। যদিও ইয়াৰ সম্পূৰ্ণ পুথি আজিলৈকে উদ্ধাৰ হোৱা নাই, তথাপিও বিভিন্ন চৰিত পুথি, গৱেষণা আৰু ঐতিহাসিক তথ্যৰ ভিত্তিত চিহ্নযাত্ৰাৰ মাহাত্ম্য আজিও সমানে প্ৰাসংগিক হৈ আছে।

চিহ্নযাত্ৰাৰ ঐতিহাসিক পটভূমিঃ

পঞ্চদশ শতিকাৰ অসম আছিল সামাজিক বিভাজন, ধৰ্মীয় গোঁড়ামি আৰু জাতিভেদৰ দ্বাৰা প্ৰভাৱিত। এনে এক সময়ত শংকৰদেৱে একশৰণ নামধৰ্মৰ আদৰ্শেৰে সমাজত সমতা, ভ্ৰাতৃত্ববোধ আৰু ভক্তিৰ বাণী প্ৰচাৰ কৰিছিল। জনসাধাৰণক সহজভাৱে ধৰ্মীয় আৰু নৈতিক শিক্ষা প্ৰদান কৰাৰ বাবে তেওঁ সাহিত্য, সংগীত আৰু নাটকক মাধ্যম হিচাপে গ্ৰহণ কৰিছিল।

চৰিত পুথিসমূহৰ বিৱৰণ অনুসৰি, প্ৰায় ১৪৬৮ খ্ৰীষ্টাব্দত শংকৰদেৱে বৰদোৱাত "চিহ্নযাত্ৰা" মঞ্চস্থ কৰিছিল। এই নাট্য উপস্থাপনৰ মূল উদ্দেশ্য আছিল "সপ্ত বৈকুণ্ঠ"ৰ দৃশ্য জনসাধাৰণৰ সন্মুখত দৃশ্যমান কৰি তোলা। আত্মীয়-স্বজন আৰু অনুগামীসকলৰ অনুৰোধত তেওঁ এই অভিনৱ নাট্য উপস্থাপনা সৃষ্টি কৰিছিল।

'চিহ্নযাত্ৰা' নামৰ তাৎপৰ্যঃ

'চিহ্ন' শব্দৰ অৰ্থ হৈছে প্ৰতীক, ছবি বা চিত্ৰ, আৰু 'যাত্ৰা' মানে গমন বা নাট্য উপস্থাপনা। অৰ্থাৎ চিহ্নযাত্ৰা হৈছে চিত্ৰ, সংগীত, নৃত্য আৰু অভিনয়ৰ সমন্বয়ে গঠিত এক প্ৰতীকধৰ্মী নাট্য উপস্থাপনা। বহু গৱেষকৰ মতে ই আধুনিক অৰ্থত সংলাপভিত্তিক নাটকতকৈ অধিক এক "Pageant on Painted Scenes" বা চিত্ৰভিত্তিক নাট্যপ্ৰদৰ্শনী আছিল।

নাট্য সাহিত্যৰ আদি কাব্য হিচাপে চিহ্নযাত্ৰাঃ

অসমীয়া সাহিত্যৰ ইতিহাসত চিহ্নযাত্ৰাক নাট্য সাহিত্যৰ আদি কাব্য বুলি কোৱা হয়। ইয়াৰ কাৰণ হৈছে, অসমীয়া ভাষাত নাট্যধাৰাৰ যি সুসংগঠিত ৰূপ পৰৱৰ্তীকালত অংকীয়া নাট আৰু ভাওনাৰ মাধ্যমে বিকশিত হয়, তাৰ বীজ প্ৰথমে ৰোপণ হৈছিল চিহ্নযাত্ৰাত। এইনাট্য প্ৰয়াসৰ আগতে অসমত নাট্যকলাৰ কিছু লোকাচাৰ ৰূপ থাকিলেও সাহিত্যিক নাটকৰ সুস্পষ্ট নিৰ্দশন পোৱা নাযায়। চিহ্নযাত্ৰাই প্ৰথমবাৰৰ বাবে কাহিনী, সংগীত, চিত্ৰ, অভিনয় আৰু মঞ্চকলাক একত্ৰিত কৰি এক নতুন শিল্পধাৰাৰ সূচনা কৰে।

শংকৰদেৱ ঃ নাট্যকাৰ, চিত্ৰশিল্পী আৰু পৰিচালক চিহ্নযাত্ৰাৰ আটাইতকৈ আশ্চৰ্যজনক দিশটো হৈছে- ইয়াৰ প্ৰতিটো পৰ্যায়ত শংকৰদেৱৰ ব্যক্তিগত অংশগ্ৰহণ। চৰিত পুথিৰ তথ্য অনুসৰি তেওঁ নিজেই নাট্যৰ কাহিনী ৰচনা কৰিছিল, গীত লিখিছিল, বাদ্যযন্ত্ৰ নিৰ্মাণ কৰিছিল, পটচিত্ৰ অংকন কৰিছিল আৰু অভিনয়তো অংশগ্ৰহণ কৰিছিল।

এই দিশৰ পৰা বিচাৰ কৰিলে শংকৰদেৱ কেৱল নাট্যকাৰেই নাছিল; তেওঁ আছিল এজন সম্পূৰ্ণ নাট্যশিল্পী। আধুনিক নাট্যতত্ত্বৰ ভাষাত তেওঁক playwright, director, actor, musician, painter আৰু stage designer—সকলো ভূমিকা একেলগে পালন কৰা শিল্পী বুলি ক'ব পাৰি।

চিত্ৰকলাৰ অভিনৱ ব্যৱহাৰঃ

চিহ্নযাত্ৰাৰ অন্যতম বৈশিষ্ট্য আছিল পটচিত্ৰৰ ব্যৱহাৰ। শংকৰদেৱে নিজ হাতে সাতখন বৈকুণ্ঠৰ দৃশ্য অংকন কৰিছিল। স্থানীয় উপাদানেৰে প্ৰস্তুত কৰা ৰঙেঁৰে তেওঁ স্বৰ্গীয় জগতৰ চিত্ৰ অংকন কৰিছিল। সেই সময়ৰ ভাৰতীয় নাট্যধাৰাত এনে বিস্তৃত দৃশ্যপট ব্যৱহাৰ এক অভিনৱ পদক্ষেপ আছিল।

আজিৰ আধুনিক মঞ্চসজ্জা, দৃশ্যপট, আলো-সজ্জা আদিৰ পূৰ্বসূৰী ধাৰণাসমূহ চিহ্নযাত্ৰাৰ মাজতেই নিহিত আছিল বুলি বহু গৱেষকে মত প্ৰকাশ কৰিছে।

সংগীত, নৃত্য আৰু অভিনয়ৰ সমন্বয়ঃ

চিহ্নযাত্ৰা কেৱল নাটক নাছিল; ই আছিল এক সমন্বিত শিল্পৰূপ। ইয়াত গীত, বাদ্য, নৃত্য আৰু অভিনয় একেলগে সংযোজিত হৈছিল। শংকৰদেৱে নিজেই খোল বজাইছিল আৰু সূত্ৰধাৰৰ ভূমিকাত অভিনয় কৰিছিল। পৰৱৰ্তীকালত বৰগীত, ভটিমা, অংকীয়া নাট আৰু সত্ৰীয়া নৃত্যৰ যি বিকাশ ঘটে, তাৰ মূল ভিত্তি এই নাট্য প্ৰয়াসতেই নিহিত আছিল। এই কাৰণেই চিহ্নযাত্ৰাক অসমীয়া সমন্বিত কলাৰ প্ৰথম পূৰ্ণাংগ নিদৰ্শন বুলি কোৱা হয়।

সূত্ৰধাৰৰ প্ৰৱৰ্তনঃ

অসমীয়া নাট্যকলাত সূত্ৰধাৰৰ গুৰুত্ব অপৰিসীম। নাটকৰ আৰম্ভণিৰ পৰা শেষলৈকে সূত্ৰধাৰে নাট্যৰ মূল সুৰ ধৰি ৰাখে, ঘটনাৰ ব্যাখ্যা কৰে আৰু দৰ্শকক নাটকৰ লগত সংযুক্ত কৰি ৰাখে।

গৱেষণাৰ তথ্য অনুসৰি, চিহ্নযাত্ৰাতেই সূত্ৰধাৰৰ ভূমিকা প্ৰথম সুস্পষ্ট ৰূপত দেখা যায়। এই ধাৰা পৰৱৰ্তী অংকীয়া নাটসমূহত অধিক পৰিণত ৰূপ লাভ কৰে।

মুখা শিল্পৰ আৱিষ্কাৰঃ

চিহ্নযাত্ৰাৰ সৈতে অসমীয়া মুখা শিল্পৰো ঘনিষ্ঠ সম্পৰ্ক আছে। বিভিন্ন চৰিত আৰু গৱেষণাত উল্লেখ আছে যে শংকৰদেৱে এই নাট্য উপস্থাপনত মুখাৰ ব্যৱহাৰ কৰিছিল। আজিৰ মাজুলীৰ মুখা শিল্প বিশ্ববিখ্যাত। এই ঐতিহ্যৰ শিকড় বিচাৰি গ'লে চিহ্নযাত্ৰাৰ দৰে প্ৰাচীন নাট্য উপস্থাপনালৈকে যাব লাগে।

ভাওনা আৰু অংকীয়া নাটৰ জন্মভূমিঃ

চিহ্নযাত্ৰাৰ সফলতাৰ পিছতেই শংকৰদেৱে পাটনীপ্ৰসাদ, ৰুক্মিণী হৰণ, কালীয় দমন, কেলি গোপাল, পাৰিজাত হৰণ আৰু শ্ৰীৰাম বিজয় আদি অংকীয়া নাট ৰচনা কৰে। এই নাটসমূহ মঞ্চস্থ কৰাৰ পৰম্পৰাই পৰৱৰ্তীকালত "ভাওনা" নামেৰে পৰিচিত হয়। সেয়েহে চিহ্নযাত্ৰাক ভাওনা সংস্কৃতিৰ আদি উৎস বুলি ক'ব পাৰি।

সামাজিক আৰু ধৰ্মীয় তাৎপৰ্যঃ

চিহ্নযাত্ৰাৰ উদ্দেশ্য কেৱল বিনোদন প্ৰদান কৰা নাছিল। ইয়াৰ মূল লক্ষ্য আছিল ধৰ্মীয় শিক্ষা আৰু নৈতিক মূল্যবোধৰ প্ৰচাৰ। শংকৰদেৱে উপলব্ধি কৰিছিল যে অশিক্ষিত জনসাধাৰণৰ মাজত ভক্তি আৰু নৈতিকতাৰ বাণী প্ৰচাৰ কৰাৰ বাবে নাট্যকলাই আটাইতকৈ ফলপ্ৰসূ মাধ্যম হ'ব পাৰে।

চিহ্নযাত্ৰাৰ মাধ্যমে তেওঁ সমাজৰ সকলো স্তৰৰ লোকক একে মঞ্চত একত্ৰিত কৰিছিল। ইয়াৰ ফলত সামাজিক সম্প্ৰীতি, সাম্যবোধ আৰু সাংস্কৃতিক ঐক্য সুদৃঢ় হৈছিল।

ভাৰতীয় নাট্য ইতিহাসত চিহ্নযাত্ৰাৰ স্থানঃ

বহু গৱেষকে মত প্ৰকাশ কৰিছে যে চিহ্নযাত্ৰা আধুনিক ভাৰতীয় আঞ্চলিক ভাষাৰ নাট্যধাৰাসমূহৰ ভিতৰত অন্যতম প্ৰাচীন নিদৰ্শন। অসমীয়া নাট্যধাৰাৰ ক্ষেত্ৰত ই এক মাইলৰ খুঁটি। যেতিয়া ভাৰতৰ বহু অঞ্চলত নাট্যধাৰা সুসংগঠিত ৰূপত গঢ় লৈ উঠা নাছিল, তেতিয়াই শংকৰদেৱে নাটক, সংগীত, নৃত্য, চিত্ৰকলা আৰু আধ্যাত্মিকতাক একত্ৰিত কৰি এক পূৰ্ণাংগ নাট্যজগত সৃষ্টি কৰিছিল।

চিহ্নযাত্ৰাৰ অনুপস্থিত পুথি আৰু আজিৰ প্ৰয়োজনীয়তা ঃ

দুৰ্ভাগ্যজনকভাৱে চিহ্নযাত্ৰাৰ মূল পুথি বৰ্তমান উপলব্ধ নহয়। তথাপিও ইয়াৰ প্ৰভাৱ আজিও অসমীয়া সংস্কৃতিৰ প্ৰতিটো স্তৰত অনুভৱ কৰিব পাৰি। ভাওনা, সত্ৰীয়া নৃত্য, বৰগীত, মুখা শিল্প, নাট্য মঞ্চায়ন—সকলো ক্ষেত্ৰতেই চিহ্নযাত্ৰাৰ ঐতিহ্যৰ ছাপ স্পষ্ট। আজিৰ প্ৰজন্মৰ বাবে চিহ্নযাত্ৰা কেৱল অতীতৰ এক নাট্যকৃতি নহয়; ই হৈছে সৃষ্টিশীলতা, সাংস্কৃতিক আত্মবিশ্বাস আৰু সমাজ নিৰ্মাণৰ এক জীৱন্ত শিক্ষা।

চিহ্নযাত্ৰা অসমীয়া নাট্য সাহিত্যৰ আদি কাব্য, নাট্যকলাৰ প্ৰথম সুসংগঠিত প্ৰয়াস আৰু অসমীয়া সাংস্কৃতিক জাগৰণৰ এক ঐতিহাসিক দলিল। ইয়াৰ মাজেদি শ্ৰীমন্ত শংকৰদেৱে প্ৰমাণ কৰিছিল যে সাহিত্য আৰু কলা কেৱল মনোৰঞ্জনৰ মাধ্যম নহয়, সমাজ পৰিবৰ্তনৰো এক শক্তিশালী অস্ত্ৰ। চিহ্নযাত্ৰাই অসমীয়া নাট্যধাৰাৰ জন্ম দিছিল, ভাওনাৰ ভিত্তি স্থাপন কৰিছিল আৰু অসমীয়া জাতিসত্তাৰ সাংস্কৃতিক পৰিচয় গঢ় দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

সেয়েহে চিহ্নযাত্ৰাক স্মৰণ কৰা মানে কেৱল এখন হেৰাই যোৱা নাটকৰ কথা মনত পেলোৱা নহয়; ই অসমীয়া জাতিৰ সৃষ্টিশীল আত্মা, সাংস্কৃতিক গৌৰৱ আৰু ঐতিহাসিক চেতনাক পুনৰ উপলব্ধি কৰাৰ এক মহৎ প্ৰয়াস। আজিও চিহ্নযাত্ৰা অসমীয়া নাট্য সাহিত্যৰ আদি জ্যোতিস্তম্ভ হৈ যুগে যুগে নতুন প্ৰজন্মক পথ দেখুৱাই আহিছে।

একশৰণ নামধৰ্ম শংকৰদেৱৰ ধৰ্মীয় দৰ্শনৰ তাত্ত্বিক ভিত্তি

কানুপ্ৰিয়া ডেকা

অসমীয়া সমাজ-সংস্কৃতিৰ ইতিহাসত শ্ৰীমন্ত শংকৰদেৱ (১৪৪৯—১৫৬৮) এক অমলিন দীপশিখা। তেওঁ কেৱল এজন মহাপুৰুষ, কবি বা নাট্যকাৰেই নহয়; তেওঁ আছিল এজন গভীৰ দৰ্শনবিদ, সমাজ সংস্কাৰক আৰু ভক্তি আন্দোলনৰ প্ৰধান প্ৰৱক্তা। শংকৰদেৱে প্ৰতিষ্ঠা কৰা "একশৰণ নামধৰ্ম" অসমীয়া বৈষ্ণৱ ধৰ্মৰ কেন্দ্ৰবিন্দু, যাৰ মূলতত্ত্ব হৈছে এক ঈশ্বৰ- ভক্তি, নামস্মৰণ, অহিংসা, সাম্য আৰু আত্মশুদ্ধি। এই প্ৰবন্ধত একশৰণ নামধৰ্মৰ তাত্ত্বিক ভিত্তি, দৰ্শনমূলক উৎস আৰু সমাজত ইয়াৰ প্ৰভাৱ বিশ্লেষণ কৰা হৈছে।

একশৰণ নামধৰ্মৰ অৰ্থ আৰু মূল ধাৰণা ঃ "একশৰণ" শব্দটোৰ অৰ্থ- একমাত্ৰ ভগৱানৰ শৰণ লোৱা। শংকৰদেৱৰ মতে, ভক্তই সকলো ধৰণৰ বাহ্য আচাৰ-অনুষ্ঠান বা বহুদেৱতাৰ পূজাৰ পৰা আঁতৰি একমাত্ৰ বিষ্ণু বা কৃষ্ণকেই পৰম সত্য হিচাপে গ্ৰহণ কৰিব লাগে। "নামধৰ্ম" মানে ভগৱানৰ নাম জপা, গোৱা আৰু স্মৰণ কৰা- এইটোৱেই মুক্তিলাভৰ সহজ পথ।

এই ধৰ্মৰ কেন্দ্ৰীয় তত্ত্বসমূহ হৈছে—

একেশ্বৰবাদ ঃ ঈশ্বৰ এক আৰু সৰ্বশক্তিমান।

ভক্তিৰ প্ৰাধান্য ঃ জ্ঞান বা কৰ্মতকৈ নিষ্কাম ভক্তি উচ্চ।

নামস্মৰণ ঃ ঈশ্বৰৰ নামেই সাধনাৰ মুখ্য মাধ্যম।

সমতা আৰু মানৱতা ঃ জাতি—বৰ্ণ—লিঙ্গভেদৰ উৰ্ধ্বত মানৱমাত্ৰেই সমান।

অহিংসা আৰু নৈতিকতা ঃ জীৱদয়াই ধৰ্মৰ মুখ্য অংগ।

বৈদিক-পৌৰাণিক আৰু ভক্তি আন্দোলনৰ প্ৰভাৱ একশৰণ নামধৰ্মৰ তাত্ত্বিক ভিত্তি মূলত ভক্তি আন্দোলনৰ পৰম্পৰাৰ সৈতে জড়িত। ভাগৱত পুৰাণ, উপনিষদ আৰু গীতা-এই শাস্ত্ৰসমূহৰ পৰা শংকৰদেৱে এক ঈশ্বৰ-ভক্তিৰ ভাৱ গ্ৰহণ কৰিছিল। বিশেষকৈ ভাগৱত পুৰাণত কৃষ্ণভক্তিৰ যে সহজ আৰু প্ৰেমময় পথ বৰ্ণিত, তাকেই তেওঁ অসমীয়া সমাজৰ বাবে সহজ ভাষা আৰু ৰূপত প্ৰচাৰ কৰে। ভাৰতৰ আন প্ৰান্তত ৰামানন্দ, কবীৰ, মীৰাবাই আদিৰ দৰে ভক্তি সাধকসকলেও সামাজিক বৈষম্যৰ বিৰুদ্ধে মাত মাতিছিল। শংকৰদেৱৰ চিন্তাধাৰাতো এই সমতাৰ সুৰ সুস্পষ্ট।

দৰ্শনমূলক ভিত্তি ঃ ঈশ্বৰ, আত্মা আৰু মুক্তি শংকৰদেৱৰ দৰ্শনত ঈশ্বৰ হৈছে নিৰ্গুণ আৰু সগুণ দুয়ো ৰূপতেই উপলব্ধ—তেওঁ নিৰাকাৰ পৰম তত্ত্ব হ'লেও কৃষ্ণৰূপে ভক্তৰ সন্মুখত অৱতীৰ্ণ হয়। মানৱ আত্মা ঈশ্বৰৰ অংশ, কিন্তু অজ্ঞান আৰু মায়াৰ বাবে সংসাৰত বন্ধনবদ্ধ। মুক্তিৰ একমাত্ৰ পথ হৈছে নিষ্কাম ভক্তিৰ জৰিয়তে ঈশ্বৰ-স্মৰণ।

এই চিন্তাধাৰা বিশিষ্টাদ্বৈত বা ভক্তি-কেন্দ্ৰিক বেদান্ত ধাৰণাৰ সৈতে সামঞ্জস্যপূৰ্ণ—য'ত ঈশ্বৰ আৰু জীৱ আত্মাৰ সম্পৰ্ক স্বীকৃত, কিন্তু ভক্তিৰ দ্বাৰাই একাত্মতা লাভ হয়। সাধন-পদ্ধতিঃ একশৰণ নামধৰ্মত জটিল যজ্ঞ, তপস্যা বা কঠোৰ বৈদিক আচাৰ প্ৰয়োজনীয় নহয়। ইয়াৰ সৰল সাধন-পদ্ধতি হৈছে— *নামঘোষা বা কীৰ্তন* ঃ সমবেতভাৱে ঈশ্বৰৰ নাম গোৱা।

শ্ৰৱণ ঃ ভাগৱত কাহিনী শুনা।


স্মৰণ ঃ মনত সদায় ভগৱানক ধাৰণ কৰা।

সৎসংগ ঃ ভক্তসকলৰ সৈতে মিলিত হোৱা।

নামঘৰ আৰু সত্ৰ এই ধৰ্মৰ সামাজিক আৰু আধ্যাত্মিক কেন্দ্ৰ হিচাপে গঢ় লৈ উঠিছিল, যিয়ে শিক্ষাৰ বিস্তাৰ আৰু সামাজিক সংহতি বৃদ্ধি কৰিছিল।

সমাজ সংস্কাৰ আৰু মানৱিক দৃষ্টিভংগী শংকৰদেৱৰ ধৰ্মীয় দৰ্শন কেৱল আধ্যাত্মিক মুক্তিৰ কথাই কোৱা নাছিল; ই সমাজ সংস্কাৰৰ শক্তিশালী আহ্বান আছিল। তেওঁ জাতিভেদ, কুসংস্কাৰ আৰু কঠোৰ আচাৰবিধিৰ বিৰুদ্ধে থিয় হৈছিল। সকলোকে একে মঞ্চত নাম কীৰ্তনত অংশ ল'বলৈ আহ্বান জনাই তেওঁ সমতাৰ বীজ ৰোপণ কৰিছিল। তেওঁৰ অনুবাদ আৰু মৌলিক সাহিত্য- যেনে কীৰ্তন-ঘোষা, ভাগৱতৰ অংশ, আৰু অংকীয়া নাট—এই সকলোবোৰে সাধাৰণ লোকক ধৰ্মীয় শিক্ষাৰ সৈতে পৰিচিত কৰি তুলিছিল।

একশৰণ নামধৰ্মৰ স্থায়ী প্ৰভাৱ আজিও অসমীয়া সমাজত একশৰণ নামধৰ্মৰ প্ৰভাৱ গভীৰ। সত্ৰ-নামঘৰ ব্যৱস্থা, ভাওনা, বৰগীত-



এই সকলোবোৰ শংকৰদেৱৰ দৰ্শনৰ সাংস্কৃতিক ৰূপ। এই ধৰ্মে অসমীয়া জাতিসত্তা, সাহিত্য আৰু সংগীতত এক নতুন দিশ প্ৰদান কৰিলে।

একশৰণ নামধৰ্ম শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্মীয় দৰ্শনৰ কেন্দ্ৰস্থল- য'ত এক ঈশ্বৰ-ভক্তি, নামস্মৰণ, মানৱতা আৰু সামাজিক সমতাৰ এক সুসমন্বয় দেখা যায়। ই কেৱল ধৰ্মীয় আন্দোলন নহয়, অসমীয়া সমাজৰ নৈতিক আৰু সাংস্কৃতিক পুনৰুজ্জীৱনৰ এক শক্তিশালী অধ্যায়। শংকৰদেৱে সহজ ভক্তিৰ পথ দেখুৱাই মানুহক আত্মশুদ্ধি, সহানুভূতি আৰু ঐক্যৰ দিশে আগবঢ়াই নিয়াৰ এক স্থায়ী আদৰ্শ স্থাপন কৰি গৈছে। সাহিত্য আৰু কলাত তাত্ত্বিক দৰ্শনৰ প্ৰকাশ একশৰণ নামধৰ্ম কেৱল উপদেশ বা ধৰ্মীয় বক্তৃতাৰ মাজতেই সীমাবদ্ধ নাছিল; শংকৰদেৱে নিজৰ তাত্ত্বিক দৰ্শন সাহিত্য, সংগীত আৰু নাটকৰ মাজেৰে জীৱন্ত কৰি তুলিছিল। তেওঁৰ ৰচিত বৰগীতসমূহত ভক্তিৰ সৰলতা, ঈশ্বৰপ্ৰেম আৰু আত্মসমৰ্পণৰ গভীৰ অনুভৱ প্ৰকাশ পাইছে। ভাষা সৰল হ'লেও ভাব গভীৰ- এইটোৱেই নামধৰ্মৰ মৌলিক বৈশিষ্ট্য।

অংকীয়া নাট আৰু ভাওনাৰ জৰিয়তে তেওঁ ভাগৱত পুৰাণৰ কাহিনীসমূহ নাট্যৰূপত জনসাধাৰণৰ আগত উপস্থাপন কৰিলে। ইয়াত কৃষ্ণক পৰম সত্য আৰু দয়াময় ঈশ্বৰ হিচাপে চিত্ৰিত কৰা হয়, আৰু অহংকাৰ, লোভ, হিংসা আদিক ত্যাগ কৰিবলৈ আহ্বান জনোৱা হয়। এই নাটসমূহে ধৰ্মীয় শিক্ষা প্ৰচাৰৰ লগতে নৈতিক বোধ জাগ্ৰত কৰিছিল। শংকৰদেৱৰ অনুবাদ আৰু ব্যাখ্যামূলক সাহিত্য-বিশেষকৈ ভাগৱতৰ অংশসমূহ- একশৰণ নামধৰ্মৰ তাত্ত্বিক ভিত্তিক সাধাৰণ লোকৰ বাবে বোধগম্য কৰি তুলিছিল। সংস্কৃত শাস্ত্ৰক অসমীয়ালৈ ৰূপান্তৰ কৰি তেওঁ ধৰ্মীয় জ্ঞানৰ লোকায়তন ঘটালে।

শংকৰদেৱৰ পাছত মাধৱদেৱে একশৰণ নামধৰ্মৰ বিস্তাৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। মাধৱদেৱে গুৰুজনাৰ দৰ্শনক অধিক সংগঠিত ৰূপ দিয়ে আৰু সাহিত্যিকভাৱে সমৃদ্ধ কৰে। তেওঁৰ ৰচিত নামঘোষা নামধৰ্মৰ মুখ্য গ্ৰন্থসমূহৰ অন্যতম। অসমৰ বিভিন্ন প্ৰান্তত প্ৰতিষ্ঠা হয়, যিয়ে ধৰ্মীয় শিক্ষাৰ লগতে নৃত্য, সংগীত, চিত্ৰকলা আৰু সামাজিক আচৰণৰ এক বিস্তৃত পৰম্পৰা গঢ়ি তোলে। এই সত্ৰ-ব্যৱস্থা এক প্ৰকাৰৰ সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ ৰূপ লয়।

দৰ্শন আৰু সমাজ ঃ সমালোচনামূলক দৃষ্টিভংগী যদিও একশৰণ নামধৰ্মে সামাজিক সমতা আৰু ভক্তিৰ সৰল পথ প্ৰচাৰ কৰিছিল, ইতিহাসত কিছুমান সময়ত ইয়াৰ আচৰণগত ৰূপত বিভাজন বা কঠোৰতা দেখা গৈছিল। বিভিন্ন সত্ৰ-সম্প্ৰদায়ৰ মাজত মতভেদ সৃষ্টি হৈছিল, যাৰ মূল কাৰণ আছিল আচাৰ—ব্যৱস্থা আৰু সামাজিক নীতিৰ ব্যাখ্যাত পাৰ্থক্য। তথাপি, শংকৰদেৱৰ মৌলিক দৰ্শনৰ কেন্দ্ৰত থকা মানৱতা, অহিংসা আৰু একতাৰ বাণী আজিও প্ৰাসংগিক। আধুনিক সমাজত ধৰ্মীয় সহনশীলতা আৰু সামাজিক ঐক্য গঢ়াত এই দৰ্শনে গুৰুত্বপূৰ্ণ অনুপ্ৰেৰণা দিব পাৰে।

আধুনিক প্ৰেক্ষাপটত একশৰণ নামধম বৰ্তমান যুগত একশৰণ নামধৰ্মক কেৱল ঐতিহ্য হিচাপে নহয়, নৈতিক জীৱনৰ পথপ্ৰদৰ্শক হিচাপেও চোৱা যায়। ভোগবাদী মানসিকতা, সামাজিক বিভাজন আৰু মানসিক অস্থিৰতাৰ মাজত নামধৰ্মৰ আত্মসংযম, সহানুভূতি আৰু আত্মসমৰ্পণৰ শিক্ষা বিশেষ তাৎপৰ্যপূৰ্ণ।

নামঘৰ আৰু সত্ৰসমূহ আজিও গ্ৰাম্য সমাজত সামাজিক সমন্বয়ৰ কেন্দ্ৰ, শিক্ষাৰ প্ৰসাৰ আৰু সাংস্কৃতিক সংৰক্ষণৰ ভূমিকা লৈ আছে। এইদৰে, একশৰণ নামধৰ্ম শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্মীয় দৰ্শনৰ এক সুগভীৰ তাত্ত্বিক আৰু ব্যৱহাৰিক সংমিশ্ৰণ। বৈদিক—পৌৰাণিক চিন্তাধাৰাৰ ওপৰত ভিত্তি কৰি, ভক্তি আন্দোলনৰ মানৱিক আদৰ্শেৰে সমৃদ্ধ এই ধৰ্মে অসমীয়া সমাজক এক নতুন আত্মিক আৰু সাংস্কৃতিক দিশ প্ৰদান কৰিছিল। সাহিত্য, সংগীত, নাটক আৰু সত্ৰ-ব্যৱস্থাৰ জৰিয়তে এই দৰ্শন আজিও জীৱন্ত- মানৱতাবাদ, সমতা আৰু ঈশ্বৰপ্ৰেমৰ এক চিৰন্তন পথপ্ৰদৰ্শক হিচাপে।

তিনিচুকীয়া জিলা সাহিত্য সভাৰ ‘জুবিন দিৱস’ পালন

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২০ ছেপ্টেম্বৰ ঃ তিনিচুকীয়া জিলা সাহিত্য সভাৰ উদ্যোগত আৰু ৰূপাই শতদল শাখা সাহিত্য সভাৰ আতিথ্যত ৰূপাই শাখা সাহিত্য সভা ভৱনত জিলা ভিত্তিত দিনজোৰা কাৰ্যসূচীৰে ‘জুবিন দিৱস’ পালন কৰা হয়। পুৱা ১০ বজাত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি লম্বেশ্বৰ চেতিয়া আৰু ৰূপাই শাখা সাহিত্য সভাৰ সভাপতি বেণু বড়াই। পুৱা ১০.৩০ বজাত স্মৃতিচাৰণ সভাখন আৰম্ভ হয় ৰূপাই শাখা সাহিত্য সভাৰ শিল্পীসকলে পৰিৱেশন কৰা ‘চিৰ চেনেহী মোৰ ভাষা জননী’ গীতেৰে। তাৰ পিছত জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি ‘মায়াবিনী’ গীতটো উপস্থিত সকলোৱে মিলি পৰিৱেশন কৰে। স্মৃতিচাৰণ সভাখনত সভাপতিত্ব কৰে তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি লম্বেশ্বৰ চেতিয়াই। জিলা সম্পাদক অৰূপ কুমাৰ চাংমাই য়ে আঁত ধৰা স্মৃতিচাৰণ সভাত উপস্থিত থাকে জিলা উপ-সভাপতি চন্দ্ৰ কুমাৰ বৰুৱা, ৰূপাই শাখা সাহিত্য সভাৰ সভাপতি বেণু বড়া। সভাত ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা বীণা দেৱী বৰদলৈয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। প্ৰাচীৰ পত্ৰিকা উন্মোচ কৰে বীৰেণ অধ্যাপকে। সভাত জিলা সাহিত্য সভাৰ বহুকেইগৰাকী বিষয়ববীয়া উপস্থিত থাকে। সভাত আদৰণি ভাষণ প্ৰদান কৰে শাখাৰ সভাপতি বেণু বড়াই। মুখ্য অতিথি বীণা দেৱী বৰদলৈয়ে জুবিন গাৰ্গে মহাবিদ্যালয়ত অধ্যয়ন কৰি থকা দিনৰপৰা মৃত্যু পৰ্যন্ত সকলো কথা সামৰি এটি সুন্দৰ বক্তব্য দাঙি ধৰে। জুবিন গাৰ্গৰ গীতবোৰ অদ্বিতীয় হোৱা কাৰণসমূহ খুব সূক্ষ্ম দৃষ্টিৰে বিশ্লে-ষণ কৰি এটি গৱেষণাধৰ্মী তথ্যৰে বক্তব্য দাঙি ধৰে। সভাত জুবিন গাৰ্গৰ এটিকৈ গীত পৰিৱেশন কৰে জীণুমণি গোহাঁই আৰু সংগীতা চৌধুৰীয়ে। জুবিন গাৰ্গক লৈ এটি হৃদয়স্পৰ্শী কবিতা আবৃত্তি কৰে অৰ্পণা গগৈ সেনাপতিয়ে। জুবিন গাৰ্গক লৈ বক্তব্য দাঙি ধৰে জিলা উপ সভাপতি চন্দ্ৰ কুমাৰ বৰুৱা



আৰু প্ৰাক্তন সম্পাদক শৰৎ চন্দ্ৰ চিৰিংফুকনে। জুবিন গাৰ্গক উৎসৰ্গা কৰি সাজু কৰা প্ৰাচীন পত্ৰিকা উন্মোচন কৰে জুবিন গাৰ্গৰ মোমায়েক বীৰেণ অধ্যাপকে। শলাগৰ শৰাই আগবঢ়াই শাখাৰ সম্পাদক ৰাতুল গগৈয়ে। জাতীয় সংগীতেৰে স্মৃতিচাৰণ সভা সামৰণি পৰে। আবেলি ৫ বজাৰ পৰা ৰূপাই শতদল শাখা সাহিত্য সভাৰ কাৰ্যালয়ৰ চৌহদত বন্তি প্ৰজ্বলন, ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন, সৰ্বধৰ্মীয় প্ৰাৰ্থনা, গীত-মাত-কবিতাৰ এটি মননশীল অনুষ্ঠান অনুষ্ঠিত কৰা হয়। অনুষ্ঠানটো উদ্বোধন কৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সহকাৰী সম্পাদক সুৰজিৎ মৰাণে। অনুষ্ঠানটোৰ আঁত ধৰে কিৰণময়ী হাজৰিকা বৰুৱা আৰু মনজিতা নেওঁগে। অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী মাধুৰ্য্য মহন্ত, মমী সোণোৱাল, অৰূপজ্যোতি হাজৰিকা, গাৰ্গী হাজৰিকা, বৰ্ণালী শ্যাম, বিশ্বজিৎ কলিতা, মৌচুমী বৰুৱা, নিবেদিতা শ্যাম, কাকলি দেৱী বৰুৱা, জ্যোৎস্না বুঢ়াগোহাঁই, মৃণাল মৰাণ, সৌৰভজ্যোতি মৰাণ, কুনাল বৰুৱা, সংগীতা চৌধুৰী, ৰিফ্ৰেকচন ভেলী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰ ছাত্ৰীৰ গীত পৰিৱেশন, ৰূপাই গীটাৰ একাডেমীৰ সুৰ সমলয়, ডম্ভ মীনা দেৱী বৰুৱা, অৰ্পণা সেনাপতি, ইন্দু দত্ত উজীৰ, টুটুমণি মৰাণ, সংগীতা বৰুৱা ডেকা, ৰঞ্জীতা গগৈ বৰুৱা, বিশ্বজিৎ কলিতাই কবিতা পাঠেৰে সজাই তোলে। উপস্থিত ৰাইজে সমস্বৰে পৰিৱেশন কৰা মায়াবিনী গীতেৰে অনুষ্ঠানৰ সামৰণি পৰে।

“অধ্যয়ন-অধ্যৱসায়ৰ প্ৰতি নিচাসক্ত হ'লেহে জাতিটো তৰিব” ঃ ড° দেৱজিৎ শইকীয়া

মাজুলী মহাবিদ্যালয়ত ‘নিচামুক্ত যুৱশক্তি’ শীৰ্ষক সজাগতা সভা, বাটৰ নাট প্ৰদৰ্শন

অসম বাৰ্তা, উজনী মাজুলী, ২০ ছেপ্টেম্বৰ ঃ ভাৰত চৰকাৰৰ ক্ৰীড়া আৰু কাৰ্যসূচী ৰূপায়ণ মন্ত্ৰালয় তথা যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ অধীনত সমগ্ৰ দেশতে বছৰজোৰা কাৰ্যসূচীৰে ৰূপায়ণ কৰা ‘নিচামুক্ত যুৱশক্তি’ অভিযানৰ লগত সংগতি ৰাখি মাজুলীৰ উচ্চশিক্ষাৰ প্ৰথমখন শিক্ষানুষ্ঠান মাজুলী মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সৌজন্যত আজি মহাবিদ্যালয়খনত কালি এক বিশেষ সজাগতামূলক অনুষ্ঠানৰ আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ ‘সত্ৰাধিকাৰ পদ্মকান্তদেৱ গোস্বামী সভাকক্ষ'ত আয়োজিত অনুষ্ঠানৰ আৰম্ভণিতে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ মহাবিদ্যালয় গোটৰ ভাৰপ্ৰাপ্ত বিষয়া, অধ্যাপক ড° অৰূপ বুঢ়াগোহাঁয়ে সজাগতাৰ আঁৰৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে সকলোকে অৱগত কৰে। ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ শীৰ্ষগীতৰে আৰম্ভ হোৱা অনুষ্ঠানটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই শেহতীয়া কিছু ঘটনাৱলীৰ প্ৰসংগৰে নিচা আসক্তিৰ জৰিয়তে এজন ব্যক্তিৰ দেহত কিদৰে ভয়াবহ ৰূপত মানসিক বিসংগতিয়ে দেখা দিব পাৰে সেই বিষয়ে উল্লেখ কৰি কয়, “অধ্যয়ন-অধ্যৱসায়ৰ প্ৰতি নিচাসক্ত হ'লেহে জাতিটো তৰিব।” লগতে ড° শইকীয়াই ড্ৰাগছ বা নিচাযুক্ত মাদক দ্ৰব্যৰ প্ৰতি আসক্ত হোৱাৰ পৰিৱৰ্তে সেই নিচাক সৃষ্টিশীল কৰ্মলৈ ৰূপান্তৰিত কৰি সমাজক আগুৱাই নিবলৈ ছাত্ৰ-ছাত্ৰীক পৰামৰ্শ দিয়ে। অনুষ্ঠানত উপস্থিত থাকি মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়াই মাজুলী জিলাত শেহতীয়াকৈ দেখা দিয়া ড্ৰাগছজনিত অপৰাধসমূহত উদ্বেগ প্ৰকাশ কৰি ছাত্ৰ-ছাত্ৰীসকলক ইয়াৰ বিৰুদ্ধে সজাগ হ'বলৈ আহ্বান জনায়। অনুষ্ঠানত সমল ব্যক্তিৰূপে উপস্থিত থাকি মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° দেৱজ্যোতি ভট্টাচাৰ্যই নিচাযুক্ত যুৱশক্তি থকা এখন দেশক গুৰিয়ালবিহীন নাৱৰ লগত তুলনা কৰি বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হ'বলৈ আমাৰ যুৱশক্তি নিচাৰ বিৰুদ্ধে মাৰ বান্ধি আগবাঢ়ি আহিব লাগিব বুলি উল্লেখ কৰে। চলিত মাহৰ নিচামুক্তি অভিযানৰ বিষয়বস্তু ‘মোৰ স্বাস্থ্য, মোৰ গৌৰৱ'ৰ লগত সংগতি ৰাখি তেওঁ মাদ্ৰক দ্ৰব্যসমূহত থকা বিষাক্ত উপাদানসমূহে আমাৰ দেহৰ কিদৰে ক্ষতি কৰিব পাৰে তাৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানত উপস্থিত থাকি মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° অনুপ কুমাৰ দলেয়ে নিজৰ বক্তব্যৰে ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ ইন্দিৰা বড়া, ড° পল্লৱী দুৱৰা, ড° জুলি গগৈ, বিজয় টিমুং, ড° মঃ আমিনুল ইছলাম, আচাৰ্য মোহন দাস, ড° বিশাল ভূএগ, ড° দিগন্ত হাতীবৰুৱা, ড° দিব্যজ্যোতি বৰা, অভিনৱ শংকৰ গোস্বামী, ড° শ্বাহনাজ আহমেদ প্ৰমুখ্যে অধ্যাপক-অধ্যাপিকাসকল উপস্থিত থাকি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অনুষ্ঠানৰ মাজতেই উপস্থিত সকলোৱে নিচামুক্ত যুৱশক্তি অভিযানৰ শপতবাক্য পাঠ কৰে। অনুষ্ঠানৰ অন্তত মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ ছাত্ৰ-ছাত্ৰীসকলে ‘এবাৰ চেষ্টা’ নামৰ সজাগতামূলক বাটৰ নাট প্ৰদৰ্শন কৰি সকলোকে আপ্লুত কৰে।

বিজনীত জুবিন দিৱস পালন

অসম বাৰ্তা, বিজনী, ২০ ছেপ্টেম্বৰ ঃ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মহাপ্ৰয়াণৰ দিনটোত আজি ৰাজ্যজুৰি অনুষ্ঠিত হৈছে জুবিন দিৱস। চিৰাং জিলাৰ বিজনীতো চিৰাং জিলা ছাত্ৰ সন্থাৰ উদ্যোগত দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হৈছে জুবিন দিৱস। বিজনী ছোৱালী হাইস্কুল খেলপথাৰত অনুষ্ঠিত হোৱা জুবিন দিৱসৰ কাৰ্যসূচী অনুসৰি প্ৰাণৰ শিল্পী গৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে প্ৰাণৰ শিল্পী হাৰ্টথ্ৰব জুবিন গাৰ্গৰ সংগীতৰ আদিগুৰু প্ৰয়াত ৰমনীমোহন ৰায়ৰ সহধৰ্মিনী মালতী বালা ৰায়ে, মাল্যাৰ্পণ কৰে আছুৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক সুদীপ চন্দই। ইয়াৰ পিছতে নাম-প্ৰসঙ্গ অনুষ্ঠিত হোৱাৰ লগতে স্থানীয় শিল্পী, বিজনীৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীকে আদি কৰি প্ৰায় পাঁচ শতাধিক শিল্পীয়ে জুবিন গাৰ্গৰ কালজয়ী গীত “মায়াবিনী” অসমীয়া, বড়ো আৰু বাংলা তিনিটা ভাষাত পৰিৱেশন কৰি ঈশ্বৰ পুত্ৰলৈ শ্ৰদ্ধাঞ্জলি জনায়। সন্ধিয়া সমূহীয়া ভাৱে বন্তি প্ৰজ্বলন কৰা হয়। একেদৰে বিজনীৰ জুবিন গাৰ্গ স্মৃতি সৌধ নিৰ্মাণ কমিটিৰ উদ্যোগত বিজনীৰ জিৰণি চ'ৰাৰ প্ৰাংগণত জুবিন দিৱস পালন কৰা হয়। তদুপলক্ষে প্ৰাণৰ শিল্পী হাৰ্টথ্ৰব জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে বিশিষ্ট শিল্পী জগত ৰায়ে। শিল্পী গৰাকীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে বিটিচিৰ কাৰ্যবাহী সদস্য ধীৰাজ বৰগয়াৰীয়ে। ইয়াৰ পিছতে নাম-প্ৰসঙ্গৰ লগতে শিল্পী জুবিন গাৰ্গক সুঁৱৰি সোঁৱৰণী সভা আৰু গীত-মাতৰ অনুষ্ঠানৰ লগতে শিল্পী জুবিন গাৰ্গৰ প্ৰিয় গীত মায়াবিনী ৰাতিৰ বুকুত সমবেত কণ্ঠেৰে পৰিৱেশন কৰে। বিজনী উত্তৰাঞ্চল ভূমকিপাৰা চাৰিআলি মিলন সংঘৰ উদ্যোগত জুবিন গাৰ্গৰ গীতেৰে সুৰেৰে জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি ভূমকিপাৰা তিনিআলিৰ নীলকণ্ঠ গোষ্ঠীৰ উদ্যোগত প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি ভূমকিপাৰা তিনিআলিৰ পৰা চাৰিআলিলৈ মমবাতি লৈ শোভাযাত্ৰা উলিওৱা হয়। ইফালে বিজনীৰ উলুবাৰীত জুবিন গাৰ্গ উদযাপন সমিতিৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত জুবিন দিৱস উদযাপন কৰাৰ লগতে বিজনী প্ৰেছ গীল্ড আৰু বিজনী প্ৰেছক্লাৱতো জুবিন দিৱস উদযাপন কৰি ঈশ্বৰ পুত্ৰ গৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনায়।

পেঙেৰী ভিন্ন স্থানত জুবিন দিৱস পালন

অসম বাৰ্তা বিশেষ, পেঙেৰী, ২০ ছেপ্টেম্বৰ ঃ অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মহাপ্ৰয়াণৰ এবছৰ। এই উপলক্ষে তিনিচুকীয়া জিলাৰ পেঙেৰীতো বিভিন্ন স্থানত, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে জুবিন গাৰ্গৰ স্মৃতিত জুবিন দিৱস পালন কৰিছে। পেঙেৰীৰ জ্ঞানোদয় উচ্চ আৰু মধ্য ইংৰাজী বিদ্যালয়ে বিদ্যালয় প্ৰেক্ষাগৃহত জুবিন দিৱস পালন কৰে। জ্ঞানোদয় হাইস্কুলৰ প্ৰধান শিক্ষক ৰবীন মৰাণে আঁত ধৰা অনুষ্ঠানত জুবিন স্মৰণৰ লগতে গীত-মাত, নৃত্য আৰু কবিতা আবৃত্তি আদি পৰিৱেশিত হয়। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ পেঙেৰী-বৰডুমচা আঞ্চলিক সমিতি আৰু টাই আহোম ছাত্ৰ সন্থাৰ দুৱাৰমৰা আঞ্চলিক সমিতিৰ উদ্যোগত জ্ঞানোদয় হাইস্কুল খেলপথাৰস্থিত ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত অনুষ্ঠানত স্মৃতি তৰ্পণ, নাহৰ পুলি ৰোপণ, নাম-কীৰ্তন, গীত-মাত, নৃত্য আদি পৰিৱেশিত হয়। অনুষ্ঠানত গছ পুলি ৰোপক ৰবীন মৰাণ, বন্তি প্ৰজ্বলক ধ্ৰুৱ সোণোৱাল, মাল্যাৰ্পণৰ দায়িত্বত থকা পুলিন নেওগ আৰু জ্ঞানোদয় মধ্য ইংৰাজী বিদ্যালয়ৰ সহকাৰী শিক্ষক ৰিংকু শইকীয়াই জুবিন গাৰ্গ সন্দৰ্ভত বক্তব্য ৰাখে। ১ নং নলনী গাঁও খেলপথাৰত অনুষ্ঠিত হৈ থকা ডিব্ৰু ভেলী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাস্থলিত ৰাজহুৱা স্মৃতি তৰ্পণ আৰু প্ৰায় ডেৰ কিলোমিটাৰজোৰা আলোকযাত্ৰা সম্পন্ন কৰে। উক্ত অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰি মৰাণ সাহিত্য সভাৰ সভাপতি ৰবীন মৰাণে বক্তব্য প্ৰদান কৰে। ব্ৰহ্মাজান চ্যুকাফা ক্ষেত্ৰত জুবিন অনুৰাগী মঞ্চৰ উদ্যোগত অনুষ্ঠিত জুবিন দিৱসত স্মৃতি তৰ্পণৰ লগতে জুবিন ভিত্তিক কুইজ প্ৰতিযোগিতা আৰু চিনেমা প্ৰদৰ্শন কৰা হয়। ঠিক একেদৰে পেঙেৰী চাৰি আলি পূজা মণ্ডপ আৰু নামঘৰত ৰাজহুৱাভাৱে স্মৃতি তৰ্পণ কৰাৰ উপৰি বৰডুমচাত বিভিন্ন দল-সংগঠনৰ উদ্যোগত ৰাজহুৱাভাৱে বিশাল ৰূপন জুবিন দিৱস পালন কৰা হয়। তদুপৰি ক্ষুদ্ৰ ক্ষুদ্ৰভাৱে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত আৰু আলিয়ে-গলিয়ে জুবিন দিৱস পালন কৰা হয়।

জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জনাই পাঁচ শতাধিক শিল্পীৰ “মায়াবিনী” পৰিৱেশন

বৰপেটাৰোডত শ্ৰদ্ধা আৰু আৱেগেৰে প্ৰথম জুবিন দিৱস পালন

অসম বাৰ্তা, বৰপেটাৰোড, ২০ ছেপ্টেম্বৰ ঃ অসমৰ প্ৰাণৰ শিল্পী, হাৰ্টথ্ৰ'ৰ জুবিন গাৰ্গৰ মহাপ্ৰয়াণৰ দিনটোত আজি সমগ্ৰ ৰাজ্যৰ লগতে বৰপেটাৰোডতো সৰ্বাত্মক ৰূপত পালন কৰা হয় ‘জুবিন দিৱস’। “প্ৰাণৰ শিল্পী হাৰ্টথ্ৰ'ৰ জুবিন বিহীন এটা বছৰ” শীৰ্ষক এই দিনটোত বৰপেটাৰোডৰ আকাশ-বতাহ শিল্পীগৰাকীৰ কালজয়ী গীতৰ সুৰেৰে মুখৰিত হৈ পৰে। বিভিন্ন দল-সংগঠন, শিক্ষানুষ্ঠান আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহে স্বতঃস্ফূৰ্তভাৱে এই দিনজোৰা কাৰ্যসূচীত অংশগ্ৰহণ কৰে। দিনটোৰ মূল আকৰ্ষণসমূহ: আঞ্চলিক ছাত্ৰ সন্থাৰ শ্ৰদ্ধাঞ্জলি: বৰপেটাৰোড আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত শ্বহীদ বেদীৰ বাকৰিত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। বৰপেটা জিলা ছাত্ৰ সন্থাৰ সভাপতি অৰ্ণৱ জ্যোতি শৰ্মাই শিল্পীগৰাকীৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। পাচ শতাধিক শিল্পীৰ কণ্ঠত “মায়াবিনী” ঃ স্থানীয় শিল্পী আৰু বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীকে ধৰি প্ৰায় পাঁচ শতাধিক শিল্পীয়ে জুবিন গাৰ্গৰ অমৰ সৃষ্টি “মায়াবিনী” গীতটো সমবেতভাৱে পৰিৱেশন কৰি ঈশ্বৰপুত্ৰগৰাকীলৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰে। ব্যৱসায়ী সন্থা আৰু পৌৰসভাৰ বৃহৎ বৰপেটাৰোড ব্যৱসায়ী সন্থাৰ উদ্যোগত আয়োজিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত সন্থাৰ সভাপতি ধীৰাজ দেউৰীয়ে বন্তি প্ৰজ্বলন কৰে। ইফালে, বৰপেটাৰোড পৌৰসভাৰ উদ্যোগত বিষুং জ্যোতি সৰোবৰত অনুষ্ঠিত কাৰ্যসূচীত পৌৰপতি ৰাজেশ সৰকাৰে বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধা জ্ঞাপন কৰে। বিজেপি নগৰ মণ্ডলৰ কাৰ্যালয়ত ১ হাজাৰ বন্তি প্ৰজ্বলন কৰি শিল্পীগৰাকীক স্মৰণ কৰা হয়। নগৰ মণ্ডলৰ সভাপতি পৰমানন্দ ৰয়ে এই বন্তি প্ৰজ্বলন কাৰ্যসূচীক শুভাৰম্ভ কৰে। বৰপেটাৰোড আঞ্চলিক প্ৰতিবন্ধী সন্থা, চি আৰ ইউ (CRU) আৰু মাৰোৱাৰী মহিলা সন্মিলন শাখাৰ উদ্যোগতো দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে জুবিন দিৱস পালন কৰা হয়। জুবিন গাৰ্গ যে কেৱল এজন জনপ্ৰিয় শিল্পীয়েই নহয়, তেওঁ অসমীয়া সমাজ-জীৱন আৰু আৱেগৰ এক অবিচ্ছেদ্য অংগ, বৰপেটাৰোডবাসীৰ এই স্বতঃস্ফূৰ্ত আৰু ব্যাপক অংশগ্ৰহণে আজি ইয়াক পুনৰবাৰ প্ৰমাণ কৰিলে।

জাতি-ধৰ্মৰ ঊৰ্ধ্বত জুবিন; বৰপেটাত বিভিন্ন প্ৰান্তত প্ৰথম মৃত্যু বাৰ্ষিকীত শ্ৰদ্ধাঞ্জলি

অসম বাৰ্তা, কুমুল্লী পাৰা, ২০ ছেপ্টেম্বৰ ঃ জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো শ্ৰেণীৰ মানুহৰ হৃদয়ত গভীৰভাৱে স্থান লাভ কৰা অসমৰ জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ প্ৰথম মৃত্যু বাৰ্ষিকী আজি বৰপেটা জিলাৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা আৰু আবেগেৰে পালন কৰা পৰিলক্ষিত হয়। জিলাখনৰ বিভিন্ন স্থানত অনুৰাগী, সাংস্কৃতিক কৰ্মী, যুৱ সমাজ তথা সাধাৰণ ৰাইজে প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বহু ঠাইত জুবিনৰ জনপ্ৰিয় গীত পৰিৱেশন, স্মৃতিচাৰণ আৰু প্ৰাৰ্থনাৰ জৰিয়তে শিল্পীগৰাকীক স্মৰণ কৰা হয়। উল্লেখযোগ্য যে ২০২৫ চনৰ ১৯ ছেপ্টেম্বৰত ছিংগাপুৰত জুবিন গাৰ্গৰ মৃত্যু হৈছিল। এবছৰ সম্পূৰ্ণ হোৱাৰ পাছতো তেওঁৰ গীত, সৃষ্টিশীলতা আৰু সাংস্কৃতিক অৱদান অসমৰ জনমানসত সমানেই সজীৱ হৈ আছে। তেওঁৰ প্ৰথম মৃত্যু বাৰ্ষিকী উপলক্ষে সমগ্ৰ অসমতে বিভিন্ন ধৰণৰ স্মৃতিচাৰণ আৰু সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হৈছে। বৰপেটাৰ বিভিন্ন প্ৰান্তত দেখা পোৱা এই স্বতঃস্ফূৰ্ত শ্ৰদ্ধাঞ্জলিয়ে পুনৰ প্ৰতীয়মান কৰিলে- জুবিন কেৱল এগৰাকী শিল্পী নাছিল; তেওঁৰ সৃষ্টিৰ মাজেৰে তেওঁ সমাজৰ বিভিন্ন স্তৰৰ মানুহক এক সাংস্কৃতিক অনুভূতিৰ সূতাৰে সংযুক্ত কৰি থৈ গৈছে।

ছেমি ফাইনেলত প্ৰৱেশ টঙনা টাউন ক্লাৱ আৰু খামান পথাৰ এফ চি দল

অসম বাৰ্তা বিশেষ, পেঙেৰী, ২০ ছেপ্টেম্বৰ ঃ তিনিচুকীয়া জিলাৰ পেঙেৰীৰ ১ নং নলনী গাঁও ৰাজহুৱা খেলপথাৰত ১ নং নলনী নৱজ্যোতি যুৱক সংঘৰ উদ্যোগত ৬ ছেপ্টেম্বৰ পৰা অনুষ্ঠিত হৈ থকা ‘ডিব্ৰু-ভেলী কাপ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা'ৰ আজি দুখনকৈ কোৱাৰ্টাৰ ফাইনেল খেল অনুষ্ঠিত হয়। প্ৰথমখন কোৱাৰ্টাৰ ফাইনেল খেল অনুষ্ঠিত হয় টঙনা টাউন ক্লাৱ আৰু পেঙেৰী এফ চিৰ মাজত। টঙনা টাউন ক্লাৱে ৪-১ গ'লৰ ব্যৱধানৰ বৃহৎ জয়ৰে ছেমি ফাইনেলত প্ৰৱেশ কৰে। দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেল খেল অনুষ্ঠিত হয় লিটল ষ্টাৰ এফ চি, ফিল'বাৰী আৰু খামান পথাৰ এফ চিৰ মাজত। তীব্ৰ উত্তেজনাপূৰ্ণ খেলখন অমিমাংসীত ভাৱে সমাপন হোৱাত প্ৰথমে পেনাল্টি কিক আৰু তাৰ পাছত ‘চাডেন ডেথ'ৰ জৰিয়তে ৪-৩ গ'লৰ ব্যৱধানত খামান পথাৰ এফ চি জয়ী হৈ ছেমি ফাইনেলত প্ৰৱেশ কৰে। কাইলৈ শিৱসাগৰৰ স'তে ডিগবৈ আৰু বিজুলীবনৰ স'তে বালিজান ফুটবল দল মুখামুখি হ'ব।

নামপুঙত সন্দেহযুক্ত আলফা স্বাধীন সদস্যৰ আত্মসমৰ্পণ



অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ২০ ছেপ্টেম্বৰ ঃ চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ চাংলাং জিলাৰ নামপুঙৰ পাংছাউত শুকুৰবাৰে নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠন আলফা স্বাধীনৰ সৈতে জড়িত বুলি সন্দেহযুক্ত এজন ২৩ বছৰীয়া যুৱকে ২১ আছাম ৰাইফলছৰ ওচৰত আত্মসমৰ্পণ কৰে। যুৱকজন অসমৰ বাক্সা জিলাৰ সিমলা থানাৰ অন্তৰ্গত সিমলা গাঁৱৰ বাসিন্দা প্ৰসন্ন শৰণীয়াৰ পুত্ৰ দিলীপ অসম ওৰফে কমল শৰণীয়া বুলি চিনাক্ত কৰা হৈছে। বিদ্ৰোহী কাৰ্যকলাপৰ সৈতে জড়িত অঞ্চলটোত অব্যাহত থকা নিৰাপত্তা ব্যৱস্থাৰ মাজতে এই আত্মসমৰ্পণে বিশেষ তাৎপৰ্য বহন কৰিছে। এই ঘটনাই আলফা স্বাধীন সংগঠনত আন এক আঘাত সনা বুলিব পাৰি। ঘটনাক লৈ সংগঠনটোৱে কি প্ৰতিক্ৰিয়া প্ৰকাশ কৰে সেয়া লক্ষণীয় হ'ব।

লাহৰীঘাটৰ কুশতলিত পুখুৰীত পৰি এটি কিশোৰৰ সলিল সমাধি

অসম বাৰ্তা, ভূৰাগাঁও, ২০ ছেপ্টেম্বৰ ঃ মৰিগাঁও জিলাৰ লাহৰীঘাটৰ কুশতলিত আজি দুপৰীয়া এটি কিশোৰে সমনীয়াৰ সৈতে গা ধুই সন্ধানহীন হোৱাৰ পাছত মৃত অৱস্থাত উদ্ধাৰ হোৱা ঘটনাই সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পেলাইছে। ঘটনাৰ সন্দৰ্ভত জানিব পৰা মতে, কুশতলি গাঁৱৰ ৰাকেশ বৰদলৈৰ ১৩ বছৰীয়া পুত্ৰ অভিনৱ বৰদলৈয়ে সমনীয়াৰ সৈতে খেলি দুপৰীয়া ভাগত স্থানীয় দ পুখুৰী এটাত গা ধুই আছিল। পুখুৰীত সমনীয়াৰ সৈতে গা ধুই থকাৰ অৱস্থাত কিশোৰ টি সন্ধানহীন হৈ পৰে। পাছত স্থানীয় লোকে পুখুৰীটোত কিশোৰ টিক বিচাৰি অভিযান চলাই যদিও পোৱা নাছিল। অৱশেষত ঘটনাস্থলীত উপস্থিত হোৱা এছ ডি আৰ এফৰ বাহিনীয়ে অভিযান চলাই আবেলি কিশোৰটিক মৃত অৱস্থাত উদ্ধাৰ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে মৃত কিশোৰটি কুশতলি শংকৰদেৱ শিশু নিকেতনৰ অষ্টম মানৰ ছাত্ৰ আছিল। ইফালে উদ্ধাৰ হোৱা মৃতদেহটি মৰণোত্তৰ পৰীক্ষাৰ বাবে আৰক্ষীয়ে মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

মনিকাঞ্চন দিহা নাম দলৰ নাম পৰিৱেশন; জুবিন গাৰ্গৰ সোঁৱৰণত ৰচিত দিহা নাম পৰিৱেশন

জাঁজী হাঁহচৰাত বৃহত্তৰ হাঁহচৰা যুৱ সমাজৰ উদ্যোগত জুবিন দিৱস পালন



অসম বাৰ্তা, চেলেংহাট, ২০ ছেপ্টেম্বৰ ঃ অসমীয়াৰ হিয়াৰ আমঠু, নৱ প্ৰজন্মৰ হাৰ্ট থ্ৰ'ৰ, ঈশ্বৰ পুত্ৰৰ প্ৰথম মৃত্যু বাৰ্ষিকী আজি সমগ্ৰ ৰাজ্যৰ লগতে যোৰহাট জিলাৰ জাঁজী হাঁহচৰাতো জুবিন দিৱস হিচাপে পালন কৰা হয়। জাঁজী হাঁহচৰাৰ সামাজিক সংগঠন বৃহত্তৰ হাঁহচৰা যুৱ সমাজৰ উদ্যোগত, স্থানীয় ৰাইজৰ সহযোগত আজি সন্ধিয়া হাঁহচৰা চাৰিআলিত আয়োজিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অমৰ শিল্পী গৰাকীক অজস্ৰ জনে অশ্ৰুসিক্ত নয়নেৰে শ্ৰদ্ধাঞ্জলি জনায়। বৃহত্তৰ হাঁহচৰা যুৱ সমাজৰ সভাপতি, সংবাদকৰ্মী ধ্ৰুৱজ্যোতি ভট্টাচাৰ্যই আঁত ধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে হাঁহচৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী শিক্ষক ৰমেশ গগৈয়ে। ইয়াৰ পিছতে হাঁহচৰা মণিকাঞ্চন দিহা নামৰ দলে মহান শিল্পী গৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই দিহা নাম পৰিৱেশন কৰে। দিহা নামৰ দলটিয়ে জুবিন গাৰ্গৰ সোঁৱৰণত সংবাদকৰ্মী, সাংস্কৃতিক কৰ্মী মদনমোহণ পাগবন্ধাই ৰচনা কৰা এটা সুন্দৰ দিহা নামেৰে নামৰ আৰম্ভণি কৰে। মুকলি আকাশৰ তলত অনুষ্ঠিত এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বৃহত্তৰ হাঁহচৰা যুৱ সমাজৰ জ্যেষ্ঠ সদস্য বসন্ত বৰুৱা, অমৰ বৰুৱা, সম্পাদকদ্বয় মুকুল গগৈ, ভাস্কৰ বৰুৱা, সহ সম্পাদক আকাশ বৰুৱা প্ৰমুখ্যে সমূহ সদস্য আৰু স্থানীয় ৰাইজ তথা ব্যৱসায়ী সকলে সহযোগ কৰে।

নগাঁও উপনিৰ্বাচন ঃ ষ্ট্ৰং ৰোম পৰিদৰ্শন জিলা আয়ুক্তৰ

অসম বাৰ্তা, বঢ়মপুৰ, ২০ ছেপ্টেম্বৰ ঃ নগাঁও লোকসভা সমষ্টিৰ উপনিৰ্বাচন মুক্ত, নিকা, স্বচ্ছ আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ লক্ষ্যৰে প্ৰস্তুতি তুংগত কৰিছে নগাঁও জিলা প্ৰশাসনে। আজি জিলা নিৰ্বাচনী বিষয়া তথা জিলা আয়ুক্ত আৰণ্যক শইকীয়াই নগাঁও চহৰৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয় আৰু ডচন উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয় পৰিদৰ্শন কৰি নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লয়। উল্লেখ্য যে, এই দুয়োখন শিক্ষানুষ্ঠানতে উপনিৰ্বাচনৰ বাবে ষ্ট্ৰং ৰোম তথা গণনা কেন্দ্ৰ স্থাপন কৰা হৈছে। পৰিদৰ্শনকালত জিলা আয়ুক্তগৰাকীয়ে ষ্ট্ৰং ৰোমৰ সুৰক্ষা ব্যৱস্থা, ইভিএম সংৰক্ষণ, নিৰ্বাচনী সামগ্ৰী বিতৰণ আৰু জমা কেন্দ্ৰৰ প্ৰস্তুতি পৰ্যালোচনা কৰে। নিৰ্বাচনী কৰ্মীসকলৰ বাবে খোৱাপানী, পোহৰ, শৌচাগাৰ আৰু জৰুৰী চিকিৎসাকে ধৰি প্ৰয়োজনীয় সা-সুবিধাসমূহ নিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে জিলা আয়ুক্তগৰাকীয়ে। পৰিদৰ্শনকালত অতিৰিক্ত জিলা আয়ুক্ত পল্লৱী গগৈসহ নিৰ্বাচনী প্ৰস্তুতিৰ সৈতে জড়িত বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। অহা ৫ অক্টোবৰত এই দুয়োটা ষ্ট্ৰং ৰোমৰ পৰাই ইভিএম লৈ ভোটগ্ৰহণকাৰী দলসমূহ নিজ নিজ ভোটকেন্দ্ৰলৈ ৰাওনা হ'ব আৰু ভোটগ্ৰহণৰ পিছদিনা ইয়াতেই ইভিএমসমূহ জমা দিয়া হ'ব।

‘উন্নয়ন আৰু ৰূপান্তৰৰ বাবে ক্ষেত্ৰভিত্তিক বিত্তনীতিৰ প্ৰয়োজন’

আৰু ৰপ্তানি সম্ভাৱনাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। এই সন্মিলনত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ লগতে কেইবাখনো ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু বিত্তমন্ত্ৰীয়ে উপস্থিত থাকে। মন্ত্ৰী মল্লবৰুৱাই কয় যে উন্নয়ন আৰু ৰূপান্তৰৰ বাবে ক্ষেত্ৰভিত্তিক বিত্তনীতিৰ প্ৰয়োজন আছে। অসমৰ কৃষি খণ্ডৰ বিশেষ সম্ভাৱনীয়তা আৰু ভৌগোলিক বৈশিষ্ট্যৰ সৈতে সংগতি ৰাখি বিত্তীয় নীতি প্ৰস্তুত কৰাৰ সময় আহি পৰিছে। তেওঁ বিশেষকৈ কৃষিৰ ব্যৱসায়ভিত্তিক দৃষ্টিভংগী, ঋণৰ সুবিধা আৰু বজাৰৰ সঠিক মূল্য নিয়ন্ত্ৰণৰ জৰিয়তে কৃষকৰ আয় বৃদ্ধিৰ ওপৰত গুৰুত্ব দিয়ে। তেওঁ উল্লেখ কৰে যে ভাৰতৰ প্ৰায় ৪০-৪৬ শতাংশ লোক কৃষি আৰু সংশ্লিষ্ট কাম-কাজত নিয়োজিত; আনহাতে এই খণ্ডই দেশৰ জিডিপিত প্ৰায় ১৮ শতাংশ অৱদান যোগায়। সেয়ে উৎপাদনশীলতা, মূল্য সংযোজন, বজাৰত প্ৰৱেশ আৰু কৃষিৰ আয় শক্তিশালী কৰাটো অত্যন্ত প্ৰয়োজনীয়। মন্ত্ৰীগৰাকীয়ে উদ্বেগ প্ৰকাশ কৰি কয় যে বিভিন্ন ৰাজ্যৰ শস্য উৎপাদন পদ্ধতি পৃথক আৰু কিছুমান ৰাজ্য অৰ্থনৈতিক তথা ভৌগোলিক কাৰণত পৰ্যাপ্ত বিত্তীয় সহায়ৰ পৰা বঞ্চিত হৈ থাকে। একে ধৰণৰ আৰ্থিক আৰু কৃষি কাঠামোৱে সকলো ৰাজ্যৰ নিৰ্দিষ্ট প্ৰয়োজন সদায় পূৰণ নহয়। সেয়ে সহায়ৰ ব্যৱস্থা প্ৰস্তুত কৰোঁতে আঞ্চলিক উৎপাদন ধৰণ আৰু স্থানীয় বাস্তৱতা বিবেচনা কৰাটো আৱশ্যক। মন্ত্ৰী মল্লবৰুৱাই উৎপাদনৰ পৰা আৰম্ভ কৰি প্ৰাথমিক প্ৰক্ৰিয়াকৰণ, সংৰক্ষণ, বিপণন আৰু ৰপ্তানিলৈকে সম্পূৰ্ণ কৃষি মূল্য শৃংখলৰ ওপৰত অধিক গুৰুত্ব দিবলৈ আহ্বান জনায়। তেওঁৰ মতে, ইয়াৰ দ্বাৰাহে কৃষকসকলে উন্নত আৰু অধিক ভৱিষ্যদ্বাণীযোগ্য লাভ নিশ্চিত কৰিব পাৰিব। স্থানীয় প্ৰক্ৰিয়াকৰণৰ জৰিয়তে কৃষকৰ উপাৰ্জন বৃদ্ধি কৰাটোও বিশেষভাৱে গুৰুত্বপূৰ্ণ। শস্য চপোৱাৰ দুইৰ পৰা পাঁচ দিনৰ ভিতৰত বেয়া হ'ব পৰা সামগ্ৰীৰ বাবে স্থানীয় প্ৰক্ৰিয়াকৰণৰ সুবিধা নথকা হ'লে কৃষকৰ লোকচান বাঢ়ে। সেয়ে শীতলীকৰণ, গুদাম, পৰিবহণ আৰু বিপণন আন্তঃগাঁথনি গঢ়ি তোলাটো অপৰিহাৰ্য। কৃষি ঋণৰ ক্ষেত্ৰত থকা বৈষম্যৰ কথাও তেওঁ উত্থাপন কৰে। উত্তৰ-পূৰ্বাঞ্চলৰ বাবে অধিক সৰ্বাংগীণ বিত্তীয় পন্থা গ্ৰহণ কৰিবলৈ তেওঁ কেন্দ্ৰৰ আগত আহ্বান জনায়। পট্টাধাৰী কৃষক, চৰকাৰী ভূমিৰ খেতিয়ক, বন অধিকাৰ আইনৰ হিতাধিকাৰী আৰু ক্ষুদ্ৰ চাহ খেতিয়কসকলে ভূমিৰ পট্টা সম্পৰ্কীয় বাধাৰ বাবে প্ৰতিষ্ঠানিক ঋণ লাভত সন্মুখীন হোৱা অসুবিধাৰ কথা তেওঁ উল্লেখ কৰে। তেওঁ কয় যে অসমত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত কৃষক আইডি বিতৰণ আৰম্ভ হোৱাৰ ফলত পট্টাধাৰী কৃষক তথা অন্যান্য খেতিয়কসকলৰ বাবে অধিক লক্ষ্যভিত্তিক প্ৰতিষ্ঠানিক সহায়ৰ পথ মুকলি হ'ব। সাঁচি তথা আগৰ খেতিৰ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে কয় যে অসমৰ আগৰ খেতিৰ পৰা কৃষকসকলে যথেষ্ট লাভৱান হোৱাৰ প্ৰচুৰ সম্ভাৱনা আছে। সুশৃংখল নিয়ন্ত্ৰণমূলক নিষ্পত্তি, গুণগত পৰীক্ষণৰ সুবিধা, স্থানীয় প্ৰক্ৰিয়াকৰণ আন্তঃগাঁথনি আৰু শক্তিশালী ৰপ্তানি ব্যৱস্থাৰ জৰিয়তে আগৰ কাঠৰ এক উপযুক্ত মূল্য শৃংখল গঢ়ি তুলিব লাগিব। তেওঁ লগতে কয় যে অসমৰ পাহাৰীয়া অঞ্চলৰ বিশেষ গুণসম্পন্ন আদা আৰু হালধি ৰপ্তানিতো বিশেষ বজাৰ দখলৰ সম্ভাৱনা আছে। ইয়াৰ বাবে বিশেষ ৰপ্তানি সংযোগ আৰু পৰিকাঠামোৰ আৱশ্যকতা আছে। কাজি নেমু, ভোট জলকীয়া আৰু বিভিন্ন প্ৰকাৰৰ চাউলেও কৃষকসকলক যথেষ্ট লাভান্বিত কৰিব পাৰে আৰু বজাৰত নতুন সুযোগ সৃষ্টি কৰিব পাৰে। সন্মিলনত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই অসমৰ সামগ্ৰিক অৰ্থব্যৱস্থা, উন্নয়ন পৰিকল্পনা আৰু বিত্তীয় কাঠামোৰ প্ৰয়োজনীয়তাৰ ওপৰতো আলোকপাত কৰে।

চাপৰত ৩২০০ মেগাৱাটৰ আদানী

পৰ্যায়ক্ৰমে উৎপাদন আৰম্ভ কৰিব বুলি বিবৃতিত উল্লেখ কৰা হৈছে। বিবৃতিত লগতে কোৱা হৈছে যে বিভিন্ন খণ্ডত ৰাজ্যত বিনিয়োগ ৮০ হাজাৰ কোটি টকা অতিক্ৰম কৰিব। ইতিমধ্যে প্ৰকল্পসমূহ প্ৰতিশ্ৰুতিৰ পৰা কাৰ্যকৰীকৰণলৈ আগবাঢ়িছে আৰু আগন্তুক তিনি-চাৰি বছৰত সমগ্ৰ অসমতে চাকৰি, আন্তঃগাঁথনি আৰু নতুন অৰ্থনৈতিক সুযোগ সৃষ্টি হ'ব। এই তাপ বিদ্যুৎ প্ৰকল্পই স্থানীয় ঠিকাদাৰ, যোগানকাৰী, পৰিবহণ অপাৰেটৰ আৰু সেৱা প্ৰদানকাৰীসকলৰ বাবেও বহু সুযোগ কঢ়িয়াই আনিব। ইয়াৰ ফলত তেওঁলোকে অসমত আদানী গোটৰ সম্প্ৰসাৰিত ব্যৱসায়িক পৰিৱেশ তন্ত্ৰৰ সৈতে সমান্তৰালভাৱে অংশগ্ৰহণ কৰি লাভৱান হ'ব পাৰিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে অসমে অঞ্চলটোৰ শক্তি কেন্দ্ৰ হিচাপে দ্ৰুতগতিত আগবাঢ়িছে আৰু ৰাজ্যত কেইবাটাও মেগা শক্তি প্ৰকল্পৰ কাম চলি আছে। তেওঁ মন্তব্য কৰে, "এডভান্টেজ আছাম ইনভেষ্টৰ ছামিট ২.০ৰ জৰিয়তে সৃষ্টি হোৱা আত্মবিশ্বাসৰ গৌৰৱময় পৰিণতি হ'ল ৩২০০ মেগাৱাটৰ চাপৰ প্ৰকল্প। প্ৰায় ৪৮ হাজাৰ কোটি টকাৰ বিনিয়োগেৰে এই প্ৰকল্প অসমত এতিয়ালৈকে কৰা একক বিনিয়োগৰ ভিতৰত অন্যতম হ'ব।" তেওঁ লগতে কয় যে আদানী গোটে অসমৰ শক্তি খণ্ডত এতিয়ালৈকে কৰা আটাইতকৈ বৃহৎ ব্যক্তিগত খণ্ডৰ বিনিয়োগ কৰিছে, যাৰ ফলত ৰাজ্য শক্তি-বহুল হোৱাৰ পথত আগবাঢ়িছে। মুখ্যমন্ত্ৰীয়ে আৰু কয়, "ব্যাপক নিয়োগৰ সুযোগ প্ৰদানৰ উপৰিও ৰাজ্যখনে অৰ্থনৈতিক কাৰ্যকলাপ আৰু এছজিএছটিৰ ৰাজহ বৃদ্ধিৰ জৰিয়তেও লাভৱান হ'ব। স্থানীয় উদ্যোগ আৰু উদ্যোগীসকলে উদীয়মান পৰিৱেশ তন্ত্ৰত অংশগ্ৰহণৰ সুযোগ লাভ কৰিব।" আদানী গোটৰ সঞ্চালক জীত আদানীয়ে কয় যে এই দিনটো অসমৰ বাবে এক গুৰুত্বপূৰ্ণ নতুন অধ্যায়ৰ আৰম্ভণি। তেওঁ কয়, "আদানী পাৱাৰে এই ৩২০০ মেগাৱাট তাপ শক্তি প্ৰকল্পত ৪৮, ০০০ কোটি টকা বিনিয়োগ কৰিব। ইয়াৰ ফলত ঘৰ, ব্যৱসায় আৰু উদ্যোগক সহায় কৰিব পৰাকৈ নিৰ্ভৰযোগ্য আৰু সুলভ মূল্যৰ বিদ্যুৎ যোগান ধৰা সম্ভৱ হ'ব। এই প্ৰকল্পৰ জৰিয়তে স্থানীয় ঠিকাদাৰ, যোগানকাৰী আৰু ব্যৱসায়ীসকলৰ বাবে চাকৰিৰ সৃষ্টি হোৱাৰ লগতে নতুন সুযোগ মুকলি হ'ব। অসমত বিনিয়োগ কৰি আমি গৌৰৱান্বিত আৰু ৰাজ্যৰ অৰ্থনৈতিক বিকাশৰ অংশ হ'ব বিচাৰোঁ।" তেওঁ অসমৰ অনন্য ভূগোলৰ কথাও উল্লেখ কৰি কয় যে এই ভূগোলে ৰাজ্যখনক ভাৰতৰ বাবে এক 'বেটাৰী' হিচাপে গঢ়ি তুলিব পাৰে আৰু ভৱিষ্যতৰ বৃদ্ধিত শক্তি যোগান ধৰিব পাৰে। চাপৰৰ এই উদ্যোগটোত ৮০০ মেগাৱাটৰ চাৰিটা ইউনিট থাকিব। ইয়াত অত্যাধুনিক আল্ট্ৰা-ছুপাৰক্ৰিটিকেল প্ৰযুক্তি ব্যৱহাৰ কৰা হ'ব, য'ত উচ্চ কাৰ্যক্ষমতা আৰু আধুনিক পৰিৱেশ সুৰক্ষাৰ ব্যৱস্থা থাকিব। কাৰ্যক্ষম হোৱাৰ পিছত এই প্ৰকল্পই অসমৰ ঘৰুৱা, বাণিজ্যিক আৰু উদ্যোগিক প্ৰয়োজনীয়তাৰ বাবে নিৰ্ভৰযোগ্য আৰু সুলভ শক্তি প্ৰদান কৰিব আৰু ৰাজ্যৰ শক্তি আন্তঃগাঁথনি শক্তিশালী কৰিব। আদানী গোটৰ ৬৩, ০০০ কোটি টকাৰ বিদ্যুৎ বিনিয়োগৰ ভিতৰত চাপৰ প্লাণ্টৰ বাবে প্ৰায় ৪৮,০০০ কোটি টকা আৰু আদানী গ্ৰীণ এনাৰ্জি লিমিটেড (এজিইএল)ৰ জৰিয়তে ২, ৭০০ মেগাৱাট সংযুক্ত ক্ষমতাসম্পন্ন দুটা পাম্পড ষ্ট'ৰেজ প্লাণ্ট (পিএছপি)ৰ বাবে প্ৰায় ১৫, ০০০ কোটি টকা ধাৰ্য কৰা হৈছে। আদানী এনাৰ্জি ছলিউচন লিমিটেডে অসমত স্মাৰ্ট মিটাৰিং প্ৰকল্প ৰূপায়ণ কৰি ৰাজ্যৰ শক্তি বিতৰণ আন্তঃগাঁথনি আধুনিকীকৰণত সহায় কৰি আছে। বিবৃতিত জনোৱা মতে, আদানী গোটে অসমত বিমান পৰিবহণ আৰু চিমেণ্ট খণ্ডতো যথেষ্ট বিনিয়োগৰ প্ৰতিশ্ৰুতি দিছে। ইয়াৰ ভিতৰত গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ টাৰ্মিনেল ২ অন্যতম, যিটো চলিত বৰ্ষৰ ২২ ফেব্ৰুৱাৰীৰ পৰা কাৰ্যক্ষম হৈ ৰাজ্যৰ সংযোগ আৰু উদ্যোগিক ভিত্তি শক্তিশালী কৰি তুলিছে। মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমতো এই প্ৰকল্পক লৈ উৎসাহ প্ৰকাশ কৰি কয় যে অসমৰ শক্তিৰ চাহিদা এতিয়া প্ৰায় ৪, ৫০০ মেগাৱাটৰ ওচৰ চাপিছে। ৰাজ্য চৰকাৰে নৱীকৰণযোগ্য শক্তি আৰু শক্তি সঞ্চয়ৰ জৰিয়তে অসমক শক্তি-বহুল ৰাজ্য কৰি তোলাৰ লক্ষ্য লৈছে। তেওঁ কয়, "শক্তি খণ্ডত ১ লাখ কোটি টকাতকৈ অধিক বিনিয়োগৰ প্ৰস্তাৱ আগবাঢ়িছে, যিয়ে আমাৰ নীতি আৰু ব্যৱসায় কৰাৰ সহজতাৰ প্ৰতি বিনিয়োগকাৰীৰ আস্থা প্ৰকাশ কৰে। আমি উদ্যোগ গঢ়িম, আৰু সেই উদ্যোগক শক্তি যোগান ধৰিম।" আদানী গ্ৰুপৰ আৰ্থ-সামাজিক আৰু উন্নয়নমূলক শাখা আদানী ফাউণ্ডেচনে উচ্চ অসমৰ শিৱসাগৰ আৰু ধেমাজি জিলাৰ ৮ হাজাৰৰো অধিক বানপীড়িত পৰিয়ালক খাদ্য, ঔষধ, অনাময় আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ সামগ্ৰী যোগান ধৰিছে। ইয়াৰ উপৰি গুৱাহাটীৰ আশে-পাশে কামৰূপ গ্ৰাম্য জিলাৰ ১৯খন গাঁও সামৰি শিক্ষা, স্বাস্থ্যসেৱা, জীৱিকা, সামূহিক আন্তঃগাঁথনি আৰু জলবায়ু কাৰ্যৰ জৰিয়তে ফাউণ্ডেশ্যনৰ উন্নয়নমূলক কাম-কাজ চলি আছে। ইয়াৰ পূৰ্বে ২০২৫ চনৰ অক্টোবৰ মাহত আদানী পাৱাৰে প্ৰতিযোগিতামূলক নিবিদা প্ৰক্ৰিয়াৰ জৰিয়তে ৩২০০ মেগাৱাট শক্তি কেন্দ্ৰটো স্থাপনৰ বাবে সফল নিবিদাকাৰী হিচাপে আত্মপ্ৰকাশ কৰিছিল। পৰৱৰ্তী সময়ত ২০২৫ চনৰ নৱেম্বৰ মাহত অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ পৰা এই প্ৰকল্পৰ বাবে বঁটা লাভ কৰিছিল। চাপৰৰ এই মেগা প্ৰকল্পই অসমৰ শক্তি সুৰক্ষা, উদ্যোগিক বিকাশ আৰু ৰোজগাৰ সৃষ্টিত দীৰ্ঘম্যাদী প্ৰভাৱ পেলাব বুলি ৰাজ্য চৰকাৰ আৰু উদ্যোগ জগতৰ প্ৰতিনিধিসকলে আশা প্ৰকাশ কৰিছে।

ৰাজ্যজুৰি ৰাণা দাৰ ৮৩

তেওঁৰ কণ্ঠ, সুৰ আৰু সৃষ্টিয়ে অসমীয়া সংস্কৃতিৰ আকাশত চিৰকাল জিলিকি থাকিব। জয়ন্ত হাজৰিকাই 'মোৰ মিনতি', 'কৃষ্ণচূড়া কৃষ্ণচূড়া', 'সোণাৰ বৰণ পাখীৰে তোৰ', 'জীৱনটো যদি অভিনয় হয়' আদি বহু গীতত সুৰ আৰু কণ্ঠদান কৰি অসমীয়া সংগীতক সমৃদ্ধ কৰি থৈ গৈছে। তেওঁৰ গীত আজিও নতুন প্ৰজন্মৰ শ্ৰোতাৰ হৃদয়ত সমানেই জনপ্ৰিয়। জন্মজয়ন্তী উপলক্ষে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি পুৱাই সামাজিক মাধ্যমত শ্ৰদ্ধাঞ্জলি জনায়। তেওঁ কয় যে জয়ন্ত হাজৰিকা অসমীয়া সংগীত জগতৰ এক উজ্জ্বল নক্ষত্ৰ আছিল। তেখেতৰ মায়াময় কণ্ঠ, হৃদয়স্পৰ্শী গীত আৰু অনন্য সৃষ্টিৰাজিয়ে অসমীয়া সংগীতক সমৃদ্ধ কৰাৰ লগতে ৰাজ্যৰ সাংস্কৃতিক জীৱনলৈ অমলিন সৌন্দৰ্য কঢ়িয়াই আনিছে। 'ৰাণা দা'ৰ সুৰত নিহিত আৱেগ, ভালপোৱা আৰু অসমীয়াৰ আত্মাৰ স্পন্দন প্ৰজন্মৰ পাছত প্ৰজন্মলৈ চিৰদিন জীৱন্ত হৈ থাকিব। মন্ত্ৰী বিমল বড়ায়েও সামাজিক মাধ্যমত শ্ৰদ্ধাঞ্জলি জনাই কয় যে জয়ন্ত হাজৰিকা অসমৰ সৰ্বকালৰ অন্যতম শ্ৰেষ্ঠ শিল্পী। তেখেতৰ সৃষ্টিয়ে আজিও অসংখ্য লোকৰ হৃদয়ত দোলা দিয়ে। কেৱল গায়ক, সংগীত পৰিচালক আৰু সুৰকাৰ হিচাপেই নহয়, বহু বাদ্যযন্ত্ৰ বাদনৰ কৌশল আয়ত্ত কৰি তেওঁ বহুমুখী প্ৰতিভাৰ পৰিচয় দি গৈছে। ৰাণা দা আমাৰ মাজত নাথাকিলেও আকাশৰ তৰাই তেখেতৰ কথা সোঁৱৰাই দিয়ে। সাংসদ সৌৰৱ গগৈয়েও জয়ন্ত হাজৰিকাক সশ্ৰদ্ধ প্ৰণাম জনাই কয় যে তেওঁ অনন্য গায়ক, সুৰকাৰ, সংগীত পৰিচালক আৰু গীতিকাৰ আছিল। অসমীয়া লোকসংগীতৰ সৈতে হিন্দুস্তানী ধ্ৰুপদী, পাশ্চাত্য ৰক এণ্ড ৰোল, জেজ আৰু পাশ্চাত্য ধ্ৰুপদী সংগীতৰ সৃষ্টিশীল সংমিশ্ৰণে তেখেতৰ সংগীতক স্বকীয় পৰিচয় দিছিল। নতুন প্ৰজন্মৰ বাবে নতুন সুৰ, নতুন ভাষা আৰু নতুন অনুভৱৰ দুৱাৰ মুকলি কৰা জয়ন্ত হাজৰিকাৰ সৃষ্টি সময়ৰ সীমা অতিক্ৰম কৰি আজিও শ্ৰোতাৰ হৃদয় স্পৰ্শ কৰি আছে। জয়ন্ত হাজৰিকাৰ জন্ম ১৯৪৩ চনৰ ২০ ছেপ্তেম্বৰত মঙলদৈত হৈছিল। তেখেতৰ পিতৃ আছিল নীলকান্ত হাজৰিকা আৰু মাতৃ শান্তিপ্ৰিয়া হাজৰিকা। তেখেতৰ জ্যেষ্ঠ ভ্ৰাতৃ আছিল প্ৰখ্যাত শিল্পী ড° ভূপেন হাজৰিকা। সৰুৰে পৰাই সংগীতৰ প্ৰতি গভীৰ ৰাপ থকা জয়ন্ত হাজৰিকাই গুৱাহাটীৰ সোণাৰাম হাইস্কুলত শিক্ষা গ্ৰহণ কৰিছিল। ১৯৬২ চনত প্ৰৱেশিকা পৰীক্ষাত অকৃতকাৰ্য হোৱাৰ পাছত তেওঁ কলিকতালৈ যায় আৰু তাতে এইচ.এম.ভি. কোম্পানীত দুটি গীত বাণীবদ্ধ কৰে। সেই গীত দুটি আছিল ড° নিৰ্মলপ্ৰভা বৰদলৈৰ 'আগলি বতাহে কপালে কলৰে পাত' আৰু মায়াশ্ৰী বৰকটকীৰ 'কৃষ্ণচুড়া কৃষ্ণচূড়া'। এই দুটি গীতেই তেওঁক সুৰকাৰ আৰু গায়ক হিচাপে প্ৰতিষ্ঠা কৰে। ইয়াৰ পৰৱৰ্তী বছৰতে জয়ন্ত হাজৰিকাই ককায়েক ভূপেন হাজৰিকাৰ সংগীত পৰিচালনাত 'মণিৰাম দেৱান' বোলছবিৰ গীতত কণ্ঠদান কৰে। সেই ছবিখনত তেওঁ হিমাংশু বিশ্বাসৰ সৈতে সহকাৰী সংগীত পৰিচালক হিচাপেও কাম কৰিছিল। ইয়াৰ পিছত তেওঁ বহু গীতত সুৰ আৰু কণ্ঠদান কৰাৰ লগতে বোলছবি, মঞ্চনাট আৰু তথ্যচিত্ৰৰ বাবে সংগীত পৰিচালনা কৰে। জয়ন্ত হাজৰিকাই 'লটিঘটি' আৰু 'চিকমিক বিজুলী' নামৰ অসমীয়া কথাছবি দুখনত অভিনয়ও কৰিছিল। জয়ন্ত হাজৰিকাই মাত্ৰ ন বছৰ বয়সতে প্ৰথম গীতত সুৰ দিছিল। সেই গীতটো লিখিছিল তেখেতৰ আন এজন ককায়েক নৃপেন হাজৰিকাই। তেখেতৰ পেছাদাৰী সংগীত জীৱন আৰম্ভ হৈছিল ককায়েক ভূপেন হাজৰিকাৰ লগত বাদ্য সংগত কৰি। ১৯৬২ চনত প্ৰৱেশিকা পৰীক্ষাত অনুত্তীৰ্ণ হৈ তেওঁ অগ্ৰজ প্ৰণৱ বৰাৰ পৰা পঁচিশ টকা লৈ ঘৰৰ পৰা নিৰুদ্দেশ হৈছিল। পুলিচক খবৰ দিয়াৰ লগতে বাতৰি কাকততো এই বিষয়ে বিজ্ঞাপন দিয়া হৈছিল। প্ৰায় এসপ্তাহৰ পাছত গম পোৱা যায় যে তেওঁ গৌৰীপুৰলৈ গৈ প্ৰমথেশ বৰুৱাৰ ঘৰত আশ্ৰয় লৈছিল আৰু তাৰ পাছত ঘৰলৈ উভতি আহিছিল। ১৯৬৯ চনৰ ৪ আগষ্টত জয়ন্ত হাজৰিকাই কলিকতাৰ এটা বঙালী পৰিয়ালৰ জীয়ৰী মনীষা সেনগুপ্তাৰ সৈতে বিবাহপাশত আৱদ্ধ হয়। বিবাহৰ পাছত তেওঁ মনীষা হাজৰিকা হয়। তেওঁলোকৰ একমাত্ৰ সন্তান ময়ুখ হাজৰিকাৰ জন্ম ১৯৭১ চনৰ ১৩ জানুৱাৰীত হৈছিল। জয়ন্ত হাজৰিকা কেৱল গায়ক বা সুৰকাৰেই নাছিল। তেওঁ গীটাৰ, ডুম্‌ৰা, মেণ্ডোলিন, এক'ৰ্ডিয়ান, তবলা, মাউথ অৰ্গেন আদি বহু বাদ্যযন্ত্ৰ বজোৱাত পাৰদৰ্শী আছিল। বাদ্যযন্ত্ৰৰ প্ৰতি থকা আগ্ৰহৰ বাবে তেওঁ দেশ-বিদেশৰ নানা বাদ্যযন্ত্ৰ সংগ্ৰহো কৰিছিল। একেসময়তে দুটা অক্টেভত হাৰ্মোনিয়াম বজাব পৰা মুষ্টিমেয় সংগীতজ্ঞৰ ভিতৰত তেওঁ অন্যতম আছিল। অসমৰ এগৰাকী গায়ক, সুৰকাৰ, সংগীত পৰিচালক আৰু গীতিকাৰ জয়ন্ত হাজৰিকাই মাত্ৰ ৩৪ বছৰীয়া চুটি জীৱনকালত অসংখ্য গীত সৃষ্টি কৰি গৈছে। তেখেতৰ সংগীতত অসমীয়া লোকসংগীতৰ লগতে হিন্দুস্তানী ধ্ৰুপদী সংগীত, পাশ্চাত্য ৰক এণ্ড ৰোল, জেজ আৰু পাশ্চাত্য ধ্ৰুপদী সংগীতৰ সংমিশ্ৰণ স্পষ্টভাৱে দেখা যায়। ১৯৭৭ চনত 'নতুন আশা' বোলছবিৰ গীত বাণীবদ্ধ কৰিবলৈ কলিকতালৈ যাওঁতে ১৫ অক্টোবৰত জয়ন্ত হাজৰিকাৰ হঠাতে মৃত্যু হয়। তেখেতৰ অকাল বিয়োগে অসমীয়া সংগীত জগতত এক অপূৰণীয় ক্ষতি কৰি থৈ যায়। আজি ৮৩ সংখ্যক জন্মজয়ন্তীত ৰাজ্যজুৰি ৰাণা দাক স্মৰণ কৰি শিল্পী, সংগীতপ্ৰেমী আৰু ৰাজনৈতিক নেতৃত্বই তেখেতৰ অৱদানক চিৰস্মৰণীয় বুলি অভিহিত কৰিছে।

বাংলাদেশক ১১৪ ৰানত হৰুৱাই

অনুসৰি বেটিং কৰি ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেট হেৰুৱাই ১৯৫ ৰানৰ বিশাল স্ক'ৰ সংগ্ৰহ কৰে। ভাৰতীয় ইনিংছৰ মূল নায়ক আছিল শ্বেফালী বাৰ্মা। তেওঁ মাত্ৰ ৪৯টা বলত অপৰাজিত ১০০ ৰান সংগ্ৰহ কৰে। এই বিধ্বংসী ইনিংছত আছিল ৯টা ছিক্স আৰু ৩টা চাৰি। শ্বেফালীৰ উপৰি অধিনায়ক হৰমনপ্ৰীত কৌৰে ৪০ ৰানৰ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়ায়। আনহাতে, ইনিংছ আৰম্ভ কৰিবলৈ অহা স্মৃতি মান্ধানাই ৩৭ ৰান সংগ্ৰহ কৰে। ১৯৬ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ নামি বাংলাদেশৰ বেটিং সম্পূৰ্ণৰূপে ভাঙি পৰে। বাংলাদেশ দলটোৱে ১৫.৪ অভাৰত মাত্ৰ ৮১ ৰান সংগ্ৰহ কৰিয়েই অলআউট হয়। বাংলাদেশৰ হৈ মাত্ৰ তিনিগৰাকী খেলুৱৈয়ে দুটা অংকৰ ৰান সংগ্ৰহ কৰিবলৈ সক্ষম হয়। দলটোৰ হৈ সৰ্বাধিক ৰান সংগ্ৰহ কৰে অপেনাৰ দিলাৰা আখতাৰে-২৭ ৰান। ইয়াৰ উপৰি ছাৰমিন আখতাৰে ১০ ৰান আৰু ছুলতানা খাতুনে ১২ ৰান কৰে। বলিঙৰ ক্ষেত্ৰত ভাৰতৰ হৈ নন্দিনী শৰ্মা আৰু দীপ্তি শৰ্মাই সৰ্বাধিক ৩টাকৈ উইকেট দখল কৰে। ইয়াৰ উপৰি শ্ৰী চৰণীয়ে ৩টা উইকেট লাভ কৰে। ক্ৰান্তি গৌড় আৰু শ্ৰেয়াংকা পাটিলে ৰটাকৈ উইকেট দখল কৰে। এই জয়ৰ লগে লগে ভাৰতীয় দলে সোণৰ পদকৰ মেচৰ বাবে যোগ্যতা অৰ্জন কৰে। এতিয়া ফাইনেলত ভাৰত আৰু শ্ৰীলংকাৰ মাজত মুখামুখি হ'ব। আনখন ছেমিফাইনেলত পাকিস্তানক পৰাস্ত কৰি শ্ৰীলংকাই ফাইনেলত নিজৰ স্থান নিশ্চিত কৰিছে। উল্লেখযোগ্য যে, বিগত এছিয়ান গেমছতো ভাৰত আৰু শ্ৰীলংকাৰ মাজতেই ফাইনেল অনুষ্ঠিত হৈছিল। সেয়ে এইবাৰো সোণৰ লগ্নত ভাৰত-শ্ৰীলংকা মহাসংঘৰ্ষই ক্ৰিকেট অনুৰাগীসকলৰ মাজত ব্যাপক উত্তেজনা সৃষ্টি কৰিছে।

ৰাজ্যত নতুনকৈ নিৰ্মাণ হ'ব

আন্তঃগাঁথনি তথা শৈক্ষিক কাম-কাজৰ অগ্ৰগতি সম্পৰ্কে বুজ লয়। ইয়াৰ লগতে তেওঁ শিক্ষাৰ্থীসকলৰ সৈতে মত-বিনিময় কৰে। শিক্ষাৰ্থীসকলৰ বাবে শৈক্ষিক পৰিৱেশ অধিক উন্নত কৰাৰ লক্ষ্যৰে চৰকাৰৰ প্ৰয়াস অব্যাহত থাকিব বুলি তেওঁ প্ৰকাশ কৰে। শিক্ষাৰ মান উন্নত কৰাৰ হকে সা-সুবিধাৰ বিকাশ ঘটোৱাত ৰাজ্য চৰকাৰে বিশেষ অগ্ৰাধিকাৰ দি আহিছে বুলিও তেওঁ উল্লেখ কৰে। ইয়াৰ পিছত ডাঃ পেগুৱে মন্ত্ৰী নীলিমা দেৱী, বিধায়ক পৰমানন্দ ৰাজবংশী আৰু প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাসৰ সৈতে মঙলদৈত স্বতন্ত্ৰ মহাবিদ্যালয়ৰ ৭৫ সংখ্যক প্ৰতিষ্ঠা দিৱস তথা মহা ৰজত জয়ন্তীৰ শুভাৰম্ভ কৰে। এই উপলক্ষে মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সহযোগিতাত প্ৰায় ১৫ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা স্মাৰক মঞ্চও তেওঁ উদ্বোধন কৰে। শিক্ষা মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্যত মাধ্যমিক শিক্ষাৰ প্ৰসাৰ আৰু গুণগত মান উন্নয়নৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহে আগন্তুক সময়ত অধিক ফলপ্ৰসূ হ'ব। শিক্ষক নিয়োগ, নতুন বিদ্যালয় নিৰ্মাণ আৰু শিক্ষানুষ্ঠানসমূহৰ আন্তঃগাঁথনি উন্নয়নে ৰাজ্যৰ শিক্ষা ব্যৱস্থাক অধিক শক্তিশালী কৰি তুলিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

জলবায়ু পৰিৱৰ্তন ৰোধ কৰিবলৈ

ভাষণ দি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে গোলকীয় বিজ্ঞানীসকলে পৰিৱেশ সংকট গুৰুতৰ হৈ পৰা বুলি বাৰে বাৰে সকীয়নি দিছে। তেওঁ কয় যে এই সমস্যা সমাধান কৰাৰ লগতে এই দিশত অধিক ক্ষয় হোৱাৰ পৰা ৰক্ষা কৰিবলৈ আঞ্চলিক, স্থানীয় তথা আন্তৰ্জাতিক পৰ্যায়ত সকলো পক্ষৰ মাজত শক্তিশালী সহযোগিতাৰ প্ৰয়োজন। শ্ৰীমতী মুৰ্মুৱে উল্লেখ কৰে যে জলবায়ু পৰিৱৰ্তনৰ জৰিয়তে মানৱ জাতিৰ অস্তিত্বলৈ বিভিন্ন পৰ্যায়ত ভাবুকি আহি পৰিছে। তেওঁ পৰিৱেশ সম্পৰ্কীয় অসমতা সন্দৰ্ভত জৈৱ-বৈচিত্ৰ্য হানি, পৰিষ্কাৰ জলৰ পৰিমাণ হ্ৰাস তথা ভূমি অৱক্ষয়ৰ উদাহৰণ দাঙি ধৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে জলৰ নাটনি হোৱা অঞ্চলসমূহৰ বাসিন্দাসকলৰ বাবে কৃষিপামসমূহৰ ক্ষেত্ৰত কম স্থানত অধিক সামগ্ৰী উৎপাদন কৰাৰ বিশেষ ব্যৱস্থা উপযোগী। তেওঁ লগতে কয় যে পৰিৱেশ সম্পৰ্কীয় আইনী বিষয়সমূহত ৰাষ্ট্ৰীয় সেউজ প্ৰাধিকৰণে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। প্ৰাধিকৰণে বুজন সংখ্যক বিবাদ নিষ্পত্তি কৰাৰ লগতে দেশত অনাময় ব্যৱস্থাপনা, বায়ুৰ মান তথা নৈসমূহৰ ব্যৱস্থাপনা সন্দৰ্ভত এটা সক্ৰিয় আন্তঃগাঁথনিৰ বিকাশ ঘটাইছে বুলি তেওঁ প্ৰকাশ কৰে। এই অনুষ্ঠানত শক্তি, গৃহ নিৰ্মাণ আৰু নগৰ উন্নয়ন মন্ত্ৰী মনোহৰ লাল, উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ বি ভি নাগৰত্ন, ৰাষ্ট্ৰীয় সেউজ প্ৰাধিকৰণৰ অধ্যক্ষ ন্যায়াধীশ প্ৰকাশ শ্ৰীবাস্তৱ আৰু ছলিচিটৰ জেনেৰেল তুষাৰ মেহতায়ো ভাষণ দিয়ে।

ৰাহুল গান্ধীৰ অনুষ্ঠানত মোদীৰ

কৰি তুলিছে। দলটোৰ নেতাসকলে অভিযোগ উত্থাপন কৰিছে যে ৰাহুল গান্ধীয়ে পূৰ্বৰ এখন ৰেলীত প্ৰধানমন্ত্ৰীয়ে এগৰাকী বৃদ্ধা মহিলাক আসন আগবঢ়োৱাৰ ঘটনাক উপহাস কৰিছে। ইন্দোৰৰ অনুষ্ঠানত ৰাহুল গান্ধীয়ে বিজেপিৰ শীৰ্ষ নেতৃত্ব তথা ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘই প্ৰতিষ্ঠানসমূহ দখল কৰাৰ অভিযোগ উত্থাপন কৰে। ইয়াৰ লগতে প্ৰধানমন্ত্ৰী মোদীৰ আচাৰ-ব্যৱহাৰ, বিশেষকৈ 'মেৰে দোস্তো' বাক্যাংশ আৰু বিদেশী নেতাৰ সৈতে কূটনৈতিক আলিংগনৰ ভংগী কমেডিয়ান মণিৰ সৈতে মঞ্চত চমুকৈ অনুকৰণ কৰা হয়। এই প্ৰসংগত মণিয়ে ৰাহুল গান্ধীক কয়, "মোৰ বন্ধু, কেনে আছা?" ৰাহুলে উত্তৰ দিয়ে, "মই ভালেই আছো, মোদীজী কেনে আছে?" ইয়াৰ পিছত মণিয়ে 'মেৰে দোস্তো' বাক্যাংশ ব্যৱহাৰ কৰি কয়, "গ্ৰেট হাৰাছমেণ্ট।" বিদেশ ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰী মোদীৰ আলিংগনক উপহাস কৰা এই ইনষ্টাগ্ৰাম ৰিল ভাইৰেল হোৱাৰ পিছত মণি আলোচনালৈ আহে। ৰাহুল গান্ধীয়ে মণিক "আৰু কিবা এটা কওকচোন" বুলি সোধাৰ লগে লগে মণিয়ে কয়, "মা কে লিয়ে কুৰ্ছি লাও।" এই উক্তিটো ২০২৪ চনত পশ্চিম বংগৰ হাওৰাত অনুষ্ঠিত এক সমাৰেশত প্ৰধানমন্ত্ৰী মোদীয়ে এগৰাকী বৃদ্ধা মহিলাৰ বাবে কৈছিল। সেই সমাৰেশত প্ৰধানমন্ত্ৰীয়ে ভাষণ কিছু সময়ৰ বাবে বন্ধ কৰি নিৰাপত্তাৰক্ষীক এগৰাকী বৃদ্ধা মহিলাৰ বাবে চকী এখন আনিবলৈ নিৰ্দেশ দিছিল। কংগ্ৰেছ নেতা পৱন খেৰাই এক্সত ৰাহুল গান্ধীৰ অনুষ্ঠানত মণিৰ এই প্ৰদৰ্শনৰ বিষয়ে শ্বেয়াৰ কৰি লিখিছে, "ইন্দোৰত হাস্যৰসিকজনে আহি কপালত এটা মুদ্ৰা লগাই ল'লে আৰু বহুতকে অস্বস্তি দিব পৰা এক শ্ব' কৰিলে।" কিন্তু এই অনুষ্ঠানক লৈ বিজেপি ক্ষুব্ধ হৈ পৰে আৰু কংগ্ৰেছ নেতাগৰাকীয়ে বৃদ্ধাগৰাকীক অপমান কৰাৰ অভিযোগ তোলে। বিজেপিয়ে নিজৰ অফিচিয়েল এক্স হেণ্ডেলত লিখিছে, "এফালে প্ৰধানমন্ত্ৰী মোদীয়ে এগৰাকী বৃদ্ধা মাতৃক সন্মান আৰু মৰম দিছিল, আনফালে ৰাহুল গান্ধীয়ে তেওঁৰ অনুষ্ঠানত তেওঁক উপহাস কৰিছিল। মূল্যবোধৰ ৰাজনীতি আৰু শ্ব'মেনশ্বিপৰ ৰাজনীতিৰ মাজত এইটোৱেই পাৰ্থক্য। যি বয়সত সন্মান লাভ কৰিব লাগে, সেই বয়সত ৰাহুল গান্ধীৰ লজ্জাজনক আচৰণে তেওঁৰ মানসিকতাৰ বিষয়ে কি পৰিচয় দিলে?" বিজেপিৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ চি আৰ কেশৱনে ৰাহুল গান্ধীৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰে যে তেওঁ এজন ব্যক্তিৰ সৈতে মঞ্চ শ্বেয়াৰ কৰিছিল, যিয়ে ইচ্ছাকৃতভাৱে "আমাৰ নাৰী শক্তিক অপমান কৰিছিল" আৰু এগৰাকী বৃদ্ধাক উপহাস কৰিছিল। কেশৱনে কয়, "কোনো ভদ্ৰ ব্যক্তিয়ে ইয়াক আমোদজনক বুলি নাভাবিলেহেঁতেন, কিন্তু ৰাহুল গান্ধীক জোৰেৰে হাঁহি থকা দেখা গ'ল। এনে অশুভ সংস্কৃতিৰ বাবেই ৰাহুল গান্ধী আৰু কংগ্ৰেছে যুৱক-যুৱতীসকলৰ সৈতে সংযোগ স্থাপন কৰাত ব্যৰ্থ হৈছে, যিটো তেওঁলোকৰ নিজৰ সহযোগী শশী থাৰুৰে আঙুলিয়াই দিছে।" কেশৱনে লগতে কয়, "ৰাহুল গান্ধীৰ তিক্ত ঘৃণাৰ ৰাজনীতিৰ বাবেই দিল্লী বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত কংগ্ৰেছ আৰু এন এছ ইউ আই পৰাস্ত হৈছিল। আনহাতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এগৰাকী বৃদ্ধাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিছিল; ইয়াৰ বিপৰীতে বয়োজ্যেষ্ঠসকলক অসন্মান কৰি ৰাহুল গান্ধীয়ে আনন্দ কৰা দেখা গৈছিল।" ইফালে, বিজেপি নেতা তথা কেন্দ্ৰীয় শিক্ষামন্ত্ৰী প্ৰ াদ যোশীয়ে পুলকিত মণিৰ প্ৰধানমন্ত্ৰী মোদীৰ অনুকৰণক "লজ্জাজনক আৰু ঘৃণনীয়" বুলি অভিহিত কৰাৰ লগতে ৰাহুল গান্ধী আৰু কংগ্ৰেছে "প্ৰধানমন্ত্ৰী মোদীজীৰ প্ৰয়াত মাতৃক উপহাস আৰু অপমান কৰিবলৈ ছাত্ৰ-ছাত্ৰীৰ পাৰস্পৰিক ক্ৰিয়া-কলাপক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰা" বুলি অভিযোগ উত্থাপন কৰে। যোশীয়ে এক্সত লিখিছে, "ৰাহুল গান্ধী আৰু কংগ্ৰেছ দলে নৈতিকতা হেৰুওৱাৰ নিম্নস্তৰলৈ গতি কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীজীৰ প্ৰয়াত মাতৃক উপহাস আৰু অপমান কৰিবলৈ ছাত্ৰসকলৰ পাৰস্পৰিক ক্ৰিয়া-কলাপক অস্ত্ৰৰে সজ্জিত কৰা হৈছে। এই কাৰ্যই কংগ্ৰেছৰ মৌলিক মানৱীয় সহানুভূতি আৰু ৰাজনৈতিক সংস্কৃতিৰ এক আচৰিত অভাৱ উন্মোচন কৰিছে।" তেওঁ লগতে কয়, "ৰাজনৈতিক বিৰোধিতাক এনে থিয়েটাৰত বা বয়োজ্যেষ্ঠ আৰু অভিভাৱকৰ বিৰুদ্ধে অপমানৰ কাৰ্যত ব্যৱহাৰ কৰা উচিত নহয়। সেয়া ভাৰতীয় সংস্কৃতি নহয়। বিৰোধী নেতাৰ স্থিতি থাকিব লাগে, তথাপি ৰাহুল গান্ধীয়ে পদমৰ্যাদা ৰক্ষা কৰাত ব্যৰ্থ হৈছে আৰু এই প্ৰক্ৰিয়াৰ জৰিয়তে দেশলৈ বদনাম কঢ়িয়াই আনিছে।" ইয়াৰ উপৰি ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝীয়েও এক্সত লিখিছে, "ৰাহুল গান্ধীৰ ৰাজনীতি এনে এক পৰ্যায়ত উপনীত হৈছে, য'ত এগৰাকী বয়োজ্যেষ্ঠাৰ প্ৰতি সন্মান প্ৰদৰ্শনেও উপহাসৰ বিষয় হৈ পৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে ভিৰৰ মাজত থিয় হৈ থকা এগৰাকী বৃদ্ধা মহিলাক দেখি ভাষণ বন্ধ কৰি তেওঁক চকী এখন দিয়াৰ ব্যৱস্থা কৰিছিল। সেয়া হৈছে সন্মান।" উল্লেখযোগ্য যে, ৰাহুল গান্ধীৰ অনুষ্ঠানত কমেডিয়ান পুলকিত মণিৰ এই প্ৰদৰ্শনৰ ভিডিঅ' সমাজ মাধ্যমত ভাইৰেল হোৱাৰ পিছত বিজেপি আৰু কংগ্ৰেছৰ মাজত ৰাজনৈতিক বাক্য-বাণ সৃষ্টি হৈছে। বিজেপিয়ে ৰাহুল গান্ধীয়ে পদমৰ্যাদা ৰক্ষা কৰাত ব্যৰ্থ হৈ দেশলৈ বদনাম কঢ়িয়াই আনিছে বুলি অভিযোগ কৰি আহিছে।

ধিঙৰ ধূপাগুৰিত কংগ্ৰেছৰ ৰেলীত

কিন্তু ৰেলী ধূপাগুৰিৰ গান্ধী মাৰ্কেট অঞ্চলত উপস্থিত হোৱাৰ সময়তে পৰিস্থিতি হঠাৎ উত্তপ্ত হৈ পৰে। কংগ্ৰেছৰ প্ৰাৰ্থী আৰু শীৰ্ষ নেতাসকলৰ সন্মুখতে একাংশ সংখ্যালঘু ৰাইজে কংগ্ৰেছ বিৰোধী শ্লোগান দিবলৈ আৰম্ভ কৰে। 'গৌৰৱ গগৈ গ' বেক', 'শিৱামণি গ' বেক' আৰু 'কংগ্ৰেছ গ' বেক' ধ্বনিৰে ধূপাগুৰি অঞ্চল উত্তাল হৈ পৰে। ঘটনাৰ ফলত ধূপাগুৰি গান্ধী মাৰ্কেটত কিছু সময়ৰ বাবে এক উত্তেজনাময় পৰিৱেশৰ সৃষ্টি হয়। কংগ্ৰেছ ৰেলীত অংশগ্ৰহণ কৰিবলৈ অহা নেতা-কৰ্মীসকলৰ মাজত অস্বস্তি দেখা যায়। স্থানীয় ৰাইজৰ একাংশই এই শ্লোগানৰ জৰিয়তে কংগ্ৰেছৰ প্ৰতি নিজৰ অসন্তোষ প্ৰকাশ কৰে বুলি প্ৰত্যক্ষদৰ্শীসকলে জনাইছে। উল্লেখ্য যে, নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনক লৈ ৰাজনৈতিক দলসমূহৰ মাজত ইতিমধ্যে তীব্ৰ প্ৰচাৰ চলি আছে। এই ঘটনাই ধিং সমষ্টি তথা নগাঁও লোকসভা সমষ্টিত ৰাজনৈতিক পৰিৱেশ অধিক গৰম কৰি তুলিছে। প্ৰাপ্ত তথ্য অনুসৰি, পৰিস্থিতি নিয়ন্ত্ৰণলৈ অনা হৈছে যদিও এই ঘটনাক লৈ বিভিন্ন মহলত আলোচনা অব্যাহত আছে।

এছিয়ান গেমছত ভাৰতৰ প্ৰথমটো ৰূপৰ

সামাজিক মাধ্যমৰ বাৰ্তাত উল্লেখ কৰে যে ইলাভেনিল ভালাৰিভানে আজিৰ দিনটোৰ দ্বিতীয়টো পদক অৰ্জন কৰি দেশলৈ সুনাম কঢ়িয়াই আনিছে। ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰী দুয়োগৰাকীয়ে ১০ মিটাৰ এয়াৰ ৰাইফলত ৰূপৰ পদক অৰ্জন কৰা ভাৰতীয় দলটোকো শুভেচ্ছা জ্ঞাপন কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে ইলাভেনিল ভালাৰিভান, সোনম মাস্কাৰ আৰু বিদৰ্শী বিনোদৰ দলটোৱে দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে বুলি উল্লেখ কৰি দলটোক অভিনন্দন জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও কষ্ট আৰু দলীয় প্ৰদৰ্শনৰ জৰিয়তে এই সাফল্য অৰ্জন কৰা বুলি মন্তব্য কৰে। তেওঁৰ মতে, এই সাফল্যই দেশৰ উঠি অহা ক্ৰীড়াবিদসকলক অনুপ্ৰাণিত কৰিব। গৃহমন্ত্ৰী অমিত শ্বাহেও সামাজিক মাধ্যমযোগে ইলাভেনিল ভালাৰিভান, সোনম মাস্কাৰ আৰু বিদৰ্শী বিনোদৰ দলটোলৈ শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ কয় যে এই ৰূপৰ পদকেৰে এছিয়ান গেমছত ভাৰতে পদক তালিকাৰ শুভাৰম্ভ কৰিছে।

৩০ হাজাৰৰ পৰিৱৰ্তে ৩ হাজাৰ !

কৰি দিছে যে, তেওঁ ৩০, ০০০তকৈ অধিক বুলি ক'বলগীয়া কথাটো ভুলবশতঃ ৩, ০০০তকৈ অধিক বুলি কৈ পেলাইছিল। এই ভুল সম্পূৰ্ণ অনিচ্ছাকৃত আছিল আৰু কথা কোৱাৰ সময়ত সংখ্যাটো ভুলকৈ উচ্চাৰিত হৈছিল। ইয়াৰ বাবে তেওঁ জুবিন অনুৰাগী তথা সমগ্ৰ অসমবাসীৰ ওচৰত আন্তৰিকভাৱে ক্ষমা বিচাৰে। সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা এক শ্ৰদ্ধাঞ্জলিত বিজয় গুপ্তাই কয়, "মহ×৩০, ০০০তকৈ অধিক বুলি ক'ব লাগিছিল, কিন্তু ভুলতে ৩, ০০০তকৈ অধিক বুলি কৈ পেলালোঁ। এই অনিচ্ছাকৃত ভুলৰ বাবে মই ক্ষমাপ্ৰাৰ্থী।" লগতে তেওঁ জুবিন গাৰ্গৰ প্ৰতি থকা নিজৰ সন্মান আৰু ভালপোৱাৰ কথা স্পষ্ট কৰি কয় যে জুবিন অসমৰ আত্মা। তেওঁৰ প্ৰতি তেওঁৰ সন্মান আৰু ভালপোৱা সদায় আন্তৰিক। কেৱল ক্ষমা বিচৰাতেই সীমাবদ্ধ নাথাকি বিজয় গুপ্তাই জুবিন গাৰ্গৰ সংগীত, সৃষ্টিশীলতা আৰু সাংস্কৃতিক ঐতিহ্যক আগন্তুক প্ৰজন্মৰ মাজলৈ কঢ়িয়াই নিয়াৰ বাবেও কাম কৰাৰ ইচ্ছা প্ৰকাশ কৰে। জুবিনৰ সৃষ্টিক নতুন প্ৰজন্মৰ মাজত জীয়াই ৰখা আৰু তেওঁৰ সংগীত-ঐতিহ্য সংৰক্ষণ কৰাটো এক দায়িত্ব বুলি তেওঁ উল্লেখ কৰে। জুবিন গাৰ্গৰ সংগীত আৰু সাংস্কৃতিক অৱদানক লৈ অসমত গভীৰ আৱেগ অব্যাহত আছে। তেওঁৰ গান, সুৰ আৰু সৃষ্টিৰাজি সংৰক্ষণ কৰি ভৱিষ্যৎ প্ৰজন্মলৈ আগবঢ়াই নিয়াৰ প্ৰয়াসক লৈও বিভিন্ন মহলত আলোচনা চলি আছে। এই প্ৰেক্ষাপটত বিজয় গুপ্তাৰ ক্ষমা প্ৰাৰ্থনাই জুবিন অনুৰাগীসকলৰ মাজত এক আলোচনাৰ বিষয় হৈ পৰিছে।

একক উৎপত্তিস্থল অসমৰ গুণগত

ৰপ্তানি কৰা একক উৎপত্তিস্থল অসমৰ গুণগত চিটিচি চাহৰ বাবে প্ৰতি কেজিত ৩ টকাকৈ প্ৰৰোচনা প্ৰদান কৰা হৈছে। এই পদক্ষেপৰ মূল লক্ষ্য হৈছে অসম চাহ উদ্যোগত হোৱা উচ্চ অন্তৰ্ভূমি পৰিবহণ, কণ্টেইনাৰ পুনৰ স্থাপন আৰু টাৰ্মিনেল হেণ্ডলিং খৰচ হ্ৰাস কৰা। সংশোধিত আঁচনিখনৰ এক গুৰুত্বপূৰ্ণ ব্যৱস্থা হ'ল-গুৱাহাটী চাহ নিলাম কেন্দ্ৰৰ জৰিয়তে বিক্ৰী কৰা চিটিচি চাহক ৰপ্তানি প্ৰৰোচনাৰ উদ্দেশ্যে "গুণগত চিটিচি চাহ" হিচাপে স্বীকৃতি দিয়া। GTACৰ মতে, এই স্বীকৃতিয়ে ৰপ্তানি বজাৰত অসমৰ চিটিচি চাহৰ স্থিতি অধিক দৃঢ় কৰিব। সংশোধিত আঁচনিখনে গতানুগতিক আৰু বিশেষ চাহৰ উৎপাদনৰ ক্ষেত্ৰত প্ৰতি কিলোগ্ৰামত ৰাজসাহায্য ১০ টকাৰ পৰা ১৫ টকালৈ বৃদ্ধি কৰিছে। লগতে প্ৰতিটো ইউনিট বা বাগিচাৰ সৰ্বোচ্চ বাৰ্ষিক দাবী ৰ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। অৰ্থডক্স চাহকো এই আঁচনিৰ অন্তৰ্ভুক্ত কৰা হৈছে। আনহাতে, ৱৰ্কিং কেপিটেলৰ সুতৰ ৰাজসাহায্য ১৫ লাখ টকাৰ পৰা ২০ লাখ টকালৈ বৃদ্ধি কৰা হৈছে। সংশোধিত আঁচনিখনৰ কাৰ্যকাল ২০৩১ চনৰ ৩১ মাৰ্চলৈ বৃদ্ধি কৰা হৈছে। এই নতুন ব্যৱস্থাসমূহ অসম চৰকাৰৰ চাহ খণ্ডৰ বাবে ২০২৬-২৭ বাজেট প্ৰস্তাৱৰ ওপৰত ভিত্তি কৰি গ্ৰহণ কৰা হৈছে। সেই বাজেটত প্ৰিমিয়াম অসম চিটিচি চাহৰ বাবে ৰপ্তানিমুখী প্ৰতি কেজিত, টকা প্ৰৰোচনা ঘোষণা কৰা হৈছিল আৰু গতানুগতিক তথা বিশেষ চাহৰ বাবে সমৰ্থন বৃদ্ধিৰ কথা কোৱা হৈছিল। গুৱাহাটী চাহ নিলাম ক্ৰেতা সন্থাৰ সম্পাদক দীনেশ বিহানীয়ে কয় যে ৰপ্তানি প্ৰৰোচনাৰ অধীনত GTACৰ নিলাম বিক্ৰীৰ স্বীকৃতিয়ে সংগঠিত নিলাম চেনেলত অধিক অংশগ্ৰহণৰ বাবে উৎসাহ যোগাব। তেওঁ মন্তব্য কৰে, "বিশ্বৰ অন্যতম বৃহৎ চিটিচি চাহ নিলাম কেন্দ্ৰ গুৱাহাটীৰ বাবে নতুন ৰপ্তানি প্ৰৰোচনাৰ অধীনত GTAC নিলাম বিক্ৰীৰ স্বীকৃতিয়ে সংগঠিত নিলাম চেনেলত অধিক অংশগ্ৰহণক উৎসাহিত কৰিব, অসমৰ ৰপ্তানি প্ৰতিযোগিতামূলক ক্ষমতাক সমৰ্থন কৰিব, আৰু ঘৰুৱা তথা আন্তঃৰাষ্ট্ৰীয় বজাৰত GTACৰ স্থান আৰু অধিক শক্তিশালী কৰিব।" সংশোধিত নীতি কাঠামোৰ বাবে অসম চৰকাৰক প্ৰশংসা কৰাৰ লগতে GTACৰ অধ্যক্ষই নিলাম মঞ্চ শক্তিশালী কৰাৰ প্ৰচেষ্টাক চাহ ব্যৱসায়ে স্বীকৃতি দিছে। লজিষ্টিক ব্যয় বৃদ্ধিৰ মাজতে অসম চাহ উদ্যোগে ৰপ্তানিৰ বাবে অধিক সমৰ্থন আৰু প্ৰতিযোগিতামূলক ক্ষমতা উন্নত কৰাৰ দাবী উত্থাপন কৰি আহিছিল। সেই প্ৰেক্ষাপটতে এই সংশোধিত প্ৰৰোচনা আগবঢ়োৱা হৈছে। প্ৰিমিয়াম অসম চিটিচি চাহ ৰপ্তানি সমৰ্থনৰ লক্ষ্যৰে অসম বাজেট ২০২৬-২৭ৰ অংশ হিচাপে প্ৰথমে প্ৰতি কেজিত ৩ টকাৰ ৰপ্তানি প্ৰৰোচনা ঘোষণা কৰা হৈছিল। শেহতীয়া অধিসূচনাখনে সংশোধিত উদ্দীপনা কাঠামো ৰূপায়ণ কৰাৰ লগতে অসমৰ চাহ উদ্যোগৰ বিভিন্ন খণ্ডৰ বাবে সমৰ্থনৰ পৰিসৰ বৃদ্ধি কৰিছে আৰু নীতিগত সময়সীমা ২০৩১ চনলৈ বৃদ্ধি কৰিছে। GTACৰ জৰিয়তে নিলামত বিক্ৰী হোৱা চিটিচি চাহক "গুণগত চিটিচি চাহ"ৰ সংজ্ঞাত অন্তৰ্ভুক্ত কৰাটো বিশেষভাৱে গুৰুত্বপূৰ্ণ। কাৰণ ই ৰাজ্যখনৰ সংগঠিত চাহ নিলাম ব্যৱস্থাক নতুন ৰপ্তানি প্ৰৰোচনা ব্যৱস্থাৰ সৈতে প্ৰত্যক্ষভাৱে সংযোগ কৰিছে। ইয়াৰ ফলত অসমৰ চাহ উদ্যোগে ৰপ্তানি বজাৰত নতুন গতি লাভ কৰিব বুলি উদ্যোগ সংশ্লিষ্টসকলে আশা কৰিছে।

ভাৰত ত্যাগ আন্দোলনত

আৰক্ষী থানাত ৰাষ্ট্ৰীয় পতাকা উত্তোলনৰ সংকল্প লৈ এক শান্তিপূৰ্ণ সমদল আগবাঢ়িছিল। হাতত ত্ৰিৰংগ পতাকা লৈ যুৱক-যুৱতীসকলে থানাৰ সন্মুখত উপস্থিত হৈ পতাকা উত্তোলনৰ অনুমতি বিচাৰে। কিন্তু ব্ৰিটিছ আৰক্ষীয়ে তেওঁলোকক বাধা দিয়ে। পৰিস্থিতি উত্তপ্ত হোৱাৰ লগে লগে আৰক্ষীয়ে প্ৰথমে লাঠীচাৰ্জ চলায়, তাৰ পিছত নিৰস্ত্ৰ জনতাৰ ওপৰত গুলীচালনাৰ আদেশ দিয়ে। গুলীচালনাত ১৭ বছৰীয়া কনকলতা বৰুৱাই বুকুত গুলী লগাত ত্ৰিৰংগ পতাকা হাতৰ পৰা সৰি পৰিব ধৰে। সেই মুহূৰ্ততে সাহসী যুৱক মুকুন্দ কাকতিয়ে পতাকাখন থাপ মাৰি ধৰি ৰাখে। এনেদৰে এজনৰ পিছত এজন সংগ্ৰামীয়ে আত্মবলিদান দিয়ে। ঢেকীয়াজুলি আৰক্ষী থানাৰ সন্মুখত নিৰীহ আন্দোলনকাৰীসকলৰ তেজেৰে মাটি ৰাঙলী হৈ পৰে। এই ঘটনাত প্ৰায় ১৫ গৰাকী স্বাধীনতা সংগ্ৰামীয়ে প্ৰাণ হেৰুৱায়। তেওঁলোকৰ ভিতৰত কনকলতা বৰুৱা, মুকুন্দ কাকতি, তিলেশ্বৰী বৰুৱা, মনবৰ নাথ, কুমলী দেৱী, খহুলী দেৱী, লেৰেলা কছাৰী, ৰতন কছাৰী, মংগল কুৰ্কি, মহীৰাম কোচ, দয়াল পানিকা আদি অন্যতম। বিশেষকৈ ৰচ বছৰীয়া তিলেশ্বৰী বৰুৱাৰ আত্মত্যাগ চিৰদিন স্মৰণীয় হৈ ৰ'ব। এই বীৰগাথাই আজিও অসমৰ লোকসকলৰ মনত দেশপ্ৰেমৰ ভাব জগাই তোলে। প্ৰতিবছৰে ২০ ছেপ্তেম্বৰৰ দিনটোত শ্বহীদসকললৈ শ্ৰদ্ধা জনোৱা হয়। ইফালে, দেওবাৰে পুৱাই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শ্বহীদসকলক স্মৰণ কৰি সামাজিক মাধ্যমত শ্ৰদ্ধা নিবেদন কৰে। তেওঁ লিখে, "১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ ঢৌৱে অসমকো স্পৰ্শ কৰিছিল। দেশমাতৃৰ স্বাধীনতাৰ হকে যুঁজি ত্ৰিৰংগ পতাকা উত্তোলনৰ সংকল্প লৈ কনকলতা বৰুৱা, মুকুন্দ কাকতি, তিলেশ্বৰী বৰুৱা, ভোগেশ্বৰী ফুকননী আৰু মনবৰ নাথকে ধৰি বহু বীৰ-বীৰাংগনাই আজিৰ দিনটোতে জীৱন আহুতি দিছিল। স্বাধীনতা সংগ্ৰামত অসীম ত্যাগ আৰু দেশপ্ৰেমৰ অতুলনীয় নিদৰ্শন দিয়া এই চিৰপূজ্য সংগ্ৰামীসকললৈ আজিৰ পৱিত্ৰ দিনটোত সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ।" আন এক পোষ্টত মুখ্যমন্ত্ৰীয়ে কয়, "১৯৪২ চনৰ আজিৰ দিনটোত দেশমাতৃক ব্ৰিটিছৰ কুশাসন আৰু নিষ্ঠুৰতাৰ পৰা মুক্ত কৰাৰ সপোন বুকুত লৈ ঢেকীয়াজুলি থানা চৌহদত ৰাষ্ট্ৰীয় পতাকা উত্তোলনৰ উদ্দেশ্যে সমদল কৰি যোৱা সময়ত পুলিচৰ বৰ্বৰ আক্ৰমণ তথা গুলীচালনাত ৰপ্ত গৰাকী বীৰ শ্বহীদে প্ৰাণ হেৰুৱাইছিল। সেই আক্ৰমণত প্ৰাণ দিয়া দেশৰ স্বাধীনতা সংগ্ৰামৰ অন্যতম কনিষ্ঠ মহিলা শ্বহীদ তিলেশ্বৰী বৰুৱাকে আদি কৰি প্ৰতিগৰাকী দেশপ্ৰেমী স্বাধীনতা সংগ্ৰামীক আজি পুনৰ গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ। তেওঁলোকৰ ত্যাগ অবিহনে স্বাধীনতা সম্ভৱ নাছিল। প্ৰতিগৰাকী বীৰ শ্বহীদৰ শ্ৰীচৰণত সশ্ৰদ্ধ প্ৰণিপাত।" শেষত, ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ এই শ্বহীদসকলৰ স্মৃতিত ঢেকীয়াজুলিত স্থাপিত স্মাৰক আজিও অসমৰ স্বাধীনতা সংগ্ৰামৰ গৌৰৱময় ইতিহাসৰ সাক্ষী হৈ ৰৈছে।

লোকপিয়লৰ প্ৰথম পৰ্যায় সম্পূৰ্ণ

বুজাবুজিৰ ভিত্তিত শিক্ষকৰ বদলিত অনুমোদন জনাইছে। এই সন্দৰ্ভত বিদ্যালয় শিক্ষা বিভাগৰ আয়ুক্ত-সচিব নাৰায়ণ কোঁৱৰে মাধ্যমিক শিক্ষা সঞ্চালকালয় আৰু প্ৰাথমিক শিক্ষা সঞ্চালকালয়লৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। পত্ৰখনত উল্লেখ কৰা অনুসৰি, বদলি হোৱা শিক্ষকসকলক নতুন বিদ্যালয়ত যোগদান কৰাৰ বাবে পুৰণি বিদ্যালয়ৰ পৰা মুকলি কৰি দিবলৈ নিৰ্দেশ জাৰি কৰা হৈছে। আনহাতে, যিসমূহ জিলাত নিৰ্বাচনৰ আচৰণ বিধি বলবৎ হৈ আছে, সেইসমূহ জিলাত আচৰণ বিধি শেষ হোৱাৰ পাছতহে বিদ্যালয়ৰ পৰা মুকলি কৰি দিবলৈ কোৱা হৈছে। বিভাগীয় সূত্ৰই জনোৱা মতে, এই নিৰ্দেশৰ ফলত বদলি হোৱা শিক্ষকসকলে নিৰ্ধাৰিত সময়ত নতুন বিদ্যালয়ত যোগদান কৰিব পাৰিব। লগতে, আচৰণ বিধি বলবৎ থকা জিলাসমূহত বিধি উঠাৰ পাছত প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হ'ব।

বিজেপি চৰকাৰে আমাৰ আত্মা

বিৰোধী কংগ্ৰেছ আৰু AIUDF উঠি-পৰি লাগিছে। AIUDF-এ উপ-নিৰ্বাচনত প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিছে দলটোৰ মুৰব্বী তথা বিধায়ক বদৰুদ্দিন আজমলক। বদৰুদ্দিন আজমলৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই AIUDFৰ ৰেজাউল কৰিম চৰকাৰে বিজেপি দল আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে গৰজি উঠে। তেওঁ কয়, "মছজিদ, মাদ্ৰাছা আমাৰ আত্মা। বিজেপি চৰকাৰৰ দিনত আমাৰ আত্মাৰ ওপৰত বুলড'জাৰ চলিছে। লাগিলে এদিন জীয়াই থাকিম, কিন্তু বাঘৰ দৰে জীয়াই থাকিম। মুছলমানে কাৰো গোলাম হৈ জীয়াই নাথাকে। গোলামী আৰু দাসত্বৰ পৰা মুক্তি পোৱাৰ সংকল্প এইবাৰ নগাঁও লোকসভা সমষ্টিৰ ৰাইজে ল'ব লাগিব।" তেওঁ লগতে অৰুণোদয় আঁচনি সন্দৰ্ভত মন্তব্য কৰি কয়, "বিজেপিক ভোট নিদিলে অৰুণোদয় আঁচনি কৰ্তন কৰাৰ ভাবুকি দিয়া হৈছে। কিন্তু অৰুণোদয় আঁচনি কাৰো পৈতৃক সম্পত্তি নহয়। মই আপোনালোকক প্ৰতিশ্ৰুতি দিছোঁ-অৰুণোদয় আঁচনি কোনোবাই নিদিলে আমি কাঢ়ি আনিম। এই নিৰ্বাচনত আমি জয়ী হ'বই লাগিব। অন্যথা আমি যিধৰণে জীয়াই আছোঁ, তাতোকৈ অধিক ভয়াৱহ জীৱন কটাব লাগিব। শোষিত, নিস্পেষিত সংখ্যালঘু জনগণৰ অধিকাৰৰ হকে মাত মাতিবলৈ আমি বদৰুদ্দিন আজমলক দিল্লীলৈ পঠিয়াব লাগিব।"

খাদ্য বিষক্ৰিয়াত কেন্দ্ৰীয়

এই আকস্মিক অসুস্থতাৰ প্ৰতি লক্ষ্য ৰাখি গৃহমন্ত্ৰীগৰাকীৰ নিৰ্ধাৰিত সকলো কাৰ্যসূচী তৎক্ষণাত বাতিল কৰা হয়। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীৰ অসুস্থতাৰ মূল কাৰণ খাদ্য বিষক্ৰিয়া। এই সন্দৰ্ভত কেন্দ্ৰীয় শিক্ষামন্ত্ৰী প্ৰ াদ যোশীয়ে জানিবলৈ দিয়ে যে খাদ্য বিষক্ৰিয়াৰ ফলত অমিত শ্বাহৰ বমি হোৱাৰ লগতে তেওঁ যথেষ্ট দুৰ্বলতা অনুভৱ কৰে। অৱশ্যে আশ্বস্ত কৰিবলগীয়া কথাটো হ'ল যে তেওঁক কোনো চিকিৎসালয়ত ভৰ্তি কৰোৱাৰ প্ৰয়োজন হোৱা নাই। চিকিৎসকৰ পৰামৰ্শ অনুসৰি তেওঁ বাহৰ পাতি থকা হোটেলতে প্ৰাথমিক চিকিৎসা গ্ৰহণ কৰে। উল্লেখযোগ্য যে, ১৯ তাৰিখে শনিবাৰে হুব্বাল্লীত এখন ১২০০ শয্যাযুক্ত অত্যাধুনিক 'হস্পিতাল এণ্ড মেডিকেল ৰিচাৰ্ছ চেণ্টাৰ'ৰ শুভ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ কথা আছিল অমিত শ্বাহৰ। কিন্তু হঠাতে শাৰীৰিক অৱস্থাৰ অৱনতি ঘটাৰ বাবে তেওঁ এই গুৰুত্বপূৰ্ণ অনুষ্ঠানটোত যোগ দিব নোৱাৰিলে আৰু চিকিৎসকৰ পৰামৰ্শ মানি হোটেলতে জিৰণি লয়। ইফালে, বৰ্তমান গৃহমন্ত্ৰীগৰাকীৰ শাৰীৰিক অৱস্থা সম্পূৰ্ণ স্থিৰ বুলি চিকিৎসকে জানিবলৈ দিছে। কেন্দ্ৰীয় মন্ত্ৰী প্ৰ াদ যোশীয়ে সংবাদ মাধ্যমৰ আগত শেহতীয়াকৈ স্পষ্ট কৰি দিয়ে যে অমিত শ্বাহ বৰ্তমান সুস্থ আৰু ক্ৰমান্বয়ে আৰোগ্য লাভ কৰি আছে। তেওঁৰ স্বাস্থ্যৰ অৱস্থাৰ ওপৰত চিকিৎসকসকলে নিৰন্তৰ লক্ষ্য ৰাখিছে বুলি জানিব পৰা গৈছে।

পূৰ্বতকৈ পলমকৈ অনুষ্ঠিত হ'ব

থাকিব। লগতে স্পষ্ট কৰা হৈছে যে ২০২৭ চনৰ ২৮ ফেব্ৰুৱাৰীৰ পূৰ্বে দশম-দ্বাদশ শ্ৰেণীৰ পাঠ্যক্ৰম সম্পূৰ্ণ নহয়। অৰ্থাৎ দ্বাদশ শ্ৰেণীৰ পাঠ্যক্ৰম ৮ মাৰ্চলৈকে চলি থাকিব বাবে সমগ্ৰ দশম-দ্বাদশ শ্ৰেণীৰ পাঠ্যক্ৰম ২৮ ফেব্ৰুৱাৰীৰ আগতে সামৰণি নপৰে। এই সিদ্ধান্তৰ ফলত HSLC আৰু HS পৰীক্ষাৰ সময়সূচীত পৰিৱৰ্তন আহিছে যদিও নতুন তাৰিখ পিছত পৃথকভাৱে ঘোষণা কৰা হ'ব। শিক্ষাৰ্থীসকলে নিয়মীয়া শ্ৰেণী আৰু পাঠ্যক্ৰম অনুসৰণ কৰি পৰীক্ষাৰ প্ৰস্তুতি অব্যাহত ৰাখিব লাগিব। ASSEB-এ শিক্ষাৰ্থী, অভিভাৱক আৰু শিক্ষানুষ্ঠানসমূহক আধিকাৰিক জাননী মনোযোগেৰে পঢ়িবলৈ আৰু উৰাবাতৰিত বিভ্ৰান্ত নোহোৱাৰ বাবে পৰামৰ্শ দিছে। পৰীক্ষাসম্পৰ্কীয় যিকোনো নতুন তথ্য আধিকাৰিক জাননীযোগে প্ৰকাশ কৰা হ'ব বুলি পৰিষদে জনাইছে।

“কংগ্ৰেছত আহিছে ধুমুহা, আমাৰ বিজেপিত বলিছে বতাহ” ঃ পীয়ুষ হাজৰিকা

লাহৰীঘাটত কাৰ্যকৰ্তা সন্মিলনেৰে নগাঁও লোকসভা সমষ্টিৰ উপ নিৰ্বাচনৰ বিজেপিৰ ৰণশিঙা



অসম বাৰ্তা, ভূৰাগাঁও, লাহৰীঘাট, ২০ ছেপ্টেম্বৰ ঃ নগাঁও লোকসভা সমষ্টিৰ অন্তৰ্গত ৫৩ নং লাহৰীঘাট বিধান সভা সমষ্টিত আজি শাসকীয় বিজেপি দলৰ এখন বিশাল কাৰ্যকৰ্তা সন্মিলনেৰে আগন্তুক উপ নিৰ্বাচনৰ নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰে। ভাৰতীয় জনতা পাৰ্টিৰ মৰিগাঁও জিলা সমিতিৰ উদ্যোগত লাহৰীঘাট বিধানসভা সমষ্টিভিত্তিত তিনিচুকীয়া ৰাজীৱ গান্ধী খেল পথাৰত অনুষ্ঠিত কাৰ্যকৰ্তা সন্মিলনত জাগীৰোড সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী পীয়ুষ হাজৰিকাই কংগ্ৰেছ আৰু এ আই ইউ ডি এফ দলক কঠোৰ সমালোচনা কৰি কয় যে কংগ্ৰেছত এতিয়া ধুমুহা বলিছে, বিজেপিত বতাহ বলিছে। এইবাৰ লাহৰীঘাটৰ কংগ্ৰেছ বিৰোধী বতাহ সমগ্ৰ নগাঁও লোকসভা সমষ্টিতে বলিছে। যাৰ বাবে সমষ্টিটোৰ উপ নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থী গৰাকী তৃতীয় স্থানত থকাৰ বিপৰীতে এআইইউডিএফৰ প্ৰাৰ্থী বদৰুদ্দিন আজমল দ্বিতীয় স্থানত থাকিব আৰু বিজেপি তথা দলীয় প্ৰাৰ্থী দেৱাশিস শৰ্মা জয় নিশ্চিত বুলি মন্ত্ৰী হাজৰিকাই কয়। দলীয় কাৰ্যকৰ্তাৰ সন্মিলন খনত মন্ত্ৰী গৰাকীয়ে আগন্তুক উপ নিৰ্বাচনৰ বাবে দলীয় প্ৰতিগৰাকী বুথৰ বিষয়ববীয়া আৰু দলীয় কৰ্মীক আজিৰে পৰা ঘৰে ঘৰে গৈ নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আহ্বান জনায়। ইফালে নিজ নিজ বুথত লিডাৰগিৰি কৰক, মৰিগাঁও, জাগীৰোডত গৈ লিডাৰগিৰি নকৰিব। নিজৰ বুথত জিকিব নোৱাৰা গৌৰৱ গগৈৰ দৰে নেতা আমাৰ বিজেপিত প্ৰয়োজন নাই বুলিও মন্ত্ৰী গৰাকীয়ে সকলো নেতা কৰ্মীকে কঠোৰ সকীয়নি দিয়ে। ইফালে বৰ্তমান কংগ্ৰেছৰ অৱস্থা একেবাৰে শোচনীয়। আনহাতে লাহৰীঘাট সমষ্টিটো দীৰ্ঘদিন ধৰি একেটা পৰিয়ালে দখল কৰি কোনো উন্নয়ন নকৰা অভিযোগ তুলি মন্ত্ৰী হাজৰিকাই কয় যে বৰ্তমান সমষ্টিটোৰ বিধায়ক ডাঃ আছিফ মহম্মদ নাজাৰ এজন ভেঞ্চাৰ বিধায়ক। গতিকে তেওঁৰ পৰা সমষ্টিবাসীয়ে কোনো উন্নয়ন লাভ নকৰে। এনে ক্ষেত্ৰত নগাঁও লোকসভা সমষ্টিত এইবাৰ দলীয় প্ৰাৰ্থী দেৱাশিস শৰ্মাক সংখ্যালঘু অধ্যুষিত সমষ্টিটোৰ ৰাইজে বিপুল ভোটতত জয়যুক্ত কৰিলে সাংসদ পুজিৰ ৮০ শতাংশ ধন কেৱল লাহৰীঘাট সমষ্টিৰ উন্নয়নমূলক কামতে খৰচ কৰিব। ইয়াৰোপৰি সংখ্যালঘু ৰাইজে শৰ্মাক ভোট প্ৰদান কৰি বিজয় সাব্যস্ত কৰিলে মন্ত্ৰী হাজৰিকাই সমষ্টিটোত অহা বছৰত ৫ ৰ পৰা ৭ লাখ মূল্যবান ফলমূলৰ পুলি বিতৰণ কৰিব আৰু ৫ হাজাৰ হেক্টৰ ভূমিত জলসিঞ্চন আঁচনি ৰূপায়ণ কৰাৰ আশ্বাস প্ৰদান কৰে। উল্লেখ্য যে মন্ত্ৰী হাজৰিকাই কংগ্ৰেছ আৰু এআইইউডিএফক সমালোচনা কৰি কয় যে সংখ্যালঘু ৰাইজৰ সংকট কালত সাংসদ ৰকিবুল হুছেইন আৰু এআইইউডিএফৰ বদৰুদ্দিন আজমল কেতিয়াও আগবাঢ়ি অহা নাছিল। কিন্তু নিৰ্বাচন আহিলেই তেওঁলোক সংখ্যালঘু ৰাইজৰ ত্ৰাণকৰ্তা হৈ পৰে। ইফালে ৰকিবুল হুছেইন আৰু গৌৰৱ গগৈয়েই কংগ্ৰেছ দলটো শেষ কৰিলে আৰু কংগ্ৰেছৰ শেষ গজালটো গৌৰৱ গগৈয়ে মাৰিলে। যাৰ বাবে অসমত আৰু ২০ বছৰলৈ কংগ্ৰেছৰ চৰকাৰ নাহে বুলি মন্ত্ৰী হাজৰিকাই উপহাস কৰে। একেদৰে দিশপুৰ সমষ্টিৰ বিধায়ক তথা ন-বিজেপি প্ৰদ্যুৎ বৰদলৈয়েও কংগ্ৰেছ আৰু লাহৰীঘাট সমষ্টিৰ বিধায়ক ডাঃ আছিফ মহম্মদ নাজাৰৰ বিৰুদ্ধে কঠোৰ সমালোচনাৰে নিৰ্বাচনী ভাষণ ৰাখে। সন্মিলণখনত দলীয় বিষয়ববীয়া, পৰ্যবেক্ষকসহ উপস্থিত থাকে। সন্মিলন খনত সমষ্টিটোৰ বুথ সমূহৰ সহস্ৰাধিক বিষয়ববীয়াই অংশগ্ৰহণ কৰে। উল্লেখ্য যে সন্মিলনত অংশগ্ৰহণ কৰাৰ পূৰ্বে মন্ত্ৰী পীয়ুষ হাজৰিকাই লাহৰীঘাট সমষ্টিৰ অগপৰ কাৰ্যালয়ত উপস্থিত হৈ আঞ্চলিক দলটোৰ বিষয়ববীয়া সকলৰ সৈতে মিলিত হয় আৰু মিত্ৰ দল হিচাপে সমষ্টিটোৰ অগপৰ বিষয়ববীয়া সকলৰ পৰা আগন্তুক উপ নিৰ্বাচনত সহায় সহযোগিতা বিচাৰে।

মঞ্চ উদ্বোধন পৰ্যটন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা; ন্যায়ৰ দাবীত ঐক্যবদ্ধ ডিব্ৰুগড়বাসী

ডিব্ৰুগড়ত বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাৱ-যুৱ সমাজ-সাহিত্য সভাৰ গীতে-মাতে জুবিন দিৱস পালন

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২০ ছেপ্টেম্বৰ ঃ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতি সজীৱ কৰি ৰখাৰ উদ্দেশ্যে বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাব, ডিব্ৰুগড় যুৱ সমাজ আৰু ডিব্ৰুগড় সাহিত্য সভাৰ উদ্যোগত ডিব্ৰুগড়ৰ থানা চাৰিআলিত সন্ধিয়াৰ পৰা নিশালৈকে বিভিন্ন কাৰ্যসূচীৰে ‘জুবিন দিৱস’ পালন কৰা হয়। গীতে-মাতে, নৃত্য-গীতে আৰু স্মৃতি ৰোমন্থনেৰে মুখৰ হৈ পৰে থানা চাৰিআলি। অনুষ্ঠানত বৃহৎ সংখ্যক ডিব্ৰুগড়বাসীয়ে অংশগ্ৰহণ কৰি প্ৰাণৰ শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানৰ আৰম্ভণিতে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে বাদ্যযন্ত্ৰী তথা জুবিন গাৰ্গৰ সৈতে একাধিক অনুষ্ঠানত মঞ্চত বাদ্য সংগত কৰা চান্তো কাকতিয়ে। বন্তি প্ৰজ্বলনৰ পাছতে জুবিনৰ সৈতে থকা সান্নিধ্য আৰু সংগীতৰ স্মৃতি ৰোমন্থন কৰি চান্তো কাকতিয়ে ছেক্সোফোনত জুবিনৰ জনপ্ৰিয় ‘মায়াবিনী’ গীতৰ সুৰ পৰিৱেশন কৰে। তেওঁৰ এই উপস্থিত ৰাইজৰ মাজত সৃষ্টি কৰে এক আবেগিক পৰিৱেশ। অনুষ্ঠানৰ মঞ্চ উদ্বোধন কৰে অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাই। উদ্বোধনী ভাষণত তেওঁ জুবিন গাৰ্গৰ অসমৰ সংগীত আৰু সাংস্কৃতিক ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদান স্মৰণ কৰাৰ লগতে শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ ক্ষেত্ৰত উচিত ন্যায়ৰ প্ৰয়োজনীয়তাৰ বিষয়েও মন্তব্য কৰে। অনুষ্ঠানত ডিব্ৰুগড় জিলা সাংস্কৃতিক উন্নয়ন বিষয়া সুদৰ্শন বৰাই বক্তব্য প্ৰদান কৰে। জ্যেষ্ঠ সাংবাদিক ৰণ দুৱৰা, ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি জ্যোতি বৰগোহাঁই, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি বিভাস দুৱৰা, ডিব্ৰুগড় যুৱ সমাজৰ সভাপতি খগেন দত্ত, সম্পাদক টমাচ বুঢ়াগোহাঁই, ডিব্ৰুগড় আছুৰ উপদেষ্টা পাপু শইকীয়াকে ধৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। লোকবাদ্য শিল্পী জিতেন দাসৰ পৰিচালনাত ডিবৰু লোক সাংস্কৃতিক কেন্দ্ৰৰ দিহানামৰ দলে নাম পৰিৱেশন কৰে। মুৰ্চনা সংগীত বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে ভুৱন গগৈৰ পৰিচালনাত ‘কলীয়া ডাৱৰে ঢাকিছে ৰূপহী জোনৰে মুখখনি’ শীৰ্ষক সমবেত সংগীত পৰিৱেশন কৰে। নৃত্যাংগণ কলা কেন্দ্ৰৰ শিক্ষাৰ্থীসকলে ৰুবী গগৈ সন্দিকৈৰ পৰিচালনাত ‘কেওঁফালে গুজৰি-গুমৰি আহিলে বান’ গীতত নৃত্য পৰিৱেশন কৰে। শিশু শিল্পী অনচ্ প্ৰতীম বুঢ়াগোহাঁইয়ে ‘যদি জীৱনৰ ৰংবোৰ’-গীত পৰিৱেশন কৰি উপস্থিত ৰাইজৰ মন জয় কৰে। কেছিঅ’ত জুবিনৰ গীতৰ সুৰ সমলয় তুলি ধৰি মুৰ্চনা সংগীত বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে ‘মুকুটা মুকুটা’ আৰু ‘দিয়া ঘূৰাই দিয়া’ আদি গীত পৰিৱেশন কৰে। অনুষ্ঠানৰ অন্যতম কাৰ্যসূচী আছিল বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাবৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁইয়ে আঁতধৰা এই অনুষ্ঠানত সভাপতি মনজিৎ বৰাই ভাষণ প্ৰদান কৰে। সমাজলৈ আগবঢ়োৱা অৱদানৰ বাবে সমাজকৰ্মী জ্যোতি প্ৰসাদ কানৈক বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাবৰ তৰফৰ পৰা ফুলাম গামোচা, চেলেং, প্ৰশস্তি পত্ৰ আৰু ফুলাম জাপিৰে সম্বৰ্ধনা জনোৱা হয়। ডিব্ৰু লোক সাংস্কৃতিক কেন্দ্ৰৰ শিক্ষাৰ্থী সকলো নৃত্য পৰিৱেশন কৰে। মুৰ্চনা সংগীত বিদ্যালয়ৰ অভিভাৱিকা আৰু সাহিত্য সভাৰ সদস্যসকলে কেইবাগৰাকীও শিল্পীৰ সহযোগত ‘প্ৰাণৰ মাধুৰী বুটলি বুটলি’ শীৰ্ষক সমবেত সংগীত পৰিৱেশন কৰে। জুবিনৰ জনপ্ৰিয় ‘অন্ধ আকাশ ৰুদ্ধ বতাহ’ গীতত নৃত্যাংগণ কলা কেন্দ্ৰৰ শিক্ষাৰ্থীসকলৰ নৃত্যয়ো অনুষ্ঠানৰ সৌন্দৰ্য বৃদ্ধি কৰে। ইয়াৰোপৰি শিশু শিল্পী তূৰ্যাদশী গগৈৰ গীত, ডিব্ৰু লোক সাংস্কৃতিক কেন্দ্ৰৰ শিক্ষাৰ্থীসকলৰ বাঁহীত ‘মায়াবিনী’ গীতৰ সুৰ আৰু জুবিন গাৰ্গৰ সৈতে গীত পৰিৱেশন কৰা জনপ্ৰিয় কণ্ঠশিল্পী জুপিতৰা কাকতিৰ গীতে অনুষ্ঠানৰ পৰিৱেশ অধিক আবেগিক কৰি তোলে। বিশেষ আকৰ্ষণ হিচাপে জনপ্ৰিয় কণ্ঠশিল্পী পম্পী পূৰৱীয়ে গীতৰ শৰাই আগবঢ়ায়। ইণ্ডিয়ান আইডলত জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰা শিশু শিল্পী জেনিফা আহমেদে গীত পৰিৱেশন কৰি অনুষ্ঠানৰ পৰিৱেশ জীপাল কৰি তোলে। সন্ধিয়াৰ পৰা নিশালৈকে চলা ‘জুবিন দিৱস’ত থানা চাৰিআলিত ডিব্ৰুগড়ৰ বিভিন্ন প্ৰান্তৰ পৰা অহা অগণন লোকৰ সমাগম ঘটে। অনুষ্ঠানৰ শেষত উপস্থিত ৰাইজে সমস্বৰে ‘মায়াবিনী’ গীত পৰিৱেশন কৰি জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰাৰ লগতে তেওঁৰ মৃত্যুৰ উচিত ন্যায়ৰ দাবী উত্থাপন কৰে। জুবিনৰ গীত, সুৰ আৰু স্মৃতিৰে মুখৰ হৈ পৰা এই অনুষ্ঠানৰ জৰিয়তে ডিব্ৰুগড়বাসীয়ে পুনৰ এবাৰ প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি থকা গভীৰ ভালপোৱা আৰু শ্ৰদ্ধা প্ৰকাশ কৰে। জুবিন শাৰীৰিকভাৱে নাথাকিলেও তেওঁৰ সৃষ্টি, সুৰ আৰু গান অসমৰ জনমানসত সদায় জীয়াই থাকিব— এই অনুভূতিৰে সামৰণি পৰে ‘জুবিন দিৱস’ৰ।

আমগুৰিৰ হালোৱাটিঙত কয়লাভৰ্তি ট্ৰাক জব্দ; অতিৰিক্ত কয়লা সৰবৰাহ কৰাৰ অভিযোগ

অসম বাৰ্তা, চেলেংহাট, ২০ ছেপ্টেম্বৰ ঃ শিৱসাগৰ জিলাৰ অসম নগালেণ্ড সীমান্তৰ হালোৱাটিঙত যোৱা ১৬ ছেপ্তেম্বৰত আৰক্ষীয়ে জব্দ কৰিলে এখন অতিৰিক্ত কয়লা কঢ়িয়াই অনা ট্ৰাক জব্দ কৰে। জানিব পৰামতে খাৰচাঙৰ পৰা আমগুৰিৰ এখন চাহ বাগানলৈ কয়লা কঢ়িয়াই অনা এএছ-২৫-এফচি-১৮৭৩ নম্বৰৰ ট্ৰাকখনত অবৈধ ভাবে আৰু ট্ৰাকৰ বহন ক্ষমতাতকৈ অধিক কয়লা কঢ়িয়াই অনাৰ অভিযোগত হালোৱাটিং আৰক্ষীয়ে জব্দ কৰে। সম্প্ৰতি হালোৱাটিঙৰ এটা তেল ডিপোৰ চৌহদত আৰক্ষীৰ জিম্মাত ৰখা ট্ৰাকখনৰ নথিপত্ৰ পৰীক্ষাৰ লগতে কৰ সম্পৰ্কীয় নথি পত্ৰ কৰ বিভাগক পৰীক্ষাৰ বাবে গটাই দিয়া হৈছে বুলি আৰক্ষীৰ সূত্ৰে প্ৰকাশ। ইতিমধ্যে হালোৱাটিঙ আৰক্ষীয়ে এই সন্দৰ্ভত ১৯/২০২৬ নম্বৰৰ এটা গোচৰ ৰুজু কৰিছে বুলি প্ৰকাশ। ট্ৰাকখনত অতিৰিক্ত কয়লা বোজাই কৰি অনা বুলি নিশ্চিত কৰিছে হালোৱাটিঙ আৰক্ষীয়ে। ইফালে হালোৱাটিঙত একাংশ যুৱকে মালবাহী যান বাহন আবদ্ধ কৰি ধন দাবী কৰাৰ এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। ব্লেকমেইলিঙত সিদ্ধহস্ত এই যুৱকৰ দলটোৱে জাঁজী মোককচাং ৰাষ্ট্ৰীয় ঘাই পথৰ হালোৱাটিঙত এক প্ৰকাৰৰ তালাচী চকী পাতি মালবাহী ট্ৰাকৰ পৰা ধন সংগ্ৰহ কৰাৰ অভিযোগ দীৰ্ঘদিনীয়া। অঞ্চলটোৰ ওৱেইট ব্ৰীজ সমূহত জোখ মাখ কৰাৰ সময়তো এই যুৱকৰ দলটোৱে ট্ৰাকৰ পৰা ভয় ভাবুকিৰে ধন লোৱাৰো অভিযোগ উঠিছে। চুবুৰীয়া নগালেণ্ডলৈ অসমৰ পৰা যোৱা সৰহভাগ ট্ৰাকৰ পৰা নিয়মিত ধন সংগ্ৰহ কৰা বুলি অভিযোগ থকা এই ছিণ্ডিকেট চক্ৰটোৰ বিৰুদ্ধে শিৱসাগৰৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰু হালোৱাটিঙ আৰক্ষীয়ে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষণীয় হব।

মুখ্য অতিথি হিচাপে উপস্থিত বিধায়ক অৰূপ কুমাৰ দে’

চিৰাঙৰ বিজনীত বিজেপিৰ উদ্যোগত স্বেচ্ছামূলক ৰক্তদান শিবিৰ

অসম, বাৰ্তা, বিজনী, ২০ ছেপ্টেম্বৰ ঃ প্ৰাণৰ শিল্পী হাৰ্টথ্ৰ’ব জুবিন গাৰ্গৰ মহাপ্ৰয়াণৰ দিনটোত প্ৰাণৰ শিল্পী গৰাকীক শ্ৰদ্ধাঞ্জলি জনাই চিৰাং জিলাৰ বিজনী মহকুমা অসামৰিক চিকিৎসালয়ত বিজেপিৰ উদ্যোগত “জীৱন সুৰভি” শীৰ্ষক স্বেচ্ছামূলক ৰক্তদান শিবিৰ অনুষ্ঠিত হয়। বিজনীৰ বিধায়ক অৰূপ কুমাৰ দে’ই প্ৰাণৰ শিল্পী হাৰ্টথ্ৰব জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে ৰক্তদান কৰি মুকলি কৰে উক্ত ৰক্তদান শিবিৰ। উক্ত ৰক্তদান শিবিৰত বিজনীৰ বিধায়ক সহ কেইবাগৰাকী লোকে ৰক্তদান কৰে। অনুষ্ঠানত চিৰাং জিলা বিজেপিৰ সভাপতি ৰতন ৰায়, বিজনীৰ প্ৰাক্তন বিধায়ক কমলসিং নাৰ্জাৰী, বিজনী মহকুমা অসামৰিক চিকিৎসালয়ৰ উপ অধীক্ষক ডাঃ কাঞ্চন দাস সহ অন্যান্য অতিথিবৃন্দ উপস্থিত থাকে।

কুটিৰ শিল্পৰ যোগেদি আদৰ্শবান যুৱক হিচাপে পৰিচিত বুঢ়াবুঢ়ীৰ শিক্ষিত যুৱক প্ৰবীণ বৰা



অসম বাৰ্তা, বান্দৰদেৱা, ২০ ছেপ্টেম্বৰ ঃ নিজৰ পৰিয়ালটোৰ লগতে আন চাৰিটা পৰিয়ালক জীৱিকাৰ সন্ধান দিছে লখিমপুৰ জিলাৰ নাৰায়ণপুৰ সমীপৰ ভোলাবৰি গাঁও পঞ্চায়তৰ অন্তৰ্গত বুঢ়াবুঢ়ী গাঁৱৰ শিক্ষিত যুৱক প্ৰবীণ বৰাই। নিজৰ ঘৰতে গঢ়ি তুলিছে এটি কুটিৰ শিল্পৰ প্ৰকল্প। জিলা খনৰ বিভিন্ন প্ৰান্তৰ পৰা কাকৈ বাঁহ সংগ্ৰহ কৰি নিজৰ ঘৰতে গঢ়ি তোলা এই ক্ষুদ্ৰ উদ্যোগ প্ৰতিষ্ঠানটোত স্থানীয় কেইবাটাও পৰিয়ালক সংস্থাপন দি অঞ্চলটোত আদৰ্শৱান যুৱক হিচাপে পৰিচিত হৈ পৰিছে। যি সময়ত অসমৰ হাজাৰ হাজাৰ যুৱক-যুৱতী কৰ্মৰ সন্ধানত বাহিৰলৈ ঢাপলি মেলিছে সেই সময়ত প্ৰবীণ বৰাই গাঁৱে-গাঁৱে বাঁহ সংগ্ৰহ কৰি বাঁহৰ পৰা শৰাই, সঁফুৰা, জাপি, পেপাঁ, আদি বিভিন্ন সামগ্ৰী প্ৰস্তুত কৰি অসমৰ বিভিন্ন প্ৰান্তলৈ প্ৰেৰণ কৰাৰ উপৰিও বিদেশলৈকো আমদানী কৰাৰ ব্যাপক প্ৰস্তুতি চলাইছে। হাতত মাত্ৰ ১০০ টকা মূলধন লৈ ব্যৱসায় আৰম্ভ কৰা প্ৰবীণ বৰাই এতিয়ালৈকে লাভ কৰা নাই কোনো চৰকাৰী সাহায্য। চৰকাৰৰ পৰা আৰ্থিক অনুদান লাভ কৰিলে উক্ত প্ৰকল্পটো আৰু কিছু উন্নত কৰি বহুকেইজন নিবনুৱা যুৱকক সংস্থাপন দিব পৰা যাব বুলি সংবাদ মাধ্যমক জানিবলৈ দিয়ে।

হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গলৈ শিৱসাগৰত শ্ৰদ্ধাঞ্জলি জ্ঞাপন ৱাৰিয়ৰ্ছৰ

অসম বাৰ্তা, গেলেকী, ২০ ছেপ্টেম্বৰ ঃ শিৱসাগৰ দ’ল মুখ চাৰিআলিৰ অস্থায়ী প্ৰাংগনত ‘WARIORS শিৱসাগৰ জিলা সমিতি’ৰ উদ্যোগত আৰু ‘সুৰক্ষা দল অসম’ৰ সহযোগত আমাৰ সকলোৰে মৰমৰ হিয়াৰ আমঠু জুবিন গাৰ্গলৈ এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অতি গাম্ভীৰ্যপূৰ্ণভাৱে অনুষ্ঠিত হৈ যায়। ৱাৰিয়ৰ্ছ শিৱসাগৰ জিলা সভাপতি প্ৰাঞ্জল প্ৰতিম বুঢ়াগোহাঁই ডাঙৰীয়াৰ আঁত ধৰা অনুষ্ঠানটোৰ আৰম্ভণিতে প্ৰাণৰ শিল্পীজনাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু এক মিনিট মৌন প্ৰাৰ্থনাৰে শ্ৰদ্ধা নিবেদন কৰা হয়। সুৰক্ষা দলৰ সভাপতি ভাস্কৰ বৰুৱাই ফুল আৰু ধূপ-চাকিৰে জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে জিলা সমিতিৰ উপস্থিত সকলো সতীৰ্থই তেখেতৰ প্ৰতিচ্ছবিত শ্ৰদ্ধা নিবেদন কৰে। উল্লেখযোগ্য যে, অনুষ্ঠানৰ গাম্ভীৰ্যতা বৃদ্ধি কৰি শিৱসাগৰ জিলাৰ পৌৰপতি স্মৃতি ৰেখা দত্তই স্বইচ্ছাত উপস্থিত হৈ এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। জিলা সমিতিৰ উপদেষ্টা ৰূপজ্যোতি নেওঁগ দত্তই সভাপতিত্ব কৰা এই সভাত উদ্দেশ্য ব্যাখ্যা কৰে সভাপতি প্ৰাঞ্জল প্ৰতিম বুঢ়াগোহাঁয়ে। অনুষ্ঠানৰ অংশ হিসেবে জুবিন গাৰ্গৰ ওপৰত আয়োজিত অনলাইন কবিতা আবৃত্তি প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগীক ট্ৰফী আৰু মানপত্ৰ প্ৰদান কৰা হয়। ইয়াৰোপৰি উপস্থিত সতীৰ্থসকলে জুবিন গাৰ্গক লৈ স্বৰচিত কবিতা আবৃত্তি কৰে। সভাৰ শেষত সকলোৰে সমূৰ্থকভাৱে ‘মায়াবিনী’ গীত পৰিৱেশনেৰে কাৰ্যসূতিৰ বৰ্ণিল আৰু আৱেগিক সমাপ্তি ঘটায়। উক্ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত জিলা সমিতিৰ উপদেষ্টা ৰূপজ্যোতি নেওগ দত্ত, কিৰণ বৰুৱা, ৱাহিদ আলী; সভাপতি প্ৰাঞ্জল বুঢ়াগোহাঁই; উপসভানেত্ৰী তৃষ্ণা গগৈ, ৰূপাঞ্জলী চেতিয়া গগৈ; বিত্ত সম্পাদক ইয়াচীন আহমেদ, সহ-বিত্ত সম্পাদিকা কল্পনা বৰুৱাৰ লগতে ৰশ্মি কোঁৱৰ, ৱাহিদা বেগম, বুলি দত্ত, নাজলীন বেগম, ৰঞ্জুমণি ডেকামহন, মচফিকা বেগম, ডিম্পী চাংমাই, বৰ্ণালী চাংমাই, তনুজা বেগম, আৰবিনা খান, বীনা দাস, মৌচুমী দাস, ৰাণী হুছেইন, চুলেমা বেগম, পলি বড়া, চুমী গগৈ, ইলাময়ী শইকীয়া, অনুৰাধা চেতিয়া আৰু অংকুশ দত্ত প্ৰমুখ্যে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি তথা সতীৰ্থ উপস্থিত আছিল।

সহস্ৰাধিক বন্তি প্ৰজ্বলনেৰে প্ৰিয় শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি

দুধনৈ প্ৰেছ ক্লাব আৰু সন্মিলীত শিল্পী সমাজৰ জুবিন দিৱস উদযাপন

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ২০ ছেপ্টেম্বৰ ঃ হিয়াৰ আমঠু, প্ৰাণৰ শিল্পী জুবিন গাৰ্গ বিহীন এটা বছৰ সম্পূৰ্ণ হ’ল। ১৯ চেপ্তেম্বৰ। বিশেষ দিনটোত সমগ্ৰ অসমৰ লগতে দুধনৈতো গভীৰ শ্ৰদ্ধা আৰু ভক্তিৰে ‘জুবিন দিৱস’ হিচাপে জুবিন গাৰ্গৰ প্ৰথম মৃত্যুবাৰ্ষিকী উদ্‌যাপন কৰা হয়। দুধনৈ প্ৰেছ ক্লাবৰ উদ্যোগত দুধনৈ পৰিদৰ্শন বঙলাৰ সন্মুখত আয়োজন কৰা এক ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ৰাতিপুৱা দহ বজাত মহান শিল্পীগৰাকীৰ প্ৰতি আনুষ্ঠানিকভাৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি পদ্মশ্ৰী ড° যোগেশ দেউৰীয়ে অনুষ্ঠানৰ শুভাৰম্ভ কৰে। দুধনৈ প্ৰেছ ক্লাবৰ সহকাৰী সম্পাদক ভৱেশ ভাগবতীয়ে আঁত ধৰা এই আৱেগিক অনুষ্ঠানটোত দুধনৈ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ভাৰ্গৱ বৰবৰা, দুধনৈ গাঁও পঞ্চায়তৰ সভানেত্ৰী ছানিয়া ৰাভা, জিলা পৰিসদৰ সদস্যা নীভা খাখলাৰী, আঞ্চলিক পঞ্চায়তৰ সদস্যা কল্পনা ভাগৱতীৰ লগতে অঞ্চলটোৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত বৈপ্লৱিক তথা কালজয়ী শিল্পীগৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ পিছতে তেওঁৰ অমৰ সৃষ্টি তথা প্ৰাৰ্থনা গীত স্বৰূপ ‘মায়াবিনী ৰাতিৰ জোনাক’ পৰিৱেশনেৰে সকলোৱে মহান শিল্পীগৰাকীক স্মৰণ কৰে। সন্ধিয়া শ্ৰদ্ধাঞ্জলি স্থলীত ৫০০ গছি বন্তি প্ৰজ্বলন কৰি হিয়াৰ আমঠু জুবিন গাৰ্গৰ আত্মাৰ সদগতি কামনাৰ লগতে তেওঁলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰা হয়। আনহাতে হিয়াৰ আমঠু, জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই দুধনৈ জনমন্দিৰ সাংস্কৃতিক ভৱন প্ৰেক্ষাগৃহত আয়োজন কৰা হৈছে এক ব্যতিক্ৰমী অনুষ্ঠান ‘ধুমুহাৰ স’তে এদিন... জুবিন দিৱস’। সন্মিলিত শিল্পী সমাজ, দুধনৈৰ উদ্যোগত তথা অঞ্চলটোৰ কেইবাটাও সামাজিক-সাংস্কৃতিক সংগঠনৰ সহযোগত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে এই দিৱস। দুধনৈৰ জনমন্দিৰ সাংস্কৃতিক ভৱনত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা ‘জুবিন দিৱস’ত ৰাতিপুৱা জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে জুবিন দিৱস উদ্‌যাপন সমিতিৰ সভাপতি সুকুমাৰ ৰায়ে। ইয়াৰ পাছতেই অনুষ্ঠিত হয় গছপুলি ৰোপণ কাৰ্যসূচী মহিলা নাম দলৰ দ্বাৰা নাম পৰিৱেশন। তাৰ পিচতেই অনুষ্ঠিত হয় বিশিষ্ট সাংস্কৃতিক কৰ্মী গোপী ৰাভাৰ সঞ্চালনাত জুবিন গাৰ্গৰ ওপৰত এক বিশেষ আলোচনা চক্ৰ অনুষ্ঠান। য’ত বিশিষ্ট অতিথি হিচাপে গুৱাহাটীৰ বিশিষ্ট সংগীত শিল্পী মৃণাল কান্তি মেধি, ডায়েটৰ অধ্যক্ষ সীমান্ত বৰঠাকুৰ, দুধনৈ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা বন্দীতা বৰবৰা আৰু স্থানীয় সংগীত শিল্পী কনিষ্ক হাজোৱাৰীয়ে অংশগ্ৰহণ কৰি জুবিন গাৰ্গৰ সংগীত জীৱন আৰু সমাজলৈ তেওঁৰ অৱদান সম্পৰ্কে বক্তব্য আগবঢ়ায় আৰু জুবিন গাৰ্গৰ বৰ্ণিল জীৱনৰ ওপৰত আলোকপাত কৰে। দুধনৈ উন্নয়ন কমিটি, ব্যৱসায়ী সন্থা, সাহিত্য সভা, প্ৰেছ ক্লাব, নাট্য সন্মিলন, লেখিকা সমাৰোহ সমিতিকে ধৰি দুধনৈৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সক্ৰিয় সহযোগত আয়োজিত এই দিৱসৰ সন্ধিয়ালৈ আয়োজন কৰা হয় ‘মায়াবিনী সাংস্কৃতিক সন্ধিয়া’। সন্ধিয়া বন্তি প্ৰজ্বলনৰ পাছতেই স্থানীয় কণ্ঠশিল্পী সকলৰ কণ্ঠত প্ৰাণ পাই উঠে হিয়াৰ আমঠু জুবিন গাৰ্গৰ জনপ্ৰিয় গীতসমূহ। এক অনন্য সাংস্কৃতিক আৱেগেৰে দুধনৈবাসীয়ে স্মৰণ কৰিছে প্ৰিয় শিল্পীগৰাকীক।

মৃত্যু বাৰ্ষিকীত নিজৰ গাড়ীৰে যাত্ৰীক আগবঢ়ালে বিনামূলীয়া সেৱা

জুবিনলৈ শ্ৰদ্ধাঞ্জলি জনাই কথা ৰাখিলে মাজুলীৰ অৰুণে

অসম বাৰ্তা, উজনী মাজুলী, ২০ ছেপ্টেম্বৰ ঃ প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জনাই মাজুলীৰ এগৰাকী সাধাৰণ যুৱকে গ্ৰহণ কৰা ব্যতিক্ৰমী পদক্ষেপে আজি বিশেষ চৰ্চা লাভ কৰিছে। জুবিন গাৰ্গৰ প্ৰতি থকা গভীৰ ভালপোৱাৰ নিদৰ্শন হিচাপে নিজৰ উপাৰ্জনৰ কথা চিন্তা নকৰি পোলোঙানী গাঁৱৰ যুৱক তথা গাড়ীচালক অৰুণ বৰাই আজি যাত্ৰীসকলক বিনামূলীয়াকৈ অহা-যোৱা কৰাই শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ফুলনি চাৰিআলিৰ পৰা অফলামুখ ফেৰীঘাটলৈ বিগত প্ৰায় ১২ বছৰে গাড়ী চলাই পৰিয়াল পোহপাল দি অহা অৰুণ বৰাই পূৰ্বেই ঘোষণা কৰিছিল যে জুবিন গাৰ্গৰ প্ৰথম মৃত্যু বাৰ্ষিকীত তেওঁ নিজৰ গাড়ীৰে যাত্ৰীসকলক বিনামূলীয়া সেৱা আগবঢ়াব। সেই প্ৰতিশ্ৰুতি অনুসৰিয়েই আজি প্ৰাণৰ শিল্পী গৰাকীৰ প্ৰথম স্মৃতি দিৱসৰ দিনা পুৱা ৭ বজাত ফুলনি চাৰিআলিৰ পৰা অফলামুখ ফেৰীঘাটলৈ, পুৱা ১১ বজাত অফলামুখৰ পৰা ফুলনি চাৰিআলিলৈ, বিয়লি ২ বজাত পুনৰ ফুলনি চাৰিআলিৰ পৰা অফলামুখলৈ আৰু বিয়লি ৪ বজাত অফলামুখৰ পৰা ফুলনি চাৰিআলিলৈ যাত্ৰীসকলক সম্পূৰ্ণ বিনামূলীয়াকৈ অহা-যোৱা কৰায় অৰুণ বৰাই। জুবিন গাৰ্গৰ প্ৰতি থকা নিজৰ আবেগৰ কথা প্ৰকাশ কৰি অৰুণ বৰাই কয় যে প্ৰাণৰ শিল্পীগৰাকীয়ে জীৱিত কালত সমাজৰ বাবে কাম কৰাৰ লগতে দুখীয়া-দৰিদ্ৰ লোকক সহায় কৰি গৈছিল। “আমি জুবিন দাক একোৱেই দিব নোৱাৰিলোঁ। তেওঁৰ মৃত্যুদিনটোত কেনেদৰে তেওঁক সুঁৱৰিম, সেই কথা ভাবি এই পদক্ষেপ গ্ৰহণ কৰিছোঁ। মোৰ এখন গাড়ী আছে, সেয়েহে তেওঁৰ নামত সেইখনৰ জৰিয়তে যাত্ৰীসকলক বিনামূলীয়াকৈ সেৱা আগবঢ়োৱাৰ সিদ্ধান্ত লৈছিলোঁ। এয়াই মোৰ শ্ৰদ্ধাঞ্জলি” বুলি অৰুণ বৰাই কয়। উল্লেখ্য যে জুবিন গাৰ্গৰ প্ৰতি থকা গভীৰ ভালপোৱাৰ পৰাই অৰুণ বৰাই এই বিশেষ পদক্ষেপ গ্ৰহণ কৰিছিল। টকাৰে নহয়, নিজৰ সামৰ্থ্য আৰু মনৰ শ্ৰদ্ধাৰে প্ৰাণৰ শিল্পীগৰাকীক সুঁৱৰিবলৈ অৰুণে নিজৰ জীৱিকাৰ অন্যতম সম্বল গাড়ীখনকে শ্ৰদ্ধাঞ্জলিৰ মাধ্যম হিচাপে বাছি লয়। আজি দিনটোত যাত্ৰীসকলৰ পৰা কোনো ধৰণৰ ভাড়া নলৈ সম্পূৰ্ণ বিনামূলীয়াকৈ সেৱা আগবঢ়াই অৰুণে জুবিন গাৰ্গলৈ আগবঢ়োৱা শ্ৰদ্ধাঞ্জলিৰ জৰিয়তে শিল্পীগৰাকীৰ প্ৰতি থকা মাজুলীবাসীৰ গভীৰ আৱেগ আৰু ভালপোৱাৰো এক অনন্য ছবি দাঙি ধৰিলে। অৰুণ বৰাৰ এই পদক্ষেপত যাত্ৰীসকলেও কৃতজ্ঞতা প্ৰকাশ কৰে। প্ৰাণৰ শিল্পীগৰাকীৰ স্মৃতি দিৱসত এগৰাকী সাধাৰণ গাড়ীচালকে নিজৰ উপাৰ্জন ত্যাগ কৰি আগবঢ়োৱা এই সেৱাক যাত্ৰীসকলে আন্তৰিকতাৰে শলাগ লয়।

প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰথমটো স্মৃতি দিৱস ডিব্ৰুগড়ত উদ্‌যাপন অসম অনুসূচিত জাতি সংযুক্ত মৰ্চাৰ

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২০ ছেপ্টেম্বৰ ঃ প্ৰাণৰ শিল্পীৰ সোঁৱৰণত অসম অনুসূচিত জাতি সংযুক্ত মৰ্চা, ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত নতুন গাওঁ ৰাইজৰ সহযোগত আজি নতুন গাঁও তিনিআলিত হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰথম বাৰ্ষিকী স্মৃতি দিৱস উদযাপন কৰে। ডিব্ৰুগড়ৰ নতুন গাঁও তিনিআলিত সন্ধিয়া মানৱতাবাদী জুবিনৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে লুইতপৰীয়া লোক সাংস্কৃতিক কলা কেন্দ্ৰ নৃত্য গুৰু নিয়ন্ত দাসে। অসম অনুসূচিত জাতি সংযুক্ত মৰ্চা, ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি বিপিন বড়াৰ নেতৃত্বত অসাধাৰণ ব্যক্তিত্বৰ অধিকাৰী হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ আকাশ জয় কৰা “মায়াবিনী” গীত পৰিবেশন কৰে। চন্দন দাসে আঁতধৰা অনুষ্ঠানত বৰপথাৰ কোঁৱৰগাঁৱৰ নামতি দল - পৰিচালনা গৌৰী গগৈ আৰু শংকৰদেৱ ৰে’লৱে কলনীৰ নামতি দল, পৰিচালনা নিভা দাস আৰু নিশা শেনছোৱা, বগীবিল ব্ৰহ্মপুত্ৰ কলাকেন্দ্ৰৰ প্ৰকাশ লোহাৰ, স্মৃতিৰানি চুতীয়াৰ- হৰি নাম আৰু নেগেৰা বাদন, আশাৰ ৰেঙনি নাট্য গোষ্ঠীৰ লাৱন্য দাস আৰু ধন দাসৰ লগতে বহুশিল্পীসকলে সাংস্কৃতিক অনুষ্ঠানত সংগীতৰ এক মহান যাদুকৰ জুবিন গাৰ্গৰ গীত-আৰু নৃত্য আধাৰত নৃত্য পৰিবেশন কৰে। অনুষ্ঠানত বহুসংখ্যক ৰাইজ উপস্থিত থাকে।

গহপুৰত চুৰিৰ ধাৰাবাহিক ঘটনাই সৃষ্টি কৰিছে আতংকৰ পৰিৱেশ
গৰু চুৰিৰ পিছত এইবাৰ নামঘৰতো চোৰৰ চাফাই অভিযান

খাৰৈগুৰি বৰ নামঘৰৰ মণিকূটৰ তলা ভাঙি চোৰে লৈ গ'ল চাৰিযোৰ ভোৰ তাল

অসম বাৰ্তা, গহপুৰ, ১৮ ছেপ্টেম্বৰ ঃ গহপুৰ আৰক্ষী থানাৰ অধীনস্থ হাৰাজান আৰক্ষী চকীৰ অন্তৰ্গত খাৰৈগুৰি বৰ নামঘৰত সংঘটিত এক চুৰি কাণ্ডই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, যোৱা নিশা দুৰ্বৃত্তই নামঘৰটোৰ মণিকূটৰ তলা ভাঙি ভিতৰত প্ৰৱেশ কৰি চাৰিযোৰ ভোৰ তাল লৈ উধাও হয়। পুৱাই নামঘৰীয়াই নামঘৰৰ মণিকূটৰ তলা ভঙা অৱস্থাত প্ৰত্যক্ষ কৰাৰ পিছতে ঘটনাটো পোহৰলৈ আহে। নামঘৰৰ সামগ্ৰী চুৰি হোৱা ঘটনাই ভক্তপ্ৰাণ ৰাইজৰ মাজত স্বাভাৱিকতে ক্ষোভ আৰু উদ্বেগৰ সৃষ্টি কৰিছে। পৱিত্ৰ নামঘৰৰ মণিকূটৰ তলা ভাঙি চোৰে ধৰ্মীয় সামগ্ৰী লৈ যোৱা ঘটনাক লৈ স্থানীয় ৰাইজে তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে বিগত কিছুদিন ধৰি গহপুৰৰ বিভিন্ন অঞ্চলত এটাৰ পিছত এটাকৈ চুৰি কাণ্ড সংঘটিত হৈ অহাৰ অভিযোগ উত্থাপিত হৈছে। ক'ৰবাত যদি গৰু চুৰি, আন ক'ৰবাত ঘৰত চুৰি, আনহাতে নামঘৰ-মন্দিৰতো চোৰে চলাইছে লুটপাত। ফলত নিজৰ ঘৰ-দুৱাৰ, ধন-সম্পত্তি আৰু ধৰ্মীয় অনুষ্ঠানসমূহৰ নিৰাপত্তাক লৈ সাধাৰণ ৰাইজৰ মাজত উদ্বেগ বৃদ্ধি পাইছে। বিশেষকৈ গহপুৰ আৰক্ষী থানাৰ অন্তৰ্গত বিভিন্ন এলেকাত সঘনাই চুৰি কাণ্ড সংঘটিত হোৱাৰ অভিযোগে আৰক্ষীৰ নিৰাপত্তা ব্যৱস্থাক লৈও প্ৰশ্ন উত্থাপন কৰিছে। নিশাৰ ভাগত আৰক্ষীৰ টহল আৰু সন্দেহজনক লোক-যানবাহনৰ ওপৰত নজৰদাৰী অধিক শক্তিশালী কৰাৰ দাবী জনাইছে স্থানীয় ৰাইজে। ইয়াৰ পূৰ্বেও গহপুৰৰ বিভিন্ন অঞ্চলত গৰু চুৰি, গৃহচুৰি আদি ঘটনাই ৰাইজৰ মাজত আতংকৰ সৃষ্টি কৰি আহিছে। এতিয়া পৱিত্ৰ নামঘৰতেই চোৰৰ হাত পৰাত বিষয়টোৱে অধিক গুৰুত্ব লাভ কৰিছে। ৰাইজৰ অভিযোগ— এটাৰ পিছত এটাকৈ চুৰিৰ ঘটনা সংঘটিত হৈ থকাৰ পিছতো চুৰি প্ৰতিৰোধৰ ক্ষেত্ৰত আশানুৰূপ ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। খাৰৈগুৰি বৰ নামঘৰৰ এই চুৰি কাণ্ডৰ সৈতে জড়িত দুৰ্বৃত্তক শীঘ্ৰে চিনাক্ত কৰি গ্ৰেপ্তাৰ কৰাৰ লগতে চুৰি হোৱা চাৰিযোৰ ভোৰ তাল উদ্ধাৰ কৰিবলৈ আৰক্ষীৰ ওচৰত দাবী জনাইছে স্থানীয় ৰাইজে। সমান্তৰালভাৱে গহপুৰ আৰু হাৰাজান আৰক্ষী চকীৰ অন্তৰ্গত চুৰিপ্ৰৱণ অঞ্চলসমূহত নিশাৰ টহল বৃদ্ধি, সন্দেহজনক ব্যক্তিৰ ওপৰত নজৰদাৰী আৰু ধৰ্মীয় অনুষ্ঠানসমূহৰ নিৰাপত্তা অধিক কটকটীয়া কৰাৰ দাবীও উত্থাপন হৈছে। আৰক্ষীয়ে খাৰৈগুৰি বৰ নামঘৰৰ চুৰি হোৱা সামগ্ৰী উদ্ধাৰ কৰি জড়িত লোকসকলক আইনৰ গৰাহত আনিবলৈ সক্ষম হয় নে নহয়, সেয়া পৰৱৰ্তী সময়তহে স্পষ্ট হ'ব।

নিচামুক্ত ভাৰত গঢ়াৰ শপত ল'লে এন. চি. চি. কেডেটে



অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৮ ছেপ্টেম্বৰ ঃ ডুমডুমা বংগীয় বিদ্যালয়ৰ এন চি চি ট্ৰুপৰ উদ্যোগত শুকুৰবাৰে বিদ্যালয় চৌহদত 'নশা মুক্ত ভাৰত অভিযান'ৰ অধীনত এক সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত হয়। ২৬ অসম এন চি চি বেটেলিয়ন, ডিগবৈৰ নিৰ্দেশনাত অনুষ্ঠিত কাৰ্যসূচীটোৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক নিচাযুক্ত দ্ৰব্য সেৱনৰ ভয়াৱহতা সম্পৰ্কে সজাগ কৰাৰ লগতে নিচামুক্ত আৰু সুস্থ জীৱনশৈলীৰ প্ৰতি উৎসাহিত কৰা হয়। বেটেলিয়নৰ কামাণ্ডিং অফিচাৰ কৰ্ণেল এছ কে আগৰৱালৰ নিৰ্দেশনা অনুসৰি অনুষ্ঠিত কাৰ্যসূচীত এন চি চি কেডেট, শিক্ষক-শিক্ষয়িত্ৰী, প্ৰশাসনিক কৰ্মচাৰীসকলেও অংশগ্ৰহণ কৰে। কাৰ্যসূচীৰ অংশ হিচাপে অংশগ্ৰহণকাৰীসকলে নিজকে, পৰিয়াল আৰু সমাজক ড্ৰাগছ, সুৰা তথা অন্যান্য নিচাযুক্ত সামগ্ৰীৰ পৰা মুক্ত ৰখাৰ বাবে শপত গ্ৰহণ কৰে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক পুতুকন ডেকাই ভাষণত নিচাসক্তি আৰম্ভ হোৱাৰ বিভিন্ন সূক্ষ্ম দিশৰ বিষয়ে কেডেটসকলক সতৰ্ক কৰি দিয়ে। তেওঁ কয় যে সুৰা, গুটখা আৰু ধঁপাতজাতীয় সামগ্ৰীৰ সৈতে প্ৰথম পৰিচয় বহু সময়ত সমনীয়া বা বন্ধুৰ প্ৰৰোচনা আৰু হেঁচাৰ জৰিয়তে হয়। সেয়ে ছাত্ৰ-ছাত্ৰীসকলে দৃঢ় মনোবলৰ পৰিচয় দি সংগ বাছনিৰ ক্ষেত্ৰত সতৰ্ক হোৱাৰ লগতে এনে প্ৰস্তাৱক দৃঢ়ভাৱে অস্বীকাৰ কৰিবলৈ তেওঁ আহ্বান জনায়। সামান্য পৰীক্ষামূলক সেৱনেও পৰৱৰ্তী সময়ত গুৰুতৰ নিচাসক্তিৰ ৰূপ ল'ব পাৰে বুলি সতৰ্ক কৰি দি ডেকাই এন চি চি কেডেটসকলক নিজৰ পৰিয়াল আৰু সমাজত নিচামুক্ত ভাৰত অভিযানৰ আদৰ্শ প্ৰতিনিধি হিচাপে ভূমিকা পালন কৰিবলৈ আহ্বান জনায়।

অভয়াপুৰী সমজিলাত অমীমাংসিত গোচৰ নিষ্পত্তিৰ বাবে বিশেষ শুনানী

অসম বাৰ্তা, অভয়াপুৰী, ১৯ ছেপ্টেম্বৰ ঃ অভয়াপুৰী সমজিলাৰ দ্বিতীয় বৰ্ষপূৰ্তি উপলক্ষে গ্ৰহণ কৰা বিভিন্ন কাৰ্যসূচীৰ অংশ হিচাপে দীৰ্ঘদিন ধৰি অমীমাংসিত হৈ থকা গোচৰসমূহ নিষ্পত্তিৰ বাবে এক বিশেষ শুনানীৰ আয়োজন কৰা হৈছে। অহা ২৬ ছেপ্টেম্বৰ, ২০২৬ তাৰিখে শনিবাৰে পুৱা ১০ বজাৰ পৰা অভয়াপুৰী সমজিলা দণ্ডাধীশৰ কাৰ্যালয় চৌহদত এই বিশেষ শুনানী অনুষ্ঠিত হ'ব। ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা (BNSS)ৰ ১২৬, ১৫২ আৰু ১৬৪ ধাৰাৰ অধীনত পঞ্জীয়ন হোৱা দীৰ্ঘদিন ধৰি অমীমাংসিত হৈ থকা এজাহাৰ-বিহীন গোচৰসমূহ নিষ্পত্তি কৰাৰ উদ্দেশ্যেই এই বিশেষ শুনানীৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সমজিলা প্ৰশাসনৰ উদ্যোগত অনুষ্ঠিত হ'বলগীয়া এই বিশেষ শুনানীৰ জৰিয়তে পুৰণি গোচৰসমূহৰ শুনানী গ্ৰহণ কৰি সংশ্লিষ্ট পক্ষসমূহৰ বক্তব্য আৰু তথ্য-পাতি পৰ্যালোচনাৰ ব্যৱস্থা কৰা হ'ব। এই সন্দৰ্ভত ইতিমধ্যে সংশ্লিষ্ট গোচৰসমূহৰ পক্ষসমূহলৈ জাননী প্ৰেৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। সমজিলা প্ৰশাসনে সংশ্লিষ্ট গোচৰৰ উভয় পক্ষকে নিৰ্ধাৰিত তাৰিখ, সময় আৰু স্থানত উপস্থিত থাকি বিশেষ শুনানীত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। শুনানীৰ সময়ত প্ৰয়োজনীয় নথি-পত্ৰ আৰু আন আন সংশ্লিষ্ট তথ্য লগত লৈ উপস্থিত থাকিবলৈও পক্ষসমূহক আহ্বান জনোৱা হৈছে। উল্লেখযোগ্য যে দীৰ্ঘদিন ধৰি কোনো গোচৰ অমীমাংসিত হৈ থাকিলে সংশ্লিষ্ট পক্ষসমূহে বিভিন্ন ধৰণৰ অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়। এনে পৰিপ্ৰেক্ষিতত অমীমাংসিত গোচৰসমূহৰ ক্ষিপ্ৰ নিষ্পত্তিৰ বাবে গ্ৰহণ কৰা এই বিশেষ শুনানীৰ পদক্ষেপে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। সমজিলা প্ৰশাসনৰ এই বিশেষ পদক্ষেপৰ জৰিয়তে দীৰ্ঘদিন ধৰি অমীমাংসিত হৈ থকা গোচৰসমূহৰ নিষ্পত্তিৰ লগতে সংশ্লিষ্ট পক্ষসমূহক সময়মতে ন্যায় প্ৰদানৰ প্ৰক্ৰিয়া অধিক ক্ষিপ্ৰ হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে। অভয়াপুৰী সমজিলাৰ দ্বিতীয় বৰ্ষপূৰ্তিৰ সৈতে সংগতি ৰাখি গ্ৰহণ কৰা এই পদক্ষেপে প্ৰশাসনিক সেৱা অধিক ফলপ্ৰসূ আৰু জনমুখী কৰাৰ ক্ষেত্ৰতো ইতিবাচক ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

ডুমডুমাৰ কুমাৰ পট্টীত স্বামীৰ চোকা অস্ত্ৰৰ আক্ৰমণত পত্নী নিহত, গুৰুতৰভাৱে আহত কন্যা

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৮ ছেপ্টেম্বৰ ঃ ডুমডুমাৰ কুমাৰ পট্টীত শুকুৰবাৰে পুৱতি নিশা সংঘটিত এক চাঞ্চল্যকৰ ঘটনাত স্বামীৰ চোকা অস্ত্ৰৰ আক্ৰমণত এগৰাকী ৪৭ বছৰীয়া মহিলা নিহত হোৱাৰ লগতে তেওঁলোকৰ কন্যা গুৰুতৰভাৱে আহত হয়। ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে মহিলাগৰাকীৰ স্বামীক আটক কৰিছে। আৰক্ষী সূত্ৰে জানিব পৰা মতে, ৰাজ কুমাৰ যাদৱ (৫০) নামৰ লোকজনে নিশা প্ৰায় ১.৩০ বজাত পত্নী লক্ষ্মী দেৱী শুই থকা কোঠাত প্ৰৱেশ কৰি চোকা অস্ত্ৰৰে আক্ৰমণ কৰে। আক্ৰমণত গুৰুতৰভাৱে আহত লক্ষ্মী দেৱীৰ ঠিতাতে মৃত্যু ঘটে। সেই সময়ত মাতৃৰ সৈতে শুই থকা কন্যা কিৰণ যাদৱে পিতৃক বাধা দিবলৈ চেষ্টা কৰাত তেওঁকো একে অস্ত্ৰৰে আক্ৰমণ কৰে। পাছত গুৰুতৰভাৱে আহত কিৰণক আৰক্ষী আৰু স্থানীয় ৰাইজৰ সহযোগত তিনিচুকীয়া মেডিকেল কলেজ হাস্পতাললৈ লৈ যোৱা হয়। চিকিৎসকে তেওঁৰ অৱস্থা সংকটজনক বুলি বিবেচনা কৰি ডিব্ৰুগড়লৈ স্থানান্তৰৰ পৰামৰ্শ দিয়াত বৰ্তমান তেওঁ ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ৰ আই চি ইউত চিকিৎসাধীন হৈ আছে। ইফালে, আৰক্ষীয়ে লক্ষ্মী দেৱীৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰাৰ লগতে ৰাজ কুমাৰ যাদৱক আটক কৰি ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। পৰিয়ালৰ সূত্ৰে জানিব পৰা মতে, স্নাতক কিৰণৰ শেহতীয়াকৈ বিবাহ ঠিক হৈছিল আৰু বাগদানো সম্পন্ন হৈছিল। আনহাতে, তেওঁৰ ভাতৃ আকাশ যাদৱ ভাৰতীয় সেনাত কৰ্মৰত আৰু বৰ্তমান অৰুণাচল প্ৰদেশত কৰ্তব্যৰত হৈ আছে। ৰাজ কুমাৰ যাদৱে কিয় এই ঘটনা সংঘটিত কৰিলে সেয়া এতিয়াও জানিব পৰা হোৱা নাই যদিও ঘটনাটোৱে সমগ্ৰ ডুমডুমা অঞ্চলতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

■ ২১ নং অসম ৰাইফলছে অসম আৰক্ষীক চমজাই দিয়ে সদস্যজনক ■

অৰুণাচল প্ৰদেশৰ ভাৰত-ম্যানমাৰ সীমান্তত আলফাৰ(স্বাঃ) সদস্যৰ আত্মসমৰ্পণ

অসম বাৰ্তা বিশেষ, জাগুন, ১৯ ছেপ্টেম্বৰ ঃ অৰুণাচল প্ৰদেশৰ ভাৰত-ম্যানমাৰ সীমান্তৰ পাংচাও পাছত ২১ নং অসম ৰাইফলছৰ ওচৰত আলফাৰ (স্বাধীন) এগৰাকী সদস্যই আত্মসমৰ্পণ কৰে। আত্মসমৰ্পণ কৰা সদস্যজন



বাক্সা জিলাৰ চিমলা গাঁৱৰ কমল শৰণীয়া ওৰফে দিলীপ অসম(২৩) বুলি জানিব পৰা গৈছে। আত্মসমৰ্পণৰ সময়ত সদস্যজনৰ পৰা অসম ৰাইফলছে এখন দা, এটা বেগপেক, ২০ হাজাৰ ম্যানমাৰৰ নগদ ধন আৰু কিছু নথিপত্ৰ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আত্মসমৰ্পণ কৰা সদস্যজনক পৰৱৰ্তী সময়ত অসম ৰাইফলছে অসম আৰক্ষীৰ লেখাপানী আৰক্ষী থানাত চমজাই দিয়ে যদিও সদস্যজনক তিনিচুকীয়া জিলা আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰা হৈছে বুলি লেখাপানী আৰক্ষীৰ সূত্ৰে জানিব পৰা গৈছে।

কাঞ্চনজংঘা

মাটি আৰু মানুহক
ভাল পোৱা গৰীবৰ বন্ধু
দয়াৰ সাগৰ উদাৰমনা
মানৱদৰদী জনকন্ঠ
যাৰ সঙ্গীত আছিল
আত্মাৰ সুধা
মায়াসনা গীতৰে
জগত জিনিলা
জাতিহীন ধৰ্মবিহীন মহামানৱ
হৃদয়ত থাপিলা
মানৱতাৰ জয়গান
সমাজ ৰূপান্তৰৰ ৰণুৱা
মৰিও অমৰ
সুৰীয়া সুৰৰ যাদুৰে
কলিজা কঁপাই
ভালপোৱা সাগৰকে
বুকুত সাবটি
লাজাৰাছ দ্বীপত
জলকেলি কৰি
অভিমান কৰি
শুই পৰিলা চিৰদিনলৈ
প্ৰবাসত নুমাল
জীৱন বন্তি
আকাশৰ বিশালতা
সাগৰৰ গভীৰতাই
তোমাৰ ঠিকনা
মায়াবিনী ৰাতিৰ
এন্ধাৰ নেওঁচি
আকাশে বতাহে
উশাহে নিশাহে
গীতৰ সুৰ হৈ চিৰকাল
বাজি থাকি
বাকাকো খাতিৰ নকৰাকৈ
নাহৰৰ পাতে
তগৰ ফুলেনে
পাহৰে তোমাৰ প্ৰেমগাথা
প্ৰতি ফাগুনৰ পচোৱাই
তোমাৰেই কথা ক'ব
প্ৰতি ব'হাগৰ কপৌফুলে
ক'ব তোমাৰেই বেথা
মায়াবী এন্ধাৰো সোঁৱৰি
বনিজানৰ গানসীমাৰ
পৰিধি ভাঙি
গুঞ্জৰিত হৈছে
মৃত্যু জিনাৰ গান
থাকিবা জিলিকি
মহা মানৱ তুমি
অতি জাগতিক হৈ।

আল্পনা দলে
গুৱাহাটী
(নাৰেংগী)বীৰকুছি

অধ্যয়ন-অধ্যৱসায়ৰ প্ৰতি নিচাসক্ত হ'লেহে জাতিটো তৰিব- ড° দেৱজিৎ শইকীয়া

মাজুলী মহাবিদ্যালয়ত 'নিচা-মুক্ত যুৱশক্তি' শীৰ্ষক সজাগতা সভা, বাটৰ নাট প্ৰদৰ্শন

অসম বাৰ্তা, মাজুলী, ১৮ ছেপ্টেম্বৰ ঃ ভাৰত চৰকাৰৰ ক্ৰীড়া আৰু কাৰ্যসূচী ৰূপায়ণ মন্ত্ৰালয় তথা যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ অধীনত সমগ্ৰ দেশতে বছৰজোৰা কাৰ্যসূচীৰে ৰূপায়ণ কৰা 'নিচামুক্ত যুৱশক্তি' অভিযানৰ লগত সংগতি ৰাখি মাজুলীৰ উচ্চশিক্ষাৰ প্ৰথমখন শিক্ষানুষ্ঠান মাজুলী মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সৌজন্যত আজি মহাবিদ্যালয়খনত কালি এক বিশেষ সজাগতামূলক অনুষ্ঠানৰ আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ 'সত্ৰাধিকাৰ পদ্মকান্তদেৱ গোস্বামী সভাকক্ষ'ত আয়োজিত অনুষ্ঠানৰ আৰম্ভণিতে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ মহাবিদ্যালয় গোটৰ ভাৰপ্ৰাপ্ত বিষয়া, অধ্যাপক ড° অৰূপ বুঢ়াগোহাঁয়ে সজাগতাৰ আঁৰৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে সকলোকে অৱগত কৰে। ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ শীৰ্ষগীতৰে আৰম্ভ হোৱা অনুষ্ঠানটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই শেহতীয়া কিছু ঘটনাৱলীৰ প্ৰসংগৰে নিচা আসক্তিৰ জৰিয়তে এজন ব্যক্তিৰ দেহত কিদৰে ভয়াবহ ৰূপত মানসিক বিসংগতিয়ে দেখা দিব পাৰে সেই বিষয়ে উল্লেখ কৰি কয়, "অধ্যয়ন-অধ্যৱসায়ৰ প্ৰতি নিচাসক্ত হ'লেহে জাতিটো তৰিব।" লগতে ড° শইকীয়াই ড্ৰাগছ বা নিচাযুক্ত মাদক দ্ৰব্যৰ প্ৰতি আসক্ত হোৱাৰ পৰিৱৰ্তে সেই নিচাক সৃষ্টিশীল কৰ্মলৈ ৰূপান্তৰিত কৰি সমাজক আগুৱাই নিবলৈ ছাত্ৰ-ছাত্ৰীক পৰামৰ্শ দিয়ে। অনুষ্ঠানত উপস্থিত থাকি মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়াই মাজুলী জিলাত শেহতীয়াকৈ দেখা দিয়া ড্ৰাগছজনিত অপৰাধসমূহত উদ্বেগ প্ৰকাশ কৰি ছাত্ৰ-ছাত্ৰীসকলক ইয়াৰ বিৰুদ্ধে সজাগ হ'বলৈ আহ্বান জনায়। অনুষ্ঠানত সমল ব্যক্তিৰূপে উপস্থিত থাকি মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° দেৱজ্যোতি ভট্টাচাৰ্যই নিচাযুক্ত যুৱশক্তি থকা এখন দেশক গুৰিয়ালবিহীন নাৱৰ লগত তুলনা কৰি বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হ'বলৈ আমাৰ যুৱশক্তি নিচাৰ বিৰুদ্ধে মাৰ বান্ধি আগবাঢ়ি আহিব লাগিব বুলি উল্লেখ কৰে। চলিত মাহৰ নিচামুক্তি অভিযানৰ বিষয়বস্তু 'মোৰ স্বাস্থ্য, মোৰ গৌৰৱ'ৰ লগত সংগতি ৰাখি তেওঁ মাদ্ৰক দ্ৰৱসমূহত থকা বিষাক্ত উপাদানসমূহে আমাৰ দেহৰ কিদৰে ক্ষতি কৰিব পাৰে তাৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানত উপস্থিত থাকি মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° অনুপ কুমাৰ দলেয়ে নিজৰ বক্তব্যৰে ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ ইন্দিৰা বড়া, ড° পল্লৱী দুৱৰা, ড° জুলি গগৈ, বিজয় টিমুং, ড° মঃ আমিনুল ইছলাম, আচাৰ্য মোহন দাস, ড° বিশাল ভূঞা, ড° দিগন্ত হাতীবৰুৱা, ড° দিব্যজ্যোতি বৰা, অভিনৱ শংকৰ গোস্বামী, ড° শ্বাহনাজ আহমেদ প্ৰমুখ্যে অধ্যাপক-অধ্যাপিকাসকল উপস্থিত থাকি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অনুষ্ঠানৰ মাজতেই উপস্থিত সকলোৱে নিচামুক্ত যুৱশক্তি অভিযানৰ শপতবাক্য পাঠ কৰে। অনুষ্ঠানৰ অন্তত মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ ছাত্ৰ-ছাত্ৰীসকলে 'এবাৰ চেষ্টা' নামৰ সজাগতামূলক বাটৰ নাট প্ৰদৰ্শন কৰি সকলোকে আপ্লুত কৰে।

চুৰি কাৰ্যত ব্যৱহৃত ছুইফট ডিজেয়াৰ জব্দ, উদ্ধাৰ চুৰি সামগ্ৰী

গহপুৰৰ ঘৰ চুৰিৰে জড়িত ৫ গভাইত চোৰক তেজপুৰত গ্ৰেপ্তাৰ

জ্যেষ্ঠ আৰক্ষী অধীক্ষক আছিফ আহমেদৰ তৎপৰতাত বৃহৎ সফলতা

অসম বাৰ্তা, গহপুৰ, ১৮ ছেপ্টেম্বৰ ঃ অপৰাধ আৰু অপৰাধীৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰি অহা বিশ্বনাথ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক আছিফ আহমেদৰ তৎপৰতা আৰু নিৰ্দেশনাত গহপুৰত সংঘটিত ধাৰাবাহিক ঘৰ চুৰি কাণ্ডৰ তদন্তত বৃহৎ সফলতা লাভ কৰিছে বিশ্বনাথ জিলা আৰক্ষীয়ে। বিশ্বনাথ জিলা আৰক্ষী আৰু গহপুৰ আৰক্ষী থানাই তেজপুৰ আৰক্ষীৰ সহযোগত চলোৱা এক অভিযানত যোৱা নিশা তেজপুৰৰ পৰা পাঁচজন গভাইত চোৰক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ জালত পৰা চোৰকেইজন হৈছে তেজপুৰ আৰক্ষী থানাৰ অন্তৰ্গত গোটলুঙৰ ফাৰুক হুছেইন, ভোজখোৱা চাপৰিৰ চান্দাম হুছেইন, কৰিয়নি নেপালীৰ হাবিবুৰ ৰহমান, গোটলুঙৰ চুলেমান আলী আৰু ভোজখোৱাৰ আৰমান আলী। গহপুৰ আৰক্ষী থানাৰ অন্তৰ্গত গহপুৰ নগৰৰ বড়িগাঁৱৰ শিক্ষক দম্পতী নৱদ্বীপ শইকীয়া আৰু উপমা মহন্তৰ বাসগৃহত সংঘটিত চুৰি কাণ্ডৰ লগতে চতিয়াচুক নিবাসী তথা ছয়দুৱাৰ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ডঃ বিপুল শইকীয়াৰ বাসগৃহত ১৫ চেপ্তেম্বৰৰ দিন দুপৰতে সংঘটিত হোৱা চুৰি কাণ্ডতো এই চক্ৰটো জড়িত আছিল। ইয়াৰ উপৰিও দিনদুপৰতে গহপুৰৰ বিভিন্ন স্থানত সংঘটিত কেইবাটাও ঘৰ চুৰিৰ ঘটনাৰ সৈতেও গ্ৰেপ্তাৰ হোৱা চোৰকেইজন জড়িত বুলি জ্যেষ্ঠ আৰক্ষী অধীক্ষক আছিফ আহমেদে জানিবলৈ দিছে। অভিযানকাৰী আৰক্ষীৰ দলটোৱে চোৰকেইজনৰ জিম্মাৰ পৰা চুৰি কাৰ্যত ব্যৱহৃত এএছ-০৩-এএল-৭৪১১ নম্বৰৰ ছুইফট ডিজেয়াৰ বাহন এখনো জব্দ কৰে। এই চুৰি চক্ৰটোৱে চুৰি কৰা সোণৰ আ-অলংকাৰ সমূহ সংগ্ৰহ কৰি আৰমান আলীয়ে সেইবোৰ গলাই পেলোৱাৰ ব্যৱস্থা কৰে বুলি জানিব পৰা গৈছে। ধৃত চোৰকেইজনৰ জিম্মাৰ পৰা কিছু চুৰি সামগ্ৰীও উদ্ধাৰ কৰিছে আৰক্ষীয়ে। জ্যেষ্ঠ আৰক্ষী অধীক্ষক আছিফ আহমেদে জানিবলৈ দিয়া মতে, ধৃত চোৰকেইজনে গহপুৰত সংঘটিত ঘৰ চুৰি কাণ্ডৰ সৈতে জড়িত থকাৰ কথা আৰক্ষীৰ জেৰাত স্বীকাৰ কৰিছে। আৰক্ষীৰ মতে, এই চক্ৰটোৱে কোনো এটা এলেকাত চুৰি সংঘটিত কৰাৰ পূৰ্বে প্ৰায় ৭-৮ দিন ধৰি অঞ্চলটো পৰ্যবেক্ষণ কৰি চুৰিৰ বাবে সুবিধাজনক ঘৰ চিনাক্ত কৰে। ইয়াৰ পিছত গৃহস্থৰ গতিবিধি নিৰীক্ষণ কৰি সুযোগ বুজি চুৰি কাৰ্য সংঘটিত কৰে। কেৱল গহপুৰতেই নহয়, হেলেম, বিশ্বনাথ চাৰিআলি, তেজপুৰ, নগাঁও আদি বিভিন্ন স্থানতো এই চুৰি চক্ৰটোৱে চুৰি কাৰ্য সংঘটিত কৰা বুলি জ্যেষ্ঠ আৰক্ষী অধীক্ষক গৰাকীয়ে জানিবলৈ দিছে। সমগ্ৰ বিষয়টোৰ সন্দৰ্ভত অধিক তথ্য লাভৰ বাবে আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। ইফালে, গহপুৰত ধাৰাবাহিকভাৱে সংঘটিত হৈ অহা চুৰি কাণ্ডৰ বিৰুদ্ধে বিশ্বনাথ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক আছিফ আহমেদে গ্ৰহণ কৰা তৎপৰতাই ইতিমধ্যে ৰাইজৰ মাজত আশাৰ সঞ্চাৰ যোগাইছে। বিশেষকৈ জ্যেষ্ঠ আৰক্ষী অধীক্ষক আছিফ আহমেদে অপৰাধীৰ বিৰুদ্ধে গ্ৰহণ কৰা কঠোৰ পদক্ষেপৰ ফলতেই এই বৃহৎ সফলতা লাভ কৰা বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে। সম্প্ৰতি পাঁচোটা অভিযুক্ত গহপুৰ আৰক্ষী থানাৰ লকআপত আছে। তেওঁলোকক জেৰা কৰি চুৰি চক্ৰটোৰ সৈতে জড়িত আন সদস্য, চুৰি সামগ্ৰীৰ সম্ভাব্য ক্ৰেতা আৰু পূৰ্বে সংঘটিত চুৰি কাণ্ড সন্দৰ্ভত অধিক তথ্য উদঘাটনৰ বাবে আৰক্ষীয়ে জোৰদাৰ তদন্ত অব্যাহত ৰাখিছে। ধৃত চুৰি চক্ৰটোৰ পৰা অধিক তথ্য উদঘাটন কৰি চোৰৰ বৃহৎ ৰেকেটতো উৎখাত কৰা হ'ব বুলি জ্যেষ্ঠ আৰক্ষী অধীক্ষক গৰাকীয়ে সংবাদ মাধ্যমক জানিবলৈ দিছে।



জননেতা শৰৎ চন্দ্ৰ গোস্বামী আৰু ৰূপৰাম সূতৰ আবক্ষ মূৰ্তি নিৰ্মাণৰ প্ৰস্তুতি

অসম বাৰ্তা, বেবেজীয়া, ১৮ ছেপ্টেম্বৰ ঃ অবিভক্ত নগাঁও-মৰিগাঁও জিলাৰ কপাহেৰা অঞ্চলৰ দুটি উজ্জ্বল নক্ষত্ৰ ১৯২১ চনৰ ৮ ফাগুণ তাৰিখে মাত্ৰ এঘণ্টাৰ অগা-পিচাকৈ জন্মগ্ৰহণ কৰা স্বাধীনতা সংগ্ৰামী, শ্ৰমিক নেতা, বৰ অসমৰ প্ৰাক্তন শিক্ষামন্ত্ৰী শৰৎ চন্দ্ৰ গোস্বামী আৰু স্বাধীনতা সংগ্ৰামী, "মৃত্যুঞ্জয়" উপন্যাসৰ নায়ক, প্ৰাক্তন বিধায়ক ৰূপৰাম সূতৰ আবক্ষ মূৰ্তি শ্বহীদ গুণাভিৰাম বৰদলৈৰ আবক্ষ মূৰ্তিৰ লগতে স্থাপন কৰাৰ কথা ভাবি অলপতে এখন আবক্ষ মূৰ্তি নিৰ্মাণ সমিতি গঠন কৰে। যোৱা ৩০ আগষ্ট তাৰিখে কপাহেৰা শংকৰদেৱ বিদ্যা নিকেতনৰ প্ৰাক্তন প্ৰধান আচাৰ্য টংকেশ্বৰ সূতৰ সভাপতিত্বত অনুষ্ঠিত এখন ৰাজহুৱা সভাত মোহন চন্দ্ৰ বৰদলৈক সভাপতি, বিশ্ব ডেকাক কাৰ্যকৰী সভাপতি, নিখিলৰঞ্জন গোস্বামী আৰু উপানন্দ ডেকাক উপ সভাপতি, সুৰেশ ডেকাক সম্পাদক আৰু প্ৰহ্লাদ বৰদলৈক সহ সম্পাদক হিচাপে লৈ আবক্ষ মূৰ্তি নিৰ্মাণ সমিতিখন গঠন কৰে। উল্লেখযোগ্য যে ১৯৫৫ চনত এইদুগৰাকী জননেতাৰ অহোপুৰুষাৰ্থত কপাহেৰাত সৰ্বভাৰতীয় সৰ্বোদয় মেলা মহাসমাৰোহেৰে অনুষ্ঠিত হৈছিল। এই বৃহৎ অনুষ্ঠানত তেতিয়াৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিকে প্ৰমুখ্য কৰি মন্ত্ৰীসভাৰ সদস্যসকল উপস্থিত আছিল। ভাৰতৰ বিভিন্ন ৰাজ্যৰ লক্ষাধিক লোকে অংশগ্ৰহণ কৰা এই অনুষ্ঠান মুকলি কৰিছিল সেই সময়ৰ অসমৰ ৰাজ্যপাল জয়ৰাম দৌলতৰামে। উল্লেখ কৰা ভাল হ'ব যে ৰাজ্যপাল গৰাকীয়ে উদ্যোক্তা সকলৰ বিশাল আয়োজনত অভিভূত হৈ কপাহেৰাত তিনিদিনধৰি থাকি মেলা উপভোগ কৰিছিল। সৌভাগ্যৰ কথা এই যে কপাহেৰা অঞ্চলৰ প্ৰবীন সাংবাদিক, সাহিত্যিক নিখিলৰঞ্জন গোস্বামীয়ে লিখি উলিওৱা "কপাহেৰা দাপোন" নামৰ বুৰঞ্জীখনতো নিজৰ শুভেচ্ছা প্ৰদান কৰি লেখক গৰাকীক উৎসাহিত কৰিছে। সেয়েহে মহান স্বাধীনতা সেনানী দুগৰাকীৰ আবক্ষ মূৰ্তি দুটি নিৰ্মাণৰ পিছত অসমৰ ৰাজ্যপালৰ দ্বাৰাই উন্মচনৰ পৰিকল্পনা ৰাখি আবক্ষ মূৰ্তি নিৰ্মাণৰ প্ৰস্তুতিৰ কাম আৰম্ভ কৰা বুলি জনাইছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন